# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 24

The 27th March, 1979

---

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 24

Dated the 27th March, 1979.

CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 65 |
| 2. | Voting on demand for ... ... | 66— 151 |
| 3. | The Assam Appropriation (No. II) Bill, 1979 ... ... ... | 152— 220 |
| 4. | Repot of the Bussines advisory Committee ... | — 221 |
| 5. | Miscellaneous ... ... ... | — 222 |
| 6. | Adjournment ... ... | 223 |



REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

Proceedings of the third Session of the Assam Legislative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 27th March, 1979 with the Hon. Deputy Speaker in the Chair, 12 (twelve) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary Secretries and 78 (seventy eight) Members present.

—

## STARERD QUESTIONS AND ANSWERS

Date : 27th March, 1979

(To which oral answers were given)

———

তাৰাংকিত প্ৰশ্ন নং ৩১ (পেঞ্চিং)

শ্ৰীজয় চন্দ্ৰ ৰাজবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে

প্ৰশ্নোত্তৰ কালত কোৱা মতে বে-চৰকাৰী অনুস্থানক কিমান পৰিমাণৰ মঞ্জুৰী দিয়া হৈছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— এই লিষ্টখন বৰ দীঘলীয়া হব। গতিকে সদনৰ টেবুলত দাখিল কৰিম।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এইটো কথা সঁচানে বাজেটত কোনো প্ৰভিজন নোহোৱাকৈ জহৰ নগৰত এই শ্ৰমিক কল্যাণৰ ফান্দৰ পৰা টকা দিয়া হৈছিল, যদি সঁচা হয় তেতিয়াহলে কিমান টকা দিয়া হৈছিল।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) : — এইটো সঁচা, ৪৫ হাজাৰ ৫ শ ৮৫ টকা।

শ্ৰীঅতুল গোস্বামী:— বাজেটত কোনো প্ৰভিজন নোহোৱাকৈ টকা দিয়াৰ কাৰণে এইটো অনুসন্ধান কৰা হবনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— এই ক্ষেত্ৰত অনুসন্ধান কৰাৰ কাৰণে এটা কমিচন ইতিমধ্যে বহুৱা হৈছে।

Shri Golak Rajbanshi :— When the subject matter has been referred to commission, whether a question can be asked on that point ?

Mr. Deputiy Speaker : — It is subjudiceal.

শ্ৰীযোগেন গগৈ:— মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিছো কিছুমান এলেকাত চাহ বাগানত বহুলোক দীৰ্ঘ দিনীয়া বেমাৰত মৃত্যু মুখত আক্ৰান্ত হৈছে। এনে ক্ষেত্ৰত এই লোক সকলৰ চিকিত্সাৰ কাৰণে শ্ৰমিক কল্যাণ ফান্দৰ পৰা টকা দিয়াৰ প্ৰয়োজন বোধ নকৰেনে ? এই ক্ষেত্ৰত কিমান খৰচ কৰা হৈছে।

Sri Jagannath Singh, ( Minister, Industries ) :— There are two parts of the question. Ruling in one question has been given by Mr. Deputy Speaker. Decisions have been taken by the Welfare Board under this Government that any body residing wethen' tea garden grant except the managerial staff suffering from T.B. and Cancer will be given Assistance at the rate of 100/= P.M for 6 months.

শ্ৰীজয়চন্দ্ৰ ৰাজবংশীঃ— এই মেজেঙা ওৱেলফেয়াৰ চেণ্টাৰত কিমানক ট্ৰেনিং দিয়াৰ ব্যৱস্থা হৈছে। আৰু কিমান টকা খৰচ হৈছে।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— বছৰি ৫১। খৰচৰ হিচাবটো বেলেগে বিচাৰিলে আমি দিব পাৰিম।

শ্ৰীজয়চন্দ্ৰ ৰাজবংশী :— তেখেতে প্ৰশ্নোত্তৰত কোৱা মতে এই যে যক্ষ্মা ইত্যাদি বেমাৰৰ কাৰণে সাহায্য দিয়া হব বুলি কৈছে, আজিলৈকে কিমান গৰাকীক যক্ষ্মা চিকিৎসাৰ কাৰণে সাহায্য দিয়া হৈছে। তেওঁলোক কোন কোন ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— এইটো বেলেগে প্ৰশ্ন কৰিলে ভাল হয়, তেতিয়া উত্তৰ দিব পাৰিম। মেজেঙাত ৪০ বছৰে ট্ৰেনিং পাই আছে। আৰু মাহে ৬০ টকাকৈ Stipend দিয়া হয়। Training is given to 40 students every year. Stipend worth of Rs. 60/— per month is given to each trainee.

তাৰাংকিত প্ৰশ্ন নং ৪০ ( পেন্দিং )

শ্ৰীএম ইব্ৰাহিম আলী :— মাননীয় উপাধ্যক্ষ মহোদয়, ১০৪ খন

চাহবাগানৰ ভিতৰত ৯৯ খন চাহবাগিছাৰ মূল কাৰ্য্যালয় অসমৰ বাহিৰত হোৱাৰ কাৰণে ইয়াৰ দ্বাৰা শোষণ হোৱা বুলি নেভাবেনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— অসুবিধা হৈছে সেইটো আমি ভাবো।

শ্ৰীএম ইব্ৰাহিম আলী :— এই মূল কাৰ্য্যালয় ইয়ালৈ অনাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা অহা ১ বছৰৰ ভিতৰত কৰিব পাৰিবনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— যোৱা ৩০ বছৰে যিটো হোৱা নাই এতিয়াই আমি কেনেকৈ কৰিব পাৰো। এতিয়া আমি সেই চেষ্টাতেই আছো।

শ্ৰীএম ইব্ৰাহিম আলী :— ৩০ বছৰৰ দোহাই দি তেখেতে নিজৰ দায়িত্ব এৰাই যাব বিচাৰিছে নেকি ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— সেইটো নহয়, আমি পাৰচুয়েচন চলাই আছো।

শ্ৰীগোলক ৰাজবংশী :— প্ৰশ্ন কালত মাননীয় সদস্যই সুধিছে শোষণ হৈছে নেকি ? আৰু উত্তৰত কৈছে অসুবিধা হৈছে। এতিয়া শোষণ আৰু অসুবিধা হোৱা কথাটো একেই নেকি ?

শ্ৰীনগেন বৰুৱা :— ইয়াৰ ব্যাখ্যা কিয় লাগে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— আমাৰ চাহবাগান বিলাকৰ হেড কুৱাটাৰ বিলাক বাহিৰত থকাৰ কাৰণে অসমত বছৰি ১২১ কোটি টকা লোকচান কৰি আছে। এই লোকচানৰ পৰা হাত সাৰিবৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে সকলো ফালৰ পৰা চেষ্টা কৰি আছে, যাতে এই অফিচ বিলাক ইয়ালৈ আনি আমাৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধন

কৰিব পাৰি।

শ্ৰীমুকুট শৰ্ম্মা :— এই ১০৪ খন বাগিছাৰ সদৰ কাৰ্য্যালয় অসমৰ বাহিৰত আছে। এই বাগিছা বিলাকৰ ভিতৰত ভাৰতবৰ্ষৰ বাহিৰত থকা আছে নিকি ? চৰকাৰৰ ফালৰ পৰা এই বিলাক অনাৰ কাৰণে কি ব্যৱস্থা কৰিছে ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী ) :— আছে, ভাৰতৰ বাহিৰত আছে। মুখ্যমন্ত্ৰী মহোদয়ে সকলো ধৰণৰ ব্যৱস্থা লৈ আছে। Appropriate steps are being taken.

তাৰাংকিত প্ৰশ্ন নং ৪১ ( পেন্দিং )

শ্ৰীমুকুট শৰ্ম্মাঃ— এই কোম্পানী বিলাকক কেতিয়া জনোৱা হৈছিল ? আৰু সময় বান্ধি দিয়া হৈছিল নেকি যে ইমান দিনৰ ভিতৰত তেওঁলোকৰ সদৰ কাৰ্য্যালয় বিলাক অসমলৈ আনিব লাগিব।

শ্ৰীজগন্নাথ শৰ্ম্মা ( মন্ত্ৰী ) :— কেবিনেটত সিদ্ধান্ত লোৱা হৈছিল ২৫/১২/৭৬ ত। তাৰ পাচৰ পৰাই এইটো পাৰচুৱেচন চলি আছে।

শ্ৰীমুকুট শৰ্ম্মা :— জনতা দল অহাৰ পিচত বৰ্ত্তমান চৰকাৰে কেতিয়া আৰম্ভ কৰিছে ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী ) :— ২১।১১।৭৬ তাৰিখে।

শ্ৰীযোগেন গগৈঃ— একচেতীয়া পূজিবাদীৰ প্ৰভাৱত পৰি এই প্ৰধান কাৰ্য্যালয় বিলাক অসমৰ বাহিৰত ৰাখিছে নেকি ?

Shri Jagannath Singh ( Minister ) :— It was the decision of Cabinet.

শ্ৰীগোলক ৰাজবংশী :— ২৫।১২।৭৬ চনত যি সিদ্ধান্ত লৈছিল

সেইমতেই জনতা চৰকাৰে ৰিপিট কৰিছে নেকি ? নে নতুনকৈ কৰিছে ।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— প্ৰিন্সিপুলটো একেটাই, নতুনকৈ পলিচি লোৱা হোৱা নাই। জনতা চৰকাৰে যিটো কৰে বা অইন চৰকাৰে যিটো কৰে সেইটো আমি সহজে পলিচিটো চেইঞ্জ নকৰো ।

শ্ৰীমুকুট শৰ্ম্মা :— এই সদৰ কাৰ্য্যালয় বিলাক অসমলৈ অনাৰ ক্ষেত্ৰত সিদ্ধান্ত কৰাৰ কাৰণে কিবা সময় বান্ধি দিছে নেকি ?

( উত্তৰ নাই )

শ্ৰীমুকুট শৰ্ম্মা :— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই কোম্পানী সকলক কেতিয়া জনোৱা হৈছিল আৰু তেওঁলোকক এইটো জনোৱা হৈছিল নেকি যে এটা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত তেওঁলোকৰ সদৰ কাৰ্য্যলয় অসমলৈ আনিব লাগিব ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী ) :— তাৰ বাবে কেবিনেট ডিচিশ্যন লোৱা হৈছিল ২৫।১২।৭৬ তাৰিখে। তাৰ পিচৰ পৰা পাৰচুৱেন্স চলাই থকা হৈছে ।

শ্ৰীমুকুট শৰ্ম্মা :— মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে জনতা চৰকাৰ অহাৰ পিচত কেতিয়াৰ পৰা এই কাম আৰম্ভ কৰিছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— আমাৰ শেহতীয়া আলোচনা হৈছিল ২১।১১।৭৮ তাৰিখে ।

শ্ৰীযোগেন গগৈ :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ভাৰত বৰ্ষত একচেতীয়া পুজিপতিৰ প্ৰভাৱৰ কাৰণেই এই অফিচ বিলাক অসমৰ বাহিৰত ৰখা হৈছে নেকি ?

শ্ৰীগোলক ৰাজবংশীঃ— ২৫।১২।৭৬ তাৰিখে যিটো সিদ্ধান্ত লোৱা হৈছিল এতিয়া জনতা চৰকাৰেও সেইমতেই কাম কৰিছে নে অন্য কিবা ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— কেবিনেটত এবাৰ যি সিদ্ধান্ত লোৱা হয় তাৰ 'প্ৰিন্সিপোল' একেই । ঘাৰে বাৰে পৰিবৰ্ত্তন কৰাৰ প্ৰয়োজন নহয় । কিন্তু জনতা চৰকাৰৰ এইটো পলিচি নহয় যে এজনে কিবা এটা এড-ভাইচ দিলেই সেইটো মানি লব । কিন্তু বহুবোৰ অসুবিধাৰ সন্মুখীন হব লগাৰ কাৰণে এই কোম্পানী বিলাকৰ হেড অফিচ নিৰ্দ্ধাৰিত সময়ত অসমলৈ আনিব পৰা হোৱা নাই ।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— আমাৰ কোনো আইন নাই যে সেই কোম্পানী বিলাকৰ হেড অফিচ বিলাক অসমলৈ আনিব পাৰো । মই বাজেট বক্তৃতাটো কৈছো যে তাৰ কাৰণে আমি চেষ্টা চলাই আছো । মই আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া যোৱা জুন মাহত দিল্লীলৈ গৈছিলো । তাত আমাৰ যিবিলাক বিদেশী কোম্পানী আছে তেওঁলোকক মাতি আনি এখন সন্মিলন পতা হৈছিল আৰু তাত এইকথাটো আলোচনা কৰা হৈছিল যে এই বিদেশী কোম্পানীৰ অফিচ বিলাক অসমলৈ অতি সোনকালে নিয়াৰ ব্যৱস্থা কৰিব লাগে । এই বিষয়ে তেখেত সকলে আমাক 'এচুৰেন্স' দিছিল যে যিবিলাক ৰেজিষ্টাৰড্ কোম্পানী অসমত আছে সেই-বিলাকৰ অফিচ অসমলৈ সোনকালে নৈ যোৱা হব । কিন্তু কেৰালা, কৰ্ণাটক আদিত যিবিলাক আছে সেইবিলাক অনা অসুবিধা হব । এতিয়া আমি 'ইনকাম টেক্স' বঢ়োৱাৰ কাৰণে তেওঁলোকে আপত্তি কৰিছে । কিন্তু তেওঁলোকে আমাৰ কথা নুশুনিলে আমি কিয় শুনিম ? সেই কাৰণে আমি 'পাৰচুৱেন্স' কৰাৰ চেষ্টা কৰি আছো ।

## RE : POST OF VICE-PRINCIPAL IN HAFLONG GOVERNMENT COLLEGE

Shri Khagen Barbaruah asked :

* 348. Will the Minister, Education be pleased to state—

a) Whether there was a post of Vice-Principal in Haflong Government College before its provincialisation ?

b) If so, why that post was abolished after provincialisation ?

c) Whether it is a fact that in spite of repeated proposals received from the principal, Government College, Haflong for creation, of the post of Vice-Principal, Government did not create the post though all necessary conditions for creation of the post have been fulfilled ?

d) If so, whether the Government will create the said post far proper functioning of the College without any further delay ?

Shri Lakhyadhar Choudhury ( Minister, Education ) replied :

348. (a)— Yes.

b)— This was not sanctioned because there is no post of Vice-Principal in any of the Government Colleges other than Cotton College.

c)— Does not arise.

d)— Does not arise.

Shri Khogen Barbruah :— Sir, may I know the number of the staff and the students and the ratio between the teachers and the students ?

Shri Lakhyadhar Choudhrury (Minister) :— Sir, I cannot say the exact number of teachers but the number of students has not exceed 500 yet.

শ্ৰীইব্ৰাহীম আলী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে প্ৰশাসনীয় পৰিচালনাৰ সুবিধাৰ কাৰণে বিশেষকৈ প্ৰিন্সিপালৰ অনুপস্থিতিত ভাইচ প্ৰিন্সিপালৰ নিতান্ত আৱশ্যকতাৰ কথা মন্ত্ৰী মহোদয়ে উপলব্ধি কৰে নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— নিতান্তই আৱশ্যকতা আছে আৰু তাৰ কাৰণে বিভাগে চিন্তা কৰি চাব ।

শ্ৰীঅতুল গোস্বামী:— ভাইচ প্ৰিন্সিপালৰ নিয়োগৰ বিষয়টো ইউনিভাৰচিটিৰ মতে কৰে নে অন্য মতে কৰে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ):— সাধাৰণতে ইউনিভাৰচিটিৰ মতেই

হোৱা উচিত। কিন্তু আমাৰ গভৰ্ণমেণ্ট কলেজ বিলাকত আগৰ পৰাই ভাইচ প্ৰিন্সিপালৰ পোষ্ট নাছিল। কটন কলেজত লৰাৰ সংখ্যাইে চাই চিনিয়ৰ-মষ্ট প্ৰফেচাৰ জনকে এলাউন্স দি ভাইচ প্ৰিন্সিপালৰ কাম চলাব বলৈ দিয়া হৈছে। এতিয়ালৈকে অন্য কোনো চৰকাৰী কলেজতেই ভাইচ প্ৰিন্সিপালৰ পোষ্ট নতুনকৈ সৃষ্টি কৰা হোৱা নাই।

শ্ৰীখগেন বৰবৰুৱা :— এই সংখ্যাটো দিব পৰা নহল কিয় ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— যিহেতু সেই হিচাপটো মোৰ লগত নাই, সেইটো বৰ্ত্তমান দিব পৰা নহব। কিন্তু লৰাৰ সংখ্যা ৫ শ হলে ভাইচ প্ৰিন্সিপালৰ পোষ্ট নতুনকৈ কৰিব পৰা হব।

শ্ৰীনিশীথ দাস :— উপাধ্যক্ষ মহোদয়, চরকারী-করণ করার আগে এই হাফলং কলেজটি যে অবস্থায় ছিল সেই অবস্থায় অধিগৃহীত না হওয়ার কারণ কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— হাফলং কলেজৰ কথাটো অৱশ্যে মই চোৱা নাই। কিন্তু ইতিমধ্যে হাফলং আৰু ডিফু কলেজক সকলো প্ৰকাৰৰ অনুদান আগবঢ়োৱা হৈছে। বোধকৰো তাত কন্‌চ্‌ট্ৰাকচনো আৰম্ভ হৈছে। নাই হোৱা যদিও তাত ধন দিয়া হৈছে।

শ্ৰীনিশীথ দাস :— না না আমার প্রশ্ন ছিল যে এই হাফলং কলেজের আগে ভাইস প্রিন্সিপাল ছিল। সুতরাং সরকার যখন এই কলেজটিকে গ্রহণ করেছিলেন তখন ভাইস প্রিন্সিপাল সহ কেন এই কলেজটি গৃহিত হলোনা ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— যিহেতু চৰকাৰী কলেজত ভাইচ প্ৰিন্সিপালৰ পোষ্ট নাই সেইকাৰণে কৰিব পৰা হোৱা নাই। কটন

কলেজত ভাইচ প্ৰিন্সিপালৰ পোষ্ট সৃষ্টি কৰা হোৱা নাই। কিন্তু লৰাৰ সংখ্যা চাই ভাৰ ছিনিয়ৰ মষ্ট প্ৰফেচাৰ জনকে এলাউন্স দি ভাইচ প্ৰিন্সিপাল কৰা হৈছে।

শ্ৰীনিশীথ দাস :— কটন কলেজতো আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— লৰাৰ সংখ্যা বেচি হলে আৰু লগে লগে শিক্ষকৰ সংখ্যা বাঢ়িলে সেইটো কৰা হব।

## Re : CATCHING OF VERY SMALL FISHES AND SEEDLINGS.

Shri M. Ibrahim Ali asked :

* 349. Will the Minister of State, Fisheries be pleased to state—

a) Whether Government is aware of the damage done to the development of fisheries in Assam due to catching of very small fishes and seedlings in Assam ?

b) If so, will the Government take appropriate steps to check and control such practice ?

c) If not, why ?

Shri Lilamay Das ( Minister of State, Fisheries ) replied :

349. (a)— Yes.

b)— The matters is under consideration of the Government: Special provision to check such catching may be included in the revised fishery rules under preparation.

c)— Dose not arise.

Re: FISHERY RULES, METHOD OF MANGEMENT AND LEASES OF FISHERIES

Shri M. Ibrahim Ali Asked :

* 350. Will the Minister, Fisheries be pleased to state—

Whether it is a fact that the Government have decided to bring about a major change in Fishery Rules, method of management and leases of Fisheries in Assam ?

Shri Lilamay Das ( Minister of Stete, Fisheries ) replied :

350.— The matter is under consideration of Government.

মোঃ ইব্রাহিম আলি— মহোদয়, ছোট ছোট বিলে মাছ ধরার ব্যাপারে সরকারের হাতে এমন কোনও আইন আছে কি যে এই ধরণের মাছ ধরা যাবে না ?

শ্রীলীলাময় দাস (রাজ্যিক মন্ত্রী) :— মাননীয় উপাধ্যক্ষ মহোদয়, এইরকম একটি ফিশারী-আইন আছে। কিন্তু এই আইনটিকে এতদিন যাবৎ কি করে পালন করা হয়েছে তা আমি জানিনা। তবে, বর্ত্তমানে আমরা নতুন ভাবে যে আইনটি প্রণয়ন করতে যাচ্ছি সেটাতে তাক কি করে রাখা যায় এবং কিভাবে তা বিবেচনা করা যায় - এই সমস্ত দিক আইন প্রনয়ণের ব্যাপারে বিবেচনা করা হচ্ছে।

মোঃ ইব্রাহিম আলি— আসামের এক প্রান্ত থেকে আর এক প্রান্ত পর্যন্ত সারা আসাম রাজ্য থেকে মৎস্যজীবিদের জন্য যে প্লেন করা হয়েছে—তাকে বানচাল করার জন্য একটি কুচক্র যে মন্ত্রী মহোদয়কে অস্থির করে তুলেছে—মন্ত্রী মহোদয় তা স্বীকার করেন কি ?

শ্রীলীলাময় দাস (রাজ্যিক মন্ত্রী) — এই সম্পর্কে আমি কিছু জানি না।

Shri Golok Rajbanshi :— Sir, when the Minister has said that steps are going to be taken to change the ruls, may I ask the Hon'ble Minister whether in the meantime the basic pattern of administrati on of Fisheries has been changed ?

শ্রীলীলাময় দাস (মন্ত্রী) :— আমি চেঞ্জ করবার কথা ভাবি আছো।

Shri Golok Rajbanshi :— My point is, pending the

changing of rules whether the besic structure of administrative policy has been changed in the meantime ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী):— চেঞ্জ কৰা হোৱা নাই। কিন্তু চেঞ্জ কৰিবলৈ চিন্তা কৰি আছো।

আব্দুল মোক্তাদিৰ চৌধুৰী:— মশাৰিৰ নেট দিয়ে যে মাছ ধরা হয় মন্ত্ৰী মহোদয় তা জানেন কি ?

শ্ৰীলীলাময় দাস (ৰাজ্যিক মন্ত্ৰী):— সেটা আমি জানি। আর, তা যাতে নাহয় তার জন্য ব্যবস্থা করা হয়েছে।

আব্দুল মোক্তাদিৰ চৌধুৰী:— শনবিলে অর্থাৎ তাঁর নিজের যায়গায় যে সেটা হচ্ছে তা জানেন কি ?

(উত্তৰ নাই)

শ্ৰীযোগেন গগৈ— উপাধ্যক্ষ মহোদয়, উজনি অসমৰ ও, এন, জি. টি আৰু নামৰূপ ফাৰ্টিলাইজাৰ কৰ্পৰেচনৰ পৰা যি গেচ ওলায় তাৰ ফলত সৰু সৰু মাছবিলাক মৰি গৈছে। লগতে ডাঙৰ ডাঙৰ মাছ বিলাক ব্ৰহ্মপুত্ৰলৈ গুচি আহিছে। তাৰোপৰি মাছে কনি নপৰা হৈছে। ইয়াৰ প্ৰতিকাৰৰ কিবা ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী):— কাৰিগৰি বিদ্যা ও মৎস্য বিজ্ঞানে যারা পারদর্শী তাদের পরামর্শ নিতে চেষ্টা করছি।

## Re: BLACK-TOPPING OF BHELLA-TARABARI P.W.D. ROAD FROM BHELLA TO BAHARIHAT

Shri Danes Ali Ahmed asked :

* 351. Will the Minister, P. W. D. be pleased to state—

a) Whether Government is aware that the Bahari daily bazar is one of the biggest Jute Markets within the Barpeta Sub-Division and there is heavy traffic on the Bhella-Tarabari P.W.D. road to carry those Jutes to Calcutta ?

b) If so, whether Government will take necessary staps for black topping this P.W.D. road from Bhella to Baharihat within next financil year ?

Shri Dulal Chandra Baruah ( Minister, P.W.D. ) replied :

351. (a)— Yes.

(b)— This would depend upon availability of plan fund under the Scheme "Metalling and Blacktopping" and relative priority of other schemes.

Shri Danes Ali Ahmed:— Sir. the Bahari Bazar is one of the biggest bazar in the Barpeta Sub-division and they are paying huge amount of taxes to the department. Considering that point will the Governmant take up the road for black-topping within the next financial year ?

Shri Dulal Chandra Barua ( Minister, P.W.D. )—

I am not rulling out the possibility of black-topping the road but it would depend upon the availibility of fund.

Shri M. Ibrahim Ali :— Sir, whether the Minister is aware that in one of the Constituencies of Barpeta Rs 8 lakhs has been provided for bleck topping ? what about others ?

Shri Dulal Chandra Barua ( Minister, P.W.D )— I cannot say abruptly. The scheme has been taken up on the basis of priority and also on urgency.

শ্ৰীঅতুল গোস্বামী :— ব্লেক টপিংৰ কথা উঠিলে পচিবিলিটি অব ফাণ্ডৰ কথাও কোৱা হয় আৰু এই প'চিবিলিটি অব ফাণ্ড নথকাৰ কাৰণে যে ব্লেক টপিং হোৱা নাই সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই বিষয়ে ব্যৱস্থা লোৱা হৈছে। আগতে ৰ'দ ৰুলাৰ অভাৱত কাম হোৱা নাছিল কিন্তু এতিয়া তাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী :— ১৯৭৪-৭৯ চনত যোৰহাটত ব্লেক টপিংৰ কাৰণে ৫৯ হাজাৰ টকা দিয়াৰ কথা সচানে ? আৰু এই ব্লেক টপিংৰ টকা সকলো চাব ডিভিজনতে দিয়া হৈছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— যত যেনেকৈ দিব লাগে সেই হিচবে দিয়া হৈছে। অৱশ্যে ইয়াৰ সংখ্যা বাঢ়িছে কাৰণ কিছুমান আচনি হৈছিল আৰু কিছুমান কাণ্টানয়াচ আচনিও আছিল। গতিকে আচনি বিলাকলৈ লক্ষ্য কৰি চাব-ডিভিজন ওৱাইজ টকা দিয়া হৈছে।

বি : ভোগালী বিহুত খাদী বোৰ্ডে কিনা চিৰ, গুৰা, আৰু আখৈ

শ্ৰীমুকুট শৰ্ম্মাই, শ্ৰীহেমেন দাসে } সুধিছে :

* ৩৫২। মাননীয় খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) ভোগালী বিহুত খাদী বোৰ্ডে কিমান চিৰা, গুৰ আৰু আখৈ কিনিছিল আৰু কিমান বিক্ৰী হয়

খ) বস্তুবোৰ যোগাৰ কৰোতে ভ্ৰমণ বানচ, বোৰ্ডৰ গাড়ীৰ ব্যৱহাৰত আৰু বিজ্ঞাপনত কিমান টকা খৰচ হল ?

শ্ৰীগান্ধীৰাম টিমুং (খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) যে উত্তৰ দিছে :

৩৫২। (ক)— ভোগালী বিহুত খাদী বোৰ্ডে কিনা—

১। চিৰা— ২৩৬ কিঃ গ্ৰাঃ মূল্য—৭৭৪·৫৫ টকা
২। গুৰ— ৩৪০ টেকেলি আৰু ৫ টিন মূল্য—১২৮৫·৬০ টকা
৩। আখৈ— ২০ কিঃ গ্ৰাঃ মূল্য— ৮১·০০ টকা

বিক্ৰী—
১। চিৰা বিক্ৰী হয় ২১৩·৭৫০ কিঃ গ্ৰাঃ— মূল্য ৭১৭·১৭ টকা
২। গুৰ সম্পূৰ্ণ বিক্ৰী হয়— মূল্য ১৪১২·৭৫ টকা
৩। আখৈ সম্পূৰ্ণ বিক্ৰী হয়— মূল্য ৮৮·০০ টকা

খ)— এই বস্তুবোৰ যোগাৰ কৰোতে ভ্ৰমণ বানচ ভৰিব লগীয়া হোৱা নাই। বিজ্ঞাপনত ৭৭২·০০ টকা খৰছ হয়।

শ্ৰীমুকুট শৰ্মা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই গুৰ, চিৰা আৰু আখৈ ক'ত কিনা হৈছিল ? এই বিলাক ফাচি বজাৰৰ পৰা কিনা হৈছিল নেকি ? আৰু বিক্ৰী কৰিবৰ কাৰণে অসমৰ বিভিন্ন অঞ্চললৈ গৈ খাদী বোৰ্ডৰ বিষয়া সকলে যথেষ্ট ভ্ৰমণ বানচ লোৱা কথাটো সচানে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— গুৰ আৰু চিৰা, আমাৰ যিবিলাক চেণ্টাৰ আছে সেই বিলাকে Produce কৰে আৰু গুৰ, চিৰা বিলাক ভিলেজ Industry চেণ্টাৰ বিলাকৰ পৰা অনা হৈছে। বিষয়া বিলাকে ভ্ৰমণ বানচ লোৱা নাই কাৰণ বিভাগৰ গাড়ী বস্ত্ৰ দিবলৈ যাওঁতে সেই গাড়ীতে এই বিলাক বস্তু লৈ আহে।

শ্ৰীঅতুল গোস্বামী ঃ— পাচ কেজি গুৰ ফুল গুৰি বজাৰৰ পৰা কিনা হৈছিল নেকি ? আৰু ফুলগুৰিত খাডী বোৰ্ডৰ চেণ্টাৰ আছে নেকি ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— বহা ফুলগুৰি আৰু বহুতো ঠাইত ১৪৯ টা ঠাইত চেণ্টাৰ আছে এতিয়া মাত্ৰ তিনিটা চেণ্টাৰে হে কাম কৰি আছে। বাকী বিলাক চেণ্টাৰ একটিভ কৰিবলৈ চেষ্টা কৰি আছো।

শ্ৰীআনোৱাৰা টাইমুৰ :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই বিলাক কিনা বুলি কৈছে। গান্ধীজীৰ আদৰ্শত অনুপ্ৰানীত হৈ এই খাদী বোৰ্ড বিলাকত এই সামগ্ৰী বিলাক তৈয়াৰ কৰিব নোৱাৰিবনে ? তেতিয়াহলে কিনাৰ প্ৰশ্নটো নাহে। আৰু এই বিলাক লোন দিয়া কেন্দ্ৰ নেকি ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— এই বিলাক উত্‌পাদন কেন্দ্ৰৰ পৰাই আনিব লগা হয়।

শ্ৰীমুকুট শৰ্মা ঃ— আখৈ, গুৰ আৰু চিৰা উত্‌পাদন কেন্দ্ৰ

অসমত ক'ত ক'ত আছে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— এই কেন্দ্ৰ বিলাক টি, চি, বি, আইৰ ভিতৰত আছে। এনেকুৱা চেণ্টাৰ আমাৰ বিভিন্ন ঠাইত আছে।

শ্ৰীজীবন বৰা : - এই চেণ্টাৰ বিলাকে অহা ভোগালী বিহুৰ পকা মিঠৈ যোগোৱা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— সদনে পৰামৰ্শ দিলে কৰিব পাৰি।

শ্ৰীঅতুল গোস্বামী :— বহাগ বিহুত দুটা বস্তুৰ অতি প্ৰয়োজন, গামোচা আৰু কেতেকী ফুল। এই দুটা বস্তু খাদি বোৰ্ডে বিতৰণ কৰা ব্যৱস্থা কৰিব নে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— এতিয়ালৈকে কৰা নাই।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— চিৰা, আখৈ আৰু গুৰ ক'ত ক'ত বিতৰণ কৰা হৈছে ! অসমৰ মিনা বজাৰ নামে খ্যাতি লাভ কৰা মান কাছাৰ বজাৰত এইবিলাক কিক্ৰী কৰা হৈছিল নেকি ;

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) সেইটো খবৰ আমাৰ হাতত নাই।

বি ঃ উচ্চতৰ মাধ্যমিক শিক্ষা কেন্দ্ৰসমূহত বিজ্ঞান আৰু বাণিজ্যৰ শ্ৰেণী

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :-

* ৩৫৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

উচ্চতৰ মাধ্যমিক শিক্ষা কেন্দ্ৰবোৰত ( Higher Secondary ) বিজ্ঞান আৰু বাণিজ্যৰ শ্ৰেণী খোলাৰ কিবা চিন্তা চৰকাৰে কৰিছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৫৩। — বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ ঃ— উপাধ্যক্ষ মহোদয়, যোৱা বছৰ পি, ইউ ক্লাচৰ পাঠ্য ক্ৰম আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ যিটো পাঠ্য ক্ৰম সেই পাঠ্য ক্ৰমৰ মিল নথকাৰ কাৰণে হায়াৰ চেকেণ্ডেৰী স্কুলৰ বহুতো লৰাই ইঞ্জিনিয়াৰিং আৰু মেডিকেল কলেজত চিট পোৱা নাই। সেই-কাৰণে মই আশা কৰিছো পি, ইউ, ক্লাচৰ যিটো পাঠ্যক্ৰম তেনে ধৰণৰ পাঠ্যক্ৰম হায়াৰ চেকেণ্ডেৰী স্কুলত প্ৰচলন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— মাননীয় সদস্যৰ উপদেশ চেকেণ্ডাৰী এডুকেচন বোৰ্ডৰ সভালৈ পঠোৱা হব।

শ্ৰীচিৰাজুল হক ঃ— গাওঁ অঞ্চলত কিছুমান কলেজ আৰু হাইস্কুল আছে। সেই হাইস্কুলবিলাক হায়াৰ চেকেণ্ডেৰী বা কলেজলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে - গতিকে সেইবোৰলৈ লক্ষ্য ৰাখি যিবিলাক অঞ্চলৰ কলেজত আৰু হায়াৰ চেকেণ্ডেৰী স্কুলত বিজ্ঞান শাখা খোলা নাই— সেইবিলাকত বিজ্ঞান শাখা খুলিবৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— যি ঠাইত অসুবিধা নাই ছাত্ৰ আছে তেনেকুৱা ঠাইত খোলা হব।

শ্ৰীমুকুট শৰ্ম্মা ঃ— অসমৰ কিমান উচ্চ মাধ্যমিক স্কুলত বিজ্ঞান আৰু বাণিজ্য শাখাৰ সুবিধা আছে

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— প্ৰশ্নটো বেলেগ হলে ভাল আছিল কিন্তু গাওঁ অঞ্চলত বিজ্ঞান আৰু বাণিজ্য শাখা খোলাৰ কাৰণে চিন্তা কৰিছোঁ।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— উপাধ্যক্ষ মহোদয়, আসামের যে সমস্ত সাব-ডিভিশনেল টাউনে একটিও হাইয়ার সেকেণ্ডারি স্কুল নাই, সেইসব শহরে হাইয়ার সেকেণ্ডারি স্কুল খুলে বিজ্ঞান এবং বাণিজ্য শিক্ষা দেওয়ার ব্যবস্থা সরকার করবেন কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— সেইটো বিবেচনা কৰি আছো।

শ্ৰীগোলক ৰাজবংশী :— যিহেতু চৰকাৰে শিক্ষাৰ শিতানত আলোচনা কৰিছিল যে একে পৰ্য্যায়তে হাইস্কুলবিলাক কৰা হব। তেনে অৱস্থাত এইটো সিদ্ধান্ত নকৰি হায়াৰ-চেকেণ্ডাৰী স্কুললৈ ৰূপান্তৰ বা উন্নিত কৰাৰ ব্যবস্থা কৰিলে মূল প্ৰস্তাৱটোত বাধা আৰোপ কৰা নহবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— সবাবোৰ ডাঙৰ হৈ যাব আৰু সেইটোও তেওঁলোকে পঢ়িব লাগিব। বিজ্ঞান আৰু বাণিজ্য শাখা বহুতো খুলিব নোৱাৰে — কিন্তু লৰা ডাঙৰ হৈ আছে।

শ্ৰীগোলক ৰাজবংশী :— দুই ৰকমৰ স্কুল এক ৰকম কৰাৰ সিদ্ধান্ত লোৱা আছে এই সিদ্ধান্ত কৰি এইবিলাক যদি এতিয়া এক্সপেক্টেচন কৰে তেতিয়াহলে ভৱিষ্যতে অসুবিধা নহবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— হাইস্কুল বিলাক উচ্চ পৰ্য্যায় কৰিবৰ কাৰণে চৰকাৰে সিদ্ধান্ত কৰিছে কিন্তু কলেজ কৰাৰ কথা চৰকাৰে মানি লোৱা নাই। আমাৰ পুজি কম হোৱাৰ কাৰণে য'ত সুবিধা হয় তাতেহে কৰাৰ সিদ্ধান্ত আছে। গতিকে আগতে যিখিনি কৰিলে

সেইখিনিও বিবেচনা কৰি গাওঁ অঞ্চলত বিজ্ঞান আৰু বাণিজ্য শাখা আৰু বালিকা বিজ্ঞান আৰু বাণিজ্য শাখা এই চাৰিটা ভিত্তিত আমাৰ শিক্ষা-নীতি প্ৰবৰ্ত্তন কৰা হব।

শ্ৰীগোলক ৰাজবংশী :— হাইস্কুল বিলাক ছুটা পৰ্য্যায়ত থাকিব নোৱাৰে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— এইটোও লাহেলাহে যাবগৈ। একে বাৰতে কাকো পঠাব পৰা নাই। মই কৈছো ৩২ বছৰে আগৰ চৰকাৰে কৰা নাই। আটাইতকৈ দুখৰ কাম হ'ল বিজ্ঞান আৰু বাণিজ্যৰ শাখা কেইটামানত দিয়া নাই। সেইকাৰণে আমি সমাজবাদী চৰকাৰ হিচাবে বিজ্ঞান আৰু বাণিজ্যৰ শাখা দিয়া হব।

শ্ৰীফণি মেধি :— গাওঁ অঞ্চল বিলাকত বিজ্ঞান শাখাৰ সুবিধা হোৱা নাই আৰু কলেজো হোৱা নাই। কিন্তু অলপতে যোৱাবছৰ এনেকৈ হাইস্কুল বিলাক চৰকাৰে লৈছে। গতিকে এই হায়াৰ চেকেণ্ডেৰী স্কুল বিলাকত এতিয়া অতি সোনকালে প্ৰায়ৰিটি দি বিজ্ঞান শাখা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— শ্ৰীমেধী ডাঙৰীয়াই কোনটো স্কুলৰ কথা কৈছে মই বুজিছো। কিন্তু এই মুহূৰ্ত্তত তেওঁলোকে আৰ্টচত পৰীক্ষা দিব। গতিকে তেওঁলোকৰ পাঠ্যক্ৰম চোৱাৰ ব্যৱস্থা কৰা হব।

বি ঃ লক্ষীমপুৰ সদৰ বিধান সভা সমষ্টিৰ ৰাস্তা

শ্ৰীশূল বৰাই সুধিছে :—

*৩৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) লক্ষীমপুৰ সদৰ বিধান সভা সমষ্টিৰ এলেকাৰ বাইজৰ পৰা বিধায়ক সহ উত্তৰ লক্ষীমপুৰত গড়কাপ্তানী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাৰ ওচৰত এই সমষ্টিৰ এলেকাৰ ভিতৰত গড়কাপ্তানী বিভাগে লবৰ কাৰণে কিমান ৰাস্তাৰ আবেদন পাইছে অনুগ্ৰহ কৰি জনাবনে ?

খ) উক্ত আবেদনত উল্লেখিত ৰাস্তাসমূহৰ নাম সদনৰ মেজত ৰাখিবনে ?

গ) এনে আবেদন পোৱা ৰাস্তাৰ মুঠ সংখ্যা জনাবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৫৪। (ক)— ২৮ টা ৰাস্তাৰ আবেদন এতিয়ালৈকে পোৱা হৈছে।

খ)— আবেদনত উলেখ কৰা ৰাস্তাসমূহৰ নাম সদনৰ মেজত ৰখা হল।

গ)— মুঠ ২৮ টা ৰাস্তা।

শ্ৰীশূল বৰা :— উপাধ্যক্ষ মহোদয়, আমাৰ উত্তৰ লক্ষীমপুৰ বিধান সভা সমষ্টিত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ যিবিলাক অঞ্চল আছে সেই অঞ্চল বিলাকত যাতায়তৰ অৱস্থা অতি দুখ লগা। ৰাষ্টা নাই বুলিলেই হয়। তাৰ বাহিৰেও বিপুল সংখ্যক অন্যান্য পিচপৰা সম্প্ৰদায়ৰ মানুহো ইয়াত আছে। এই সমষ্টিটো বিশেষকৈ গড়কাপ্তানী ৰাষ্টাৰ ক্ষেত্ৰত অতি পিচপৰা আৰু দুখ লগা অৱস্থা। সেই কাৰণে মই চৰকাৰ আৰু গড়কাপ্তানী বিভাগক অনুৰোধ কৰিছো—এই দুখ লগা অৱস্থা দূৰ কৰিবলৈ পিচপৰা অঞ্চলৰ কথা বিবেচনা কৰি নতুন নতুন ৰাষ্টা বিভিন্ন শিতানত লবৰ কাৰণে ব্যৱস্থা কৰিব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী, গড়কাপ্তানী বিভাগ) :— উপাধ্যক্ষ মহোদয়, উত্তৰ লক্ষীমপুৰ অঞ্চলটো অকল ৰাস্তাৰ ক্ষেত্ৰতেই নহয় বহুতো ক্ষেত্ৰতেই পিচপৰা অৱস্থাৰ কথা বৰ্ত্তমান চৰকাৰে ভালকৈয়ে জানে। সেই সম্পৰ্কে ৰাস্তা-পথবিলাক উন্নত কৰিবলৈ অহা বছৰৰ পিচত আঁচনি গ্ৰহণ কৰা হৈছে বিশেষকৈ ৫ম পঞ্চ-বাৰ্ষিক পৰিকল্পনাত এই অঞ্চলটো ধেমাজী পৰ্য্যন্ত উন্নত কৰিবৰ কাৰণে সকলো ধৰণৰ আঁচনি যুগুত কৰিছে। গতিকে মাননীয় সদস্য জনক জনাব বিচাৰিছো যে তেখেতে যি ধৰণে জানিছে তাতোতকৈ বেছি ধৰণে এই অঞ্চলৰ কথা চৰকাৰে জানে আৰু এই অঞ্চলৰ যাতায়তৰ উন্নতিৰ কাৰণে চৰকাৰে আঁচনি লৈছে।

## RE : DISPUTED PRICE INDEX OF 1976

Shri Noorul Huda asked :

* 355. Will the chief Minister be pleased to state—

(a) Whether the State Government in 1977 had made an agreement with the representatives of the State Government employees to the effect that the price index of 1976 would be re-examined by an independent expert body in consultation with the employees' representatives ?

(b) If so, Whether the Government have since finalised the disputed price index of 1976 ?

(c) If not, the reasons for the delay in finalising

the same?

(d) How long it would take to finalise the disputed price index?

Shri Golap Borbora (Chief Minister) replied :

355. (a), (b), (c) & (d)— The price lindex for 1976 was not accepted by the employees and in accordance with the minutes of discussion held on 16th May 1977, betwen the Chief Secretary and the representatives of the Action Committee of the State Government employees. Government have constituted an independent One Man Committee to examine the question of price index of 1976 with Dr. S. K. Bhattacharyya, Department of Economics, Calcutta University. The Committee has already begun its work and the report is expected soon.

Shri Noorul Huda :— Sir, may I know as to when this Committee started working?

Shri Golap Borbora ( Chief Minister ) :— From 16-10-1978.

Shri Noorul Huda :— Sir, will the Chief Minister kindly let us know whether it is in the knowledge of the State Govurnment that the employees have

been dimanding representations on such questions as to the question of price index and other related demands which the employees have been putting forward for a long time, and secondly, will the Chief Minister also give us the information that on such questions, the employees' view-points should be taken into consideration ?

Shri Golap Borbora (Chief Minister) :— Yes, the entire matter is under cosideration.

শ্রীপ্ৰমোদ গগৈ :— উপাধ্যক্ষ মহোদয়, প্ৰাইচ ইনদেক্সৰ প্ৰশ্ন যিহেতুকে জটিল আৰু অসম চৰকাৰে অধ্যয়ন কৰি ওৱান মেন কমিচন কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰাইচ ইন্দেক্সৰ বিষয়ে আলোচনা কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম বিভাগে এটা কমিটি নিয়োগ কৰি দিছিল আৰু এই কমিটিয়ে চেণ্ট্ৰেল ট্ৰেড ইউনিয়নৰ পেটাৰ্ণত কেন্দ্ৰীয় চৰকাৰৰ সৰ্ব্বভাৰতীয় ক্ষেত্ৰত প্ৰাইচ ইন্দেক্স কমিটিত সকলো বিলাক ট্ৰেড ইউনিয়নৰে প্ৰতিনিধি আছে। চৰকাৰে প্ৰতিনিধি আৰু বিষেশজ্ঞ লৈ যি ধৰণে বিবেচনা কৰিছিল সেই পেটাৰ্ণতে কমিটি কৰাৰ বিষয়ে অধ্যয়ন কৰাৰ কথা চিন্তা কৰিবনে ?

শ্রীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এইটো আগতে দিয়া হৈ গৈছে। কাৰণ ১৯৭৬ চনত কৰ্ম্মচাৰী সকলৰ প্ৰাইচ-ইন্দেক্সৰ ওপৰত তেখেতে আপত্তি দৰ্শাইছে। পঞ্চম প্লেনত এখন কাগজত উল্লেখ আছে যে, সৰ্ব্বভাৰতীয় প্ৰাইচ-ইন্দেক্সত অসমৰ ২০ ভাগ বেচি থকাৰ কথাটো উল্লেখ কৰি কৰ্ম্মচাৰী সকলে কয় যে, অসমৰ যিটো প্ৰাইচ-ইন্দেক্স ৩৩০ সেইটো কম। গতিকে তাৰ ওপৰত ভিত্তি কৰি তেতিয়াৰ চৰকাৰে কেন্দ্ৰৰ সেই-

বাজুনো বিশেষজ্ঞৰ মতামত লৈ কমিটি কৰিবলৈ মান্তি নোহোৱাত কলিকতাৰ বিশ্ববিদ্যালয়ৰ এচ, কে, ভট্টাচাৰ্য্য অৰ্থনীতিবিদে দায়িত্ব বহন কৰিবলৈ হাতত লয়।

শ্ৰীপ্ৰমোদ গগৈ :— উপাধ্যক্ষ মহোদয়, আগতে অৱান মেন কমিচন কৰিছে, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে, এই বিষয়ে অধ্যয়ন কৰাৰ কাৰণে যেনেকৈ কেন্দ্ৰীয় চৰকাৰে সকলো বিলাক কেন্দ্ৰীয় ট্ৰেড-ইউনিয়নৰ প্ৰতিনিধি আৰু এক্সপাৰ্টক প্ৰতিনিধি লৈ কমিটি কৰিছিল। অসমত তেনে ধৰণৰ কমিটি কৰাৰ কথা বিবেচনা কৰা হব নে? চৰকাৰে হয়তো ওৱানমেন কমিচন কৰিব সেই কমিচনে হয়তো চূড়ান্ত ভাবে ৰিপোৰ্ট দিয়া নাই। গতিকে চৰকাৰে এই কথা বিবেচনা কৰিব নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী):— মাননীয় সদস্যই কোৱা মতে আমাৰ কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ট্ৰেড-ইউনিয়নৰ লগত লৈ তেনে এটা পৰীক্ষা-নিৰিক্ষা চলাই আছে। আমাৰ ইয়াত কৰ্ম্মচাৰী সকলৰ আপত্তিৰ ভিত্তিত কমিটি এটা গঠন কৰা হল। এতিয়া আন এটা কমিটি গঠন কৰিলে হয়তো তুইটাৰে কাম কাজত অসুবিধা হব পাৰে সেই কাৰণে আশা কৰো যিটো কমিটি গঠন কৰা হৈছে তাৰ প্ৰতিবেদন আমি সোনকালে পাম। যদি কিবা ভুল থাকি যায় তেতিয়া আন এটা কমিটি কৰাৰ কথা চিন্তা কৰিম।

Shri Noorul Huda :— There appears to be a considetable communication gap between the employees and the State Govt. That is unfortunate Under the circumstances the Chief Minister has stated that one-man Committee has begun the work sometime in Octo-

ber last. But so far as we know there is no indication that the Committee has started any work. May we know from the Chief Minister whether he can assure the House that the Committee will complete the work within the shortest possible time—within this year ?

Shri Golap Borbora (Chief Minister) :— We can only request the Comittee to expedite the matter.

Shri Santi Ranjan Das Gupta :— What will be the extra financial involvement if the demands of the employees are conceded to ?

Shri Golap Borbora (Chief Minister) :— It is not yet worked out and unless it is worked out how can we say ?

Shri Santi Ranjan Das Gupta :— Employees have put forward certain demands on the basis of 1976 Price Index according to their calculation and Government have also their own calculation. Whnt is the material difference between the two ?

Shri Golap Borbora (Chief Minister) :— That is why the Committee has been constituted.

শ্ৰীনৰেণ দত্ত :— উপাধ্যক্ষ মহোদয়, ৰাজ্যিক কৰ্ম্মচাৰী সকলে মূল্য সূচী পুণৰ পৰীক্ষা কৰিবৰ কাৰণে আৰু কি কি কাৰণত পৰীক্ষা

কৰিব লাগে এই কথাটো দাবী কৰিছিল এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এইটো আগতে কোৱা হৈছে যে সেই সময়ত অসমত যিটো মূল্য সূচী ধৰা হৈছিল সেইটোত দেখা গ'ল যে ১৯৭৬ চনৰ অসমৰ মূল্যসূচীত ৩৩০ ধৰা হৈছিল আৰু সৰ্ব্বভাৰতীয় ক্ষেত্ৰত ৩৬০ আছিল। আনহাতে অসমৰ মূল্যবৃদ্ধি সৰ্ব্বভাৰতীয় স্তৰত শতকৰা ২০ ভাগ বৃদ্ধি হৈ আছে। অসম চৰকাৰে তৈয়াৰ কৰা এখন কাগজতো তেখেতে আপত্তি জনাইছে। তেখেত সকলে দাবী কৰা মতে যদি সৰ্ব্বভাৰতীয় স্তৰত অসমৰ মূল্য বৃদ্ধি স্তৰ শতকৰা ২০ ভাগ বেচি বুলি ধৰা হয়, তেতিয়া হলে ৩৩০ ৰ ঠাইত ৪০০ ৰ ওপৰ বুলি সেই:টো তেখেত সকলৰ মূল দাবী।

শ্ৰীনগেন বৰুৱা :— ৰাজ্যিক কৰ্ম্মচাৰী সকলে যি স্মাৰক পত্ৰ, সেই বিষয়টো পে- কমিটিত বিবেচনা কৰিম বুলি তেখেত সকলৰ সাক্ষ্য গ্ৰহণ কৰিছিল নেকি ?

শ্ৰীগোলাপ বৰবৰা :— (মুখ্য মন্ত্ৰী) আমি গম পোৱা নাই।

শ্ৰীগোলক ৰাজবংশী :— কৰ্ম্মচাৰী সকলৰ ১৯৭৬ চনৰ যিটো মূল্যসূচী সেইটো শুদ্ধ নহয় বুলি কৈ তেখেত সকলে স্মাৰক পত্ৰৰ যোগেদি এটা সংখ্যা দিছে। সেই সংখ্যাটোৰ ভিত্তিত যদি তেখেত সকলক বোনাচ দিয়া যায় তেনেহলে এই ক্ষেত্ৰত কিমান ফাইনেনচিয়েল ইনভোলভমেণ্ট হব।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— ইতিমধ্যে এইটোৰ ওপৰত কমিটি গঠন কৰি দিয়া হৈছে। কমিটিয়ে কি কয় সেইটো চাব লাগিব। আমি এতিয়া কেলকোলেট কৰিব নোৱাৰো।

শ্ৰীগোলোক ৰাজবংশী ঃ— আমাৰ বিত্তিয় পৰিধি কিমান লাগিব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— সেইটোৰ কাৰণে বেলেগ নটিচ লাগিব ।

## বি ঃ ASSISTANT SURGEON II

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে ঃ—

* ৩৫৬ । মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসমৰ চিকিৎসালয় সমূহত Assistan Surgeon II শ্ৰেণীৰ কিমান চিকিৎসকে বৰ্ত্তমানে কাম কৰি আছে ?

খ) উক্ত শ্ৰেণীৰ চিকিৎসক সকল স্থায়ী পদত আৰু স্থায়ী নিযুক্ত হিচাবে কাম কৰি আছেনে ?

গ) যদি নাই, স্থায়ী পদত নিযুক্তি দিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

ড ঃ কোমেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

৩৫৬ । (ক)—৪৯ জনে ।

খ)— ৪৯ টা স্থায়ী পদৰ ভিতৰত বৰ্ত্তমানে ৪২ জনে স্থায়ী হিচাবে কাম কৰি আছে ।

গ)— বাকী থকা ৭ জনক স্থায়ী পদত নিযুক্তি দিবলৈ সময়ত ব্যৱস্থা লোৱা হব ।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— স্যাৰ আসাম ৰাজ্যে এম, ডি পাশ কৰা ডাক্তাৰ এসিষ্টেণ্ট সাৰ্জন -।। হিসাবে আছে কি? যদি থাকে, তাহলে কতজন আছে এবং তাদেরে ক্লাস ওয়ানে উন্নীতকরণ করা হবে কি?

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— বৰ্ত্তমান এজনেই আছে অলপতে পাছ কৰিছে। তেওঁৰ কথাও বিবেচনা কৰা হব।

শ্ৰীৰমেশ চহৰীয়া :— ৭ জনে স্থায়ী পদ পোৱা নাই বুলি মন্ত্ৰী মহোদয়ে কৈছে, এই ৭ জন এম,বি,বি,এচ নে অন্য শিক্ষাগত অৰ্হতাৰ?

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— এই ৭ জনৰ কথাটো প্ৰশ্নটোতেই আছে—এচিষ্টেণ্ট চাৰ্জন- ২ তেওঁলোক এল এম পি, এল এম এফ আৰু ঢাকা নেচনেলৰ পৰা পাচ কৰা আৰু তেওঁলোকক এচিষ্টেণ্ট চাৰ্জন -২ হিচাবে দেজ্কিকনট কৰা হৈছিল। এতিয়া যি ৭ জন বাদ পৰিছে তেওঁলোক কোনো ৰেজিষ্টাৰ্ড ইনষ্টিটিউচনৰ পৰা পাচ কৰা নহয়। যি কেইজনে ৰেজিষ্টাৰ্ড ইনষ্টিটিউচনৰ পৰা পাচ কৰিছে তেওঁলোকৰ ইতিমধ্যে স্থায়ীকৰণ হৈছে। এই ৭ জন ৰেজিষ্ট্ৰেচন কাউন্সিলে ৰিকগনিচন দিয়া নাই আৰু সেই কাৰণে অসম চৰকাৰৰ তৰফৰ পৰা এনেই তেওঁলোকক প্ৰেক্‌টিচ কৰি থাকিবলৈ দিয়া হৈছে। তেওঁলোকক স্থায়ীকৰণৰ কাৰণে চৰকাৰে বিবেচনা কৰি আছে।

Shri Abdul Muqtadir Choudhuri :— Whether Govt. propose to amalgamate the services of the Assistant Surgeon I and II?

ডঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— ইতিমধ্যে কৰা হৈছে, প্ৰমোচন দিয়া হৈছে এমালগেচন নহয়। তেওঁলোকক প্ৰমোচন চিনিয়ৰিটিৰ ভিত্তিত দিয়া হৈছে। স্থায়ী পদ নথকাৰ কাৰণে এওঁলোক বাদ পৰি

আছে। এওঁলোকক প্ৰমোচন দি হেল্‌থ অফিছাৰ ১ কৰাৰ কথা চৰকাৰে সিদ্ধান্ত কৰিছে।

শ্ৰীনজমুল হক :— মন্ত্ৰী মহোদয়ে জনাবনে এই ডাক্তৰ সকলক কি হাৰত দৰ্ম্মহা দিয়া হয়? যি হাৰত দৰ্ম্মহা দিয়া হয় সেইমতে বজাৰৰ দৰলৈ চাই এওঁলোক জীয়াই থাকিব পাৰেনে?

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— ডাক্তৰ বুলিয়েই নহয় চৰকাৰী কৰ্ম্মচাৰী সকলৰ যি দৰ্ম্মহা দিয়া হয় তাৰ দ্বাৰা তেওঁলোক জীয়াই থকা টান। কিন্তু ডাক্তৰ সকলৰ এটা স্কোপ আছে ই যে তেওঁলোকে প্ৰেক্‌টিচ কৰি চলিব পাৰে সেইটো মাননীয় সদস্য সকলে জানে।

শ্ৰীনৰেন দত্ত :— ১০ বছৰ চাকৰি সম্পূৰ্ণ কৰা অৰ্হতা সম্পন্ন চিকিৎসক সকলক চিকিৎসা বিষয়া বা স্বাস্থ্য বিষয়া হিচাবে পদোন্নতি দিব লাগে বুলি স্বাস্থ্য সেৱা সন্থাই দাবী তুলিছে সেই দাবী মানি লোৱাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে?

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— বৰ্ত্তমান চৰকাৰে সেইটো বিবেচনা কৰিয়ে আছে অৱশ্যে সিদ্ধান্ত হোৱা নাই, অলপ দিনতে সিদ্ধান্ত লোৱা হব।

Shri Abdul Muktadir Choudhuri :— Whether Govt. propose to amalgamate two sets of dispensaries, Grade I and Grade II?

ডাঃ কোষেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— এইটো এমালগেমেচনৰ কথা নহয়, আপগ্ৰেদ কৰা হয়, ডিস্পেন্‌চাৰী বিলাকক গ্ৰেদ - ২ পৰা

গ্ৰেদ - ১- পৰ্য্যায় ক্ৰমে কৰি থকা হৈছে আৰু সময়ত গোটেইখিনি হ'ব।

শ্ৰীযোগেন গগৈ :— এই এচিষ্টেণ্ট চাৰ্জন ১ বিলাকৰ গ্ৰেদেচন লিষ্ট কৰা হৈছে নেকি যদি হৈছে নিযুক্তি পোৱাৰ তেওঁলোকৰ চাৰ্ভিচ কাউণ্ট কৰা হৈছে নে?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— গ্ৰেদেচন লিষ্ট কৰা হৈছে সেইখিনি চাৰ্ভিচ ৰুল মতে কৰা হয়।

ডাঃ ভাৰিণী দাস :— এই এচিষ্টেণ্ট চাৰ্জন কিমান আছিল আৰু কিমানক প্ৰমোচন দিয়া হ'ল আৰু কিমান বাকী আছে?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— সেইটো খবৰ মই পাছত দিব পাৰিম। স্থায়ী কৰণ কৰা হৈছে ৪৯ জনৰ পৰা ৪২ জনক আৰু ৭ জন বাকী আছে।

ডাঃ তাৰিণী মোহন বৰুৱা :— ১৯৭৬ চনৰ নবেম্বৰত প্ৰকাশ পোৱা অসম গেজেট মতে হেল্থ অফিছাৰ ওৱান ১০১২ জন আছিল আৰু তাৰে ৫৪৪জন স্থায়ী কৰা হ'ল আৰু ৪৬৬ জন অস্থায়ী হৈয়ে থাকিল। গতিকে এই ১৯৭৬ চনৰ পৰা এই ৪৬৬ জনৰ কিমান জন স্থায়ীকৰণ কৰা হ'ল?

ডাঃ কোমেশ্বৰ বৰা (ৰাজ্যিক মন্ত্ৰী) :— দিব পাৰিম কিন্তু বেলেগ প্ৰশ্ন দিলে ভাল হয়। গোটেই খবৰ মোৰ হাতত নাই।

## বিষয় : বাঁহৰ খেতি

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

*৩৫৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত স্থাপিত হোৱা যোগীঘোপাৰ কাগজ কল আৰু স্থাপন কৰিব খোজা জাগীৰোডৰ কাগজ কলৰ কাৰণে বাঁহৰ আৱশ্যক হোৱাত অসমত বাঁহৰ দাম ক্ৰমান্বয়ে বাঢ়ি অহাৰ কথা চৰকাৰে জানেনে ?

(খ) ভৱিষ্যতে বাঁহৰ নাটনীয়ে উদ্যোগ দুটাৰ সন্মুখত জটিল সমস্যাৰ সৃষ্টি কৰা পৰিপ্ৰেক্ষিতত আৰু ৰাইজে সন্মুখীন হব লগা অসুবিধাৰ কথা লক্ষ্য ৰাখি বাঁহৰ খেতি বঢ়াই তুলিবলৈ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৫৭। (ক)— হয়। বাঁহৰ দাম কিছু পৰিমাণে বঢ়াৰ কথা চৰকাৰে জানে।

(খ)— অসমত হোৱা আৰু হব লগা কাগজ কল কেইটাৰ লাগতীয়াল বাঁহৰ যোগান পাব পৰাকৈ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগোলোক ৰাজবংশী ঃ— মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই দুয়োটা কাগজৰ কলত বছৰি কিমান বাঁহ আমাক লাগে আৰু সেই হিচাবে ৫ বছৰত কিমান বাঁহৰ আৱশ্যক হব আৰু সেই হিচাবে অসমৰ বনাঞ্চলৰ পৰা সেই বাঁহৰ যোগান ধৰিব পৰা হব নে নহয় আৰু যদি নহয় কি ব্যৱস্থা কৰা হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন মন্ত্ৰী) ঃ— কাগজকল দুটা নহয় তিনিটা ; এটা যোগীঘোপা অশোক কাগজকল আন দুটা হৈছে হিন্দুস্থান পেপাৰ কৰ্পোৰেচন, জাগীৰোড আৰু আনটো বদৰপুৰ। যোগীঘোপাত আমাক বছৰি ১·২০ লাখ টন লাগে আৰু বাকী দুটাত প্ৰতিটোত

২·৫০ টনকে লাগিব। বাঁহ যাতে অসমৰ বনাঞ্চলত পাব পাৰে তাৰ কাৰণে কিছুমান অঞ্চলত কাগজকল বহুওৱা অঞ্চলৰ আশে পাশে বাহ-খেতিৰ আচনি কৰি থোৱা হৈছে।

শ্ৰীগোলোক ৰাজবংশী :— অহা ৫ বছৰত অসমৰ বনাঞ্চলত কিমান বাঁহ বৃদ্ধি কৰিব পৰা হব তাৰ কিবা আচনি চৰকাৰে কৰিছে নেকি আৰু কৰিছে যদি কি আচনি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— বৰ্ত্তমানৰ যি পৰিস্থিতি সেই-পৰিস্থিতিত আমাৰ বনাঞ্চলৰ বাঁহে চাহিদা পুৰণ কৰিব পাৰিব। ইতি-মধ্যে আমাৰ এফোৰেষ্টেচন বিভাগে বাহ ৰুৱাৰ ব্যৱস্থা কৰিছে।

দেৱান জয়নাল আবেদিন :— মন্ত্ৰী মহোদয়ে জানেনে যে অশোক কাগজ কলক তেওঁলোকৰ চাহিদা অনুপাতে বাহ যোগান ধৰিব পৰা নাই অথচ অসমৰ পৰা বাহ দিনক দিনে বাহিৰলৈ গৈ আছে।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :— অশোক কাগজ কলক বাঁহ যোগান ধৰিব পৰা নাই এই কথা সচা নহয়। কিয়নো এনেকুৱা অৱস্থা হৈছে বাহ কিনিব নোৱাৰি বাহিৰলৈ পঠাবলৈ তেওঁলেকে কৈছে।

শ্ৰীমতী আনোৱাৰা টাইমূৰ :— মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে অশোক পেপাৰ মিলত ১·১০ টন আৰু বাকী দুটাত বছৰি ২·৫০ টনকৈ বছৰি বাহ লাগে। কিন্তু আমি জানিব পাইছো বাহৰ অসুবিধাৰ কাৰণে অশোক কাগজ মিলে বহুত সময়ত অসুবিধাৰ সন্মুখীন হৈছে। গতিকে বাহিৰলৈ বাহ যোৱা মন্ত্ৰী মহোদয়ে বন্ধ কৰিবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :— আমাৰ অসমৰ বনাঞ্চলৰ পৰা বাহ যোৱা নাই, সেইবিলাক ঘৰুৱা বাহ, হোম গ্ৰোন (Home grown)

শ্ৰীচামচুল হুদা :— মন্ত্ৰী মহোদয়ে জনাবনে যে অশোক কাগজ কলৰ নামত 'ৰ' মেটেৰিয়েলচ সংগ্ৰহ কৰি তাৰ একাংশ নি বাহিৰত এটা কাগজ কল চলাই আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :— সেই খবৰ আমাৰ হাতত নাই।

Mr. Deputy Speaker :— The Question hour is over : Now, short Notice Question.

Undisposed Starred Questions dated 27-3-79

## RE : NUMBER OF UNEMPLOYED PERSONS ACCORDING TO THE LIVE REGISTER OF EMPLOYMENT EXCHANGE, BANGAIGAON

Shri Mathura Mohan Sinha asked :

*358. Will the Minister, Labour be pleased to state—

(a) The total number of unemployed persons in different categories in the live Register of Employment Exange, Bangaigaon till December, 1978 ?

(b) During the last 3 years, how many persons have Registered their names in the said Employment Exchange after being transferred from elswhere ?

(c) The name of the Employment Exchanges from

which the names of these persons have been transferred ?

(d) What are the generals norms of Registration and transfer ?

Shri Jagannath Sinha (Minister, Labour) replied :

358. (a) — The total number of unemployed persons in different categories in the Live Register of Employment Exchange, Bangaigaon upto 31st December, 1978 are as follows :—

| | | |
|---|---|---|
| 1. | Below middle school standerd (including illeterate) — | 3215 |
| 2. | Middle school standerd — | 3465 |
| 3. | Matriculates — | 1588 |
| 4. | HSSLC/PU/I.A. etc— | 417 |
| | Graduate — | 343 |
| | Total | 9026 |

(b) — During last 3 years, 247 persons got their names Registered in the Employment Exange, Bongaigaon after being transferred from other Employment Exchage.

(c) — The name of the Employment Exchanges from which the name of the persons have been transferred are as follows :—

| | | | |
|---|---|---|---|
| 1. | Gauhati | — | 43 |
| 2. | Nalbari | — | 41 |
| 3. | Barpeta | -- | 65 |
| 4. | Kokrajhar | — | 33 |
| 5. | Dhubri | — | 36 |
| 6. | Goalpara | — | 20 |
| 7. | Shillong | — | 1 |
| 8. | Namrup | — | 5 |
| 9. | Nazira | — | 2 |
| 10. | Sibsagar | — | 5 |
| 11. | Dibrugah | — | 4 |
| 12 | Jorhat | — | 4 |
| 13. | Nowgong | — | 4 |
| 14. | Tezpur | — | 2 |
| 15. | Karimganj | — | 4 |
| 16 | Silchar | — | 3 |
| 17 | Mangaldoi | — | 2 |

(d) — (i) Applicants whose permanent address fall within the State of Assam and normally reside within the Exange area are registered on that Employment Exchange.

(ii) Transfer of Registration is permissible when an applicant requests for such transfer due to his change of normar residence.

RE.: PENDING GRIEVANCES OF THE WORKERS DIKHARI TEA ESTATE.

Shri Joy Chandra Nagbanshi asked :

*359. Will the Minister, Labour be pleased to state :—

(a) Whether the Government is aware of the fact that some long pending grievances of the labour of Dikhari Tea Estates ( Dibrugarh ) have not yet been redressed by the company ?

(b) Whether the Government has taken any step to redress the grievances.

(c) If so, the grievances on which the Government has taken steps ?

(d) Which are the grivances on which action has yet to be taken ?

Shri Jagannath Sinha (Minister, Labour) replied :

359. (a)— Yes, There are some pending grievances of the workers of Dikhari Tea Estate.

(b)— Yes, Conciliation proceeding were held and an agreement was arrived at Representatives of the

Management of Dikhari Tea Estate and of the workers represented by the Assam Chah Sramik Sangha, Moran Branch, signed the agreement on 24th Januarb 1979 ;

(e) — conciliation proceedings were held for all the grievances;

(d) — The grievances in respeet of payment of Bonus for 1974-75 and 76 maintenance of stall and payment of Wages for the period of suspension of some workers are to be disposed bilaterally as per term of the agreement, dated 24th January 1979 ;

বিষয় : মুগা

শ্ৰীযোগেন গগৈয়ে সুধিছে :

*৩৬। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসম ৰাজ্যখনৰ ভিতৰত বহু অঞ্চলত বৰ বাদুলীয়ে চোমনিৰ মুগা খাই ধ্বংস কৰা আৰু বাৰীৰ তামোল আৰু অন্যান্য শস্যৰ গুটি খাই ধ্বংস কৰাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে চুমনীয়া সকলৰ জীৱিকাৰ বাটত বাধা নপৰা আৰু শস্য ৰক্ষাৰ বাবে নিৰাপত্তামূলক ব্যৱস্থা হাতত লবনে ?

(গ) প্ৰধানত: উজনি অসমত মূগা পোহা বিষয়টো দুখীয়া পৰিয়াল সমূহৰ বাবে বৰ উৎসাহজনক কথা আৰু পৰিয়ালটোৰ বাবে বছৰটোৰ ভিতৰত অন্ততঃ ৬।৯ মাহ প্যৰ্যন্ত জীৱিকাৰ সুযোগ ঘটোৱা—এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি গুৰুত্ব সহকাৰে বিবেচনা কৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং ( ৰেচম আৰু বয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে :

৩৬০। (ক)— হয়,জানে।

(খ)—এতিয়ালৈকে চৰকাৰৰ হাতত তেনে কোনো ব্যৱস্থা নাই।

(গ)—হয়, গুৰুত্ব সৰকাৰে বিবেচনা কৰি চোৱা হব।

## RE: DECLARATION OF 1979 AS STATE OFFCIAL LANGUAGE YEAR

Shri Phani Medhi
Shri Mukut Sarma } asked

*361. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the year 1979 has been declared as the State Official Language year?

(b) If so, what effective steps have been taken by the Government to make the declaration meaningful?

(c) Whether it is a fact that most of the top

officials do not write anything in Assamese in the files ?

(d) If so, whether such officers will be screened out for appropriate action ?

Shri Golap Borbora ( Chief Minister ) replied :

361: (a)— Yes,

(b) For the effective implementation of Official Language, the necessary steps have already been taken to elevate the present official language cell into a Directorate with necessary number of officers and personnel.

(c)—Though not fully used, Assamese is partially used in the Secretariat level as well as in the Offices of the Heads of Departments.

Steps have already been taken for imparting training to the employee of the Government who have no knowledge of Assmese.

(d)—Does not arise in view of the reply in (c) above.

## Re : KAMANDANGA PUBLIC HEALTH SUB-CENTRE

Shri Mathias Tudu asked :

* 362. Will the Minister of State Health be pleased to state—

(a) Whether Government propose to convert the Kamandanga Public Health Sub-Centre into a fullfledged State Dispensary ?

(b) If so, when the work will start ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

362. ( a )– No,

( b )—Does not arise.

## Re: UNDER-TRIAL PRISONERS IN DIFFERENT JAILS OF ASSAM

Shri Ajoy Kumar Dutta asked :

* 363. Will the Minister, Jail be pleased to state—

(a) The total number of undertrial prisoners in differrent Jails in Assam as on 1st February 1979 ?

(b) Whether it is a fact that some of the under-trial prisoners have been kept inside Jails for more than

five years, though there are no serious charges against them ?

Shri Dulal Chandra Barua ( Minister, Jail ) replied:

363. ( a )—3,467.

(b)— No.

বিষয় ঃ মদ নিবাৰণী আইন

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে ঃ

*৩৬৪। মাননীয় আবকাৰী বিভাগৰ বাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মদ নিবাৰণী আইনৰ জৰিয়তে কিমান জনক মদ খোৱাৰ পৰা বিৰত কৰা হৈছে ?

(খ) ইয়াৰ পৰা বছৰি চৰকাৰৰ কিমান আয় হয় ?

(গ) এই আঁচনি কাৰ্য্যকৰী হবনে ?

ডঃ কোষেশ্বৰ বৰা (আৱকাৰী বিভাগৰ বাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৬৪। (ক)—মদ নিবাৰণী আইনৰ দ্বাৰা মদ খাবলৈ এৰা লোকৰ সংখ্যা উলিওৱা হোৱা নাই। আচল সংখ্যা উলিওয়া সম্ভৱ নহয়, যি হেতুকে

এই আইন বলবত হোৱাৰ আগত কিমানে মদ খাইছিল সেই সংখ্যা নিৰ্দ্ধাৰণ কৰা হোৱা নাছিল।

(খ)- আয় হোৱা নাই। বৰঞ্চ ৰাজহৰ ক্ষতিহে হৈছে।

(গ)—চৰকাৰৰ বিশ্বাস ৰাইজৰ সহযোগ হলে এই আঁচনি কাৰ্য্যকৰী কৰা টান নহব।

## Re : MEDICAL SUB—CENTER ESTABLISHED AT GARDARASHI

Shri Nishith Ranjan Das asked :

* 365. Will the Minister of State, Health be pleased to state --

(a) Whether it is a fact that a Medical sub—centre was established the at headquarter of North Karimganj Development Block in the year 1972 and since then the centere was managed by the Health Department ?

( b ) If so, whether the center is now in existence and whether there is any staff working there at present ?

( c ) If so, the particulars of the staff categoriwise may be furnished ?

( d ) Whether the Government has any proposal to close the centre ?

( e ) Is so, what alternative arrangements will be made to extend the Medical facilities to the people of the locality ?

Dr. Kosheswar Bora (Minister of State, Health ) replied :

365. ( a )— Yes.

( b )—Yes.

( c )—3 AMMS are working under supervision of sub-divisional Medical and Health Officer, Karimganj

( d )—Yes, after construction of Primary Health centre at Girishganj

(e)— Yes, the proposed P. H. C. at Girishganj which will be about I K. M. from Head Quarter Gardarshi will cover the needs of the Area.

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date : 27th March, 1979

বিষয় ঃ বকতা মৌজাত পশুপখীৰ সংক্ৰামক ৰোগ

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

৩। মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ মহকুমাৰ ৰকতা মৌজাত বৰ্তমান পশুপখীৰ সংক্ৰামক ৰোগে বহুতো গৰু, মহ, হাঁহ, কুকুৰা আদি মৰাটো সচানে ?

(খ) এই কথাও সচানে যে সেই সংক্ৰামক ৰোগত আক্ৰান্ত অঞ্চলত চিকিৎসা লবলৈ বৰ্ত্তমান স্থানীয়ভাবে এজনো চিকিৎসক অথবা veterinary Field Assistant নাই ?

(গ) এই আক্ৰান্ত অঞ্চলত বিভাগীয় কৰ্ত্তৃপক্ষই সংক্ৰামক ৰোগৰ প্ৰতিষেধক ব্যৱস্থা ইতিমধ্যে লৈছে নেকি ?

(ঘ) ৰকতা মৌজাৰ সোনাপুৰ পথলিয়াল, কৈৱৰ্ত্ত, সন্দিকৈ গাঁৱত সংক্ৰামক ৰোগে বেচিকৈ জীৱজন্তুৰ মৃত্যুৰ হাৰ বঢ়োৱাটো সচানে ?

(ঙ) এই কথাও সচাঁনে যে বিভাগীয় কৰ্ত্তৃপক্ষই প্ৰতিষেধক টিকা দিয়াৰ পাচতো জীৱজন্তুৰ মৃত্যু ঘটিয়েই আছে ?

শ্ৰীসমৰ ব্ৰহ্মা চৌধুৰী (পশু চিকিৎসা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :
৩। (ক)—বহুতো গৰু, মহ, হাঁহ, কুকুৰা মৰা সচাঁ নহয়।

(খ)—সচাঁ নহয়।

(গ)—হয়, লোৱা হৈছে।

(ঘ)—সচাঁ নহয়।

(ঙ)— সচাঁ নহয়।

শ্ৰীযোগেন গগৈ :—উপাধ্যক্ষ মহোদয়, মই তিনিটা পৰিপূৰক প্ৰশ্ন

দাঙি ধৰিছেঁ। মই জানো, মোৰ তাঙেই ঘৰ। সোনাপুৰ গাৱঁ; কৈৱৰ্ত্ত কুকুৰাছোৱা আৰু সন্দিকৈ গাঁৱত সংক্ৰামক ৰোগত গৰু মৰিছে; মহো মৰিছে। এতিয়া উত্তৰ দানত মন্ত্ৰী মহোদয়ে আন ভাৱে কথাটো কৈছে। ইয়াৰ ফলাফলটো মন্ত্ৰী মহোদয়ে সদনত জনাবনে? মন্ত্ৰীৰ উক্তি সম্পূৰ্ণ অসত্য। গতিকে মই এই অসত্যৰ প্ৰত্যাহবান জনাইছো মন্ত্ৰীয়ে খবৰ লবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী—(মন্ত্ৰী)-উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই এই বিষয়ে যোৱা তিনি মাৰ্চত স্থানীয় চিকিৎসকৰ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু ইয়াৰ পিচতেই তত্‌কালীন ভাৱে ব্যৱস্থা লোৱা হৈছে। কিছু গৰু আৰু মহ মৰিছে সচাঁ, কিন্তু ব্যাপক ধৰণেৰে মৰা নাই, সেইটোহে সচাঁ নহয় বুলি মই কৈছোঁ।

শ্ৰীযোগেন গগৈ :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে, সেইটো আমি ভাল পাইছোঁ। মই জানিব বিচাৰিছোঁ যে বকতা আৰু থাওৰাত হাঁহ—কুকুৰা গৰু মহ মৰিছে, এইবোৰ সংক্ৰামক ভাৱে ৰাইজৰ মাজলৈ বিয়পি নাযাবনে? গতিকে উক্ত দুয়োটা মৌজাত প্ৰতিষেধক টিকা দিয়াৰ দৰকাৰ বুলি বিবেচনা কৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— খবৰ ইতিমধ্যে লোৱা হৈছে, মাননীয় সদস্যই যেতিয়া আমালৈ খবৰ দিছে তেতিয়া স্থানীয় চিকিৎসক সকলক জনোৱা হৈছে আৰু সেই সময়ত বকতা মৌজাত—পেটুৱা মৌজাত ২ টা আৰু ভেকুলীয়া ৰোগত ১১ টা গৰু—মহ মৰিছে, এই খবৰ পোৱাৰ লগে লগে প্ৰতিষেধক টিকা দিয়া হৈছে। ইয়াৰ পিচত আৰু গৰু মৰাৰ খবৰ আমি পোৱা নাই। ইয়াৰ পিচত তেখেতে দিমৌৰ কথা সুধিছে—তাত দুশটা কুকুৰ মৰিছে, এই খবৰ পোৱাৰ লগে লগেই প্ৰতিষেধক

টিকা দিয়া হৈছে। তাৰ পিচত ৰাণীশেধ ৰোগত কোনো কুকুৰা মৰা বুলি আমি খবৰ পোৱা নাই।

শ্ৰীযোগেন গগৈ :—উপাধ্যক্ষ মহোদয়, গাৱঁৰ যিবোৰ দুখীয়া মানুহৰ গৰু মহ মৰাত পৰিয়াল বিধস্ত হৈছে তেওঁলোকক চৰকাৰৰ ফালৰ পৰা কেটোল ঋণ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী—(মন্ত্ৰী) এইটো চিকিৎসা বিভাগে নিদিয়ে ৰাজহ বিভাগে যদি দিয়ে আমাৰ কবলৈ একো নাই।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 27 th March, 1979

(To Which answers were laid on the Table)

বি: কালীগঞ্জ বাজার থেকে করিমগঞ্জ মহকুমা পরিষদের আয়

শ্রীরমেন্দ্র দে জিজ্ঞাসা করিয়াছেন :

৩০· মাননীয় পঞ্চায়েত বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি—

(ক) করিমগঞ্জ মহকুমা পরিষদের এলাকাধীন কালীগঞ্জ বাজার থেকে মহকুমা পরিষদের আয় কত?

(খ) কালীগঞ্জ বাজার উন্নয়নে ১৯৭৪ ইং থেকে ১৯৭৮ ইং পর্য্যন্ত কত টাকা মঞ্জুর করেছিলেন এবং কি কি কাজ করেছেন?

শ্ৰীজহিৰুল ইছলাম ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী )ৰ উত্তৰ দিছে :

৩০। (ক)—মহকুমা পৰিষদৰ বাৰ্ষিক আয় গড় হিচাবে প্ৰায় ১০,১৯৫.৭৫ পয়চা।

( মহকুমা পরিষদের বার্ষিক আয় গড় পড়তা প্রায় ১০,১৯৫.৭৫ পয়সা )

( খ )—কালীগঞ্জ বাজাৰ উন্নয়নৰ কাৰণে কেৱল ১৯৭৬-৭৭ চনত ৬৬৭৫.৮০ পয়চা মঞ্জুৰ কৰা হৈছিল। এই টকাৰে সেই বছৰতেই বজাৰৰ মাটি ভৰ্ত্তি কৰা, মাটি সমান কৰা আৰু বজাৰৰ বেৰা সজা আদি কাম কৰা হৈছিল।

( কালীগঞ্জ বাজার উন্নয়নের জন্যে ১৯৭৬-৭৭ বর্ষে কেবল ৬৬৭৫.৮০ পয়সা মঞ্জুর করা হয়েছিল। এই টাকা দিয়ে সেই বৎসরে বাজারের মাটি ভর্ত্তিকরণ জমে যাওয়া মাটির স্তুপ সমান করণ এবং বাজারের বেড়া নির্ম্মাণ আদি কাজ করা হয়েছিল। )

## RE : AGRICULTURAL INCOME TAX

Shri M. Ibrahin Ali asked :—

31. Will the Minister, Finance be pleased to state—

a) The total number of persons and farms paying Agricultural Income Tax in Assam ?

b) Whether it is a fact that the total amount of revenue derived from the above source is much less than that

of other States of India ?

c) If so, what steps have been taken to augment the amount of revenue from Agrieultural Income Tax in Assam ?

Shir Keshab Chandra Gogoi (Minister, Finance) replied :—

31. (a)—896.

b)— Not known.

c)— Does not arise.

RE : PUBLIC HEALTH CENTRE OF BEDETI

Shri Bishnulal Upadhyaya asked :—

32. Will the Minister of State, Health be pleased to state—

a) Whether the building of the Public Health Centre at Bedeti has been taken over by Government. ?

b) Whether all the construction works in the said centre has been completed ?

c) Whether any provision has been made for chowkidar's shed in the compound ?

d) If not, why ?

c) When the staff will be posted for proper functioning of the centre ?

Dr: Kosheswar Bora (Minister of State, Health) replied :—

32. (a)— A sub-centre has been constructed at Bedeti by Chief public Health Engineer, Assam and the building taken over by the Health Department.

b)— Yes.

c)— Yes.

d)—Does not arise.

e)—Staff has already been posted.

Mr. Deputy Speaker :— Now, next item- voting on demands for grants. Shri Dewan Jainal Abedin is to resume his speech.

Shri Dewan Jainal Abedin :— Sir, resuming my speech on the Cut motion of Indutries, I would like to make certain observations. Sir, as you know, Assam is a rich State with enormous reserve of natural resources and potentialities for industrial development but in habited

by the poorest people. This is mainly because of the fact that natural resources for industrial development have not been properly harnessed. Now, Sir, in an industrially backward State like Assam where the Private Sector is shy to invest money, and is not coming forward to play a vigorous role for the industrial development of the State, it is mainly the responsibility of the public sector, i.e. the Govt. to see that the potentialitie for the industrial development of the State are properly exploited to the extent of saturation. Sir, it is deplorable that when the private individual capitalist have miserably failed to ensure the industrial development of the State, the public sector, i. e. the Govt. have failed more miserably in the matter of industrialisation of the State. Sir, we have seen in other States when the private sector industries go sick, it is the Govt. the public sector, which comes forward to save those sick industries. They take over the management of sick industries and save theme from moribund conditions. But, Sir, in Assam the reverse is happening and when the industries in private sector are going sick, the public sector, i.e., the Govt. is not coming forward to save them. Several instances are here in our State where the private sector industries are not

running properly. But Sir, it is surprising to see that the Govt. is not coming forward to help them. Sir, I need not cite more instances except the conditions of the Cycle Factory, i.e.. the Everest Cycle Factory and the Assam Glass Factory which is also known to you; Sir, as you are aware, on several occasions, some Hon'ble Members of this House have mentioned this fact in this August House. Sir, the Everest Cycle Factory and the Assam glass Factory are some of the glaring instances where the Govt., the public sector, has failed miserably. Then, Sir, I would like to mention that the S. I. D. C. and A. S. I. D. C. are other organisations of the Govt., which were built up with the objective for boosting up the industrial development of the State. But, Sir, they have failed miserably to play their destred roles. Even these industries which are running some how or other have not been able to utilise their full installed capacity. The Ashok Paper Mills, the Cachar Sugar Mills and Paper Mill, the Namrup Fertilizers and other factores and mills under public sector which ear running somehow or other, are not producing to their full capacity. They are not producing what they can produce, Sir, this is sheer wastage of public mony. This is a mockery in the name of industrialisation of the State, Sir, while a backward State like Assam where economy

is almost at a collapsing state, if this economy is to be boosted up it can be done only through rapid and large scale expansion of industrialisation and through mordernisation of agriculture. Sir, this Govt. During its tenure of the last one year has done almost nothing in this regard for expanding its procass of industrialisation and for modernisation of agriculture as it has already been said that no new industrial policy have been taken up by this Government. Sir, without going in for large scale and rapid industrialisation of the State, there is no other means. For improving the economic conditions of the State and for increasing the producing capacity of the people of Assam and for improving the overall employment situation in the State this Government is pledged bound to the people to solve the unemployment problem within 10 years. But, sir if the Government cannot go for rapid and wide industrialisation with the shortest possible period, this Govt. can never fulfil its peldge of giving employment to the people. Because emploment cannot be provided without industrialisation and the Government is afraid of expending industrie mainly becuse of the fear of individual capitalists, monopoly capitalists who are capturing the market. Sir, it is a known fact that India is a poor market. Under the capitalists system of producation, the people are living

below the poverty line and so they are not having a good purchasing capacity so that they can provied a good profitabie market for the Indian capitalists. Therefore, sir, these industralists are not in favour of expanding industry because they will not get more profit. Sir, in such a conditon, the Government should come up for industrialisation of the State and the Country to give more purchasing capacity to the people, to give employment to the saturation point. They should go on industralising and industralising till the last man is employed, till the production capacity is exploited to the fullesh point and perchasing capacity is Sir, if this can be done, then agriculture can also be modrnised and side by side developing, exploiting the industrial resources and industeils based upon the agricultural raw materials may be expanded well, if agriculture can be modernised, sir. When this can be done. well, the economy of Assam can be given a boosting. Otherwise, it will die out. It is sure to die out inspite of all the attempts taken by the Govt. Ruins industrialisation, Sir, we are disappointed to see that here the Govt. is not doing anything to harness this industrial potentalities. Assam is principally till to-day an agricultural State. Whatever agricultural product is productes, on these products many industries can be developed. Sir, Juit is a principal foreign

exchange earning agricultural product of Assam. But Assam is not going for building up any industry on this product. There is no Jute industry excepting that one at Silghat, Plan for establishing a jute industry at Dolgaon has been abandoned. At pancharatna quite some time back lands were acquind for construction of a jute mill. While Goalpara is one of the major districts that produce finest quality of jute, but no body knows why that scheme was abandoned. The land is still there in pancharatna but nobody knows why the scheme was abandoned and nobody knows whether it will be ever taken up. Now, sir I can city many instances of Govt's negligence in the field of developing industries in the State. Sir, it has been raised that the Govt. is trying to revitahire cottage and small scale industries. Sir, it would have been a good idea to rejovinate this cottage and small scale industries. But, sir we must be very practical. Where the market is controlled by the capitalist competetion, products of cottage industries carried out on an old model will not be able to stand up the competesion of capitalist market. Therefore, sir, I would like to stress that so long as the market is in the hands of the capitalists, endeavour should be there to see that only modernised Industries come up within the State. Even the cottage industries are to be modernised and the traditional method, are

to be given up, otherwise they will not be able to stand the competetion. Sir, finally, before concluding I would like to suggest that if the Govt. is at all sincere to do something in this field they must exploit all available resources for industrialisation on the two heads of industry the total amount of grant comes to Rs. 4.74 crores. only. sir, this shows Government's negligence for the sector. Though 1 am moving a cut motion, I would like to suggest that the grant under this head should have been increased manyfolds. This is highly insufficient.

( Interruption )

Mr. Deputy Speaker :— Sorry, Sorry, you have alread covered 20 minutes and it will not be possible on my part to allow you further even for a moment.

Shri Jaynal Abedin :— I am concluding, Sir. If they are (the Govt.) are sincere in boosting up economy they must go for rapid and widespread industrialisation. with this, I conclude Sir.

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় উপাধ্যক্ষ, অসমীয়াত এটা কথা আছে' আছে গৰু নাবায় হাল হোৱাতকৈ নোহোৱাই ভাল । গতিকে আমাৰ উদ্যোগ-বিভাগতোও আজি ঠিক তেনেই হৈছে । আমাৰ এটা উদ্যোগ বিভাগ আছে । মন্ত্ৰী আছে । উদ্যোগ সঞ্চালক আছে । ষূটীয়া সঞ্চালক আছে আৰু অন্যান্য বিষয়াসকল আছে কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ ইয়াত উদ্যোগ

নাই। উপাধ্যক্ষ মহোদয়, এইটো অৱশ্যে আমি সকলোৱে স্বীকাৰ কৰিবই লাগিব যে এই বছৰৰ ভিতৰত জনতা চৰকাৰে অসমত উদ্যোগ গঢ়ি তুলিব নোৱাৰিলে। যোৱাকালি মাননীয় সদস্য শ্ৰীনগেন বৰুৱাৰ প্ৰশ্নৰ উত্তৰত আমাৰ মন্ত্ৰী মহোদয়ে উত্তৰত কৈছিল যে অসমত এটা উদ্যোগ নীতি গ্ৰহণ কৰা নাই। এই উক্তি অসমৰ ৰাইজ তথা সদনৰ কাৰণে এটা হতাশা-জনক হৈছে কিয়নো আজি নীতি নোহোৱাকৈ এটা বিভাগ চলি আছে। কিন্তু এই বছৰটোৰ ভিতৰত কি ভাৱে উদ্যোগ গঢ়ি তোলা হব সেই বিষয়ে কোনো নীতি চৰকাৰে গ্ৰহণ কৰিব পৰা নাই। এটা চৰকাৰৰ সময় হৈছে মাত্ৰ পাচ বছৰ। তাৰ ভিতৰত এটা বছৰ পাৰ হৈ গল এতিয়াও যদি উদ্যোগৰ ক্ষেত্ৰত নীতিয়েই গ্ৰহণ কৰিব পৰা নাই তেনেহলে অসমত উদ্যোগ কি ভাৱে গঢ়ি তুলিব পাৰিব সেইটো কলোৰে বিচাৰ্য্যৰ বিষয় হৈছে।

উপাধ্যক্ষ মহোদয়, উদ্যোগৰ উন্নতি হওক চাৰি অসমত যিকেইটা উদ্যোগ আছিল সেই কেইটাও বন্ধ হৈ আছে। গিলাচ ফেক্টৰি আপোনা-লোকে জানে, বন্ধ হৈ আছে, এভাৰেষ্ট চাইকেল কোম্পানী বন্ধ হৈ আছে। দলগাওঁৰ মৰাপাটৰ কল, বৰপেটাৰ মৰাপাটৰ কল আজিও হৈ নুঠিল। অলপতে কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী শ্ৰীজৰ্জ ফাৰ্ণণ্ডেজে অসমৰ এম-পি সকলৰ লগত আলোচনা কালত এই সম্পৰ্কে মন্তব্য কৰিছিল। অৱশ্যে এটা কথা ঠিক যে যদিও উদ্যোগ মন্ত্ৰীয়ে স্পষ্টীকৰণ আনি কৈছে স্পষ্টীকৰণৰ ভিতৰত দেখা যায় যে হতাশাৰ হে ছবি পৰিস্ফুট হৈ উঠিছে।

উপাধ্যক্ষ মহোদয়, মই কেইটামান কথা দাঙি ধৰিব খুজিছো। আমাৰ উদ্যোগ এ-আই-ডি-চি আৰু এ-এচ-আই-ডি-চি আছে। এ-আই-ডি-চিক পোন্ধৰটা উদ্যোগ গঢ়ি তুলিবৰ কাৰণে লাইচেন্স দিয়া হৈছিল যোৱা বছৰতেই। এই উদ্যোগৰ কাৰণে এশ পোন্ধৰ লাখ টকা দিয়া হৈছে কিন্তু তাৰ ভিতৰত এ-আই-ডি-চিয়ে এটা পইচাও খৰচ কৰিব নোৱাৰিলে। মাত্ৰ ছয় লাখ টকা খৰচ

কৰিছে । বাকী টকা কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিছে । উপাধ্যক্ষ মহোদয়, এই এ-আই-ডি-চিয়ে প্লেনিং কমিশ্যনৰ ওচৰলৈ দহ কোটি টকাৰ আচনি লৈ গৈছিল । কিন্তু প্লেনিং কমিশ্যনে দহ কোটি টকাৰ আচনি ৰিজেক্ট কৰি এক কোটি টকাৰ হে অনুদান দিছে । অসমৰ উদ্যোগ বিভাগক টকা দি কি লাভ আছে । সেই কাৰণে দহ কোটি টকাৰ ঠাইত মাত্ৰ এক কোটি টকা হে দি পঠিয়াইছে । মই কেইটামান উদ্যোগৰ কথা কব খুজিছো । জুটমিলৰ কাৰণে দহ লাখ টকা দিছিল, ক্ৰেফট্ পেপাৰ মিলৰ কাৰণে দহ লাখ টকা দিছিল, প্লাষ্টিক ইণ্ডাষ্ট্ৰিৰ কাৰণে পাচ লাখ, বঙ্গাইগাওঁ শোধানাগাৰৰ বাই প্ৰডাক্টৰ পৰা হব লগীয়া ইণ্ডাষ্ট্ৰিৰ কাৰণে পাচ লাখ, থাইলেক্ট এণ্ড হাইডেক্ট দহ লাখ টকা । ভাৰতবৰ্ষৰ ভিতৰতে এ-আই ডি-চিক মাত্ৰ দিয়া হৈছিল । লীডাৰ ইণ্ডাষ্ট্ৰিৰ কাৰণে পাচ লাখ টকা, কাৰবন বুকৰ কাৰণে পোন্ধৰ লাখ টকা, টেক্সটাইল আদিৰ পোন্ধৰ লাখ । এনেকৈ টকা দিয়া হৈছিল আৰু লাইচেন্স বিলাকৰ ভেলিডিটি আদি দুবছৰৰ । কিন্তু দুবছৰ পাৰ হৈ গল এতিয়াও বোধহয় এই বছৰৰ কাৰণে পাইছে । ইমান টকা দিয়াৰ পিচত উদ্যোগ গঢ়ি উঠিব নোৱাৰে যদি এইটো বৰ পৰিতাপৰ কথা । দহ কোটি টকাৰ ঠাইত কাটি এক কোটি টকা দিছে । অসমত উদ্যোগ গঢ়ি উঠাৰ কাৰণে এটা বাধাৰ সৃষ্টি হৈ আছে । আৰু এটা আছে প্ৰতিষ্ঠান । সেইটো হল পি-আই-বি । পাবলিক ইনভেষ্টমেণ্ট বোৰ্ড । কিন্তু ইয়াৰ নাম সলনি কৰি প্ৰথমে ইণ্ডাষ্ট্ৰি বন্ধ বুলি হে জনা যায় । ইয়াত পাচ জন লোক আছে । পাচোজন আই-এ-এচ বিষয়া । চেয়াৰম্যান হ'ল মুখ্যসচিব, প্লেনিং কমিচনাৰ মেম্বাৰ, ফিনান্‌চিয়েল কমিশ্যনাৰ মেম্বাৰ, ইণ্ডাষ্ট্ৰি চেক্ৰেটাৰী মেম্বাৰ, আৰু এজন মেম্বাৰ আছে । এই পাচোজনেই হৈছে আই-এ-এচ বিষয়া ।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজ্ঞান গগৈৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে টেকনিকেল মেম্বাৰ দিয়া হব । কিন্তু পাচ জনেই আই-এ-এচ বিষয়া । টেকনিকেল মানুহ কোনো নাই । আমি দেখিবলৈ

পাইছো যে এই আই-এ-এচ বিষয়া সকল কবিৰাজী হৰিতকীৰ নিচিনা হৈছে। হৰীতকী এনেকুৱা এবিধ ঔষধ যাক যি কোনো বেমাৰতে ব্যৱহাৰ কৰিব পাৰি। আই-এ-এচ হলেই টেকনিকেল, তেওঁলোকেই এডমিনিষ্ট্ৰেটিভ সকলো কথাতে আছে। সেই কাৰণেই পি-আই-বিয়ে উচ্চ শক্তিৰ ইণ্ডাষ্ট্ৰি গঢ়ি তোলাত বাধাৰ সৃষ্টি কৰি আহিছে। আমি জানো যে ঢিং এলেকাত ক্ৰেফেট্ পেপাৰ মিল লোৱা হৈছে কিন্তু তাতো উদ্যোগ গঢ়ি উঠিব নোৱাৰিলে পি-আই-বিৰ কাৰণে।

(ভইচ : পাচ লাখ ঘূৰাই দিছে)

সেই কাৰণে মই এই পি-আই-বি খন নতুনকৈ সংগঠন কৰিবলৈ কওঁ নহলে উঠাই দিয়ক। উপাধ্যক্ষ মহোদয়, এ-আই-ডি-চিয়ে কোটি কোটি টকা খৰচ কৰিছে অসমত উদ্যোগ গঢ়ি তুলিবৰ কাৰণে কিন্তু সেই এ-আই-ডি-চিৰ যিজনে মেনেজিং ডিৰেক্টৰ কাম চেয়াৰম্যান তেওঁক সঘনে বদলি কৰি থকা হৈছে। তেখেত প্ৰফেশ্যনেল মানুহ নহয়, টেকনিকেল নহয়, আই-এ-এচ বিষয়া, চৰকাৰৰ পৰা মনোনীত কৰা হৈছে। তাত আৰাম নাই কাৰণেই লগে লগেই ঘূৰি আহিবলৈ চেষ্টা কৰে আৰু বিভাগলৈ আহি ইয়াত আৰাম কৰে। অন্ততঃ কমপক্ষেও পাচ বছৰৰ একোটা টাৰ্মৰ কাৰণে এজন মেনেজিং ডিৰেক্টৰ কাম চেয়াৰম্যান হব লাগে। এই সম্পৰ্কে ইণ্ডাষ্ট্ৰিয়েল ডেভেলাপ-মেন্ট বেংকৰ পৰা কৰা পৰিদৰ্শনত তেওঁলোকে যি ৰিকমেণ্ডেশ্যান দিছিল সেইটো মই পঢ়ি শুনাইছো। The Corporation Board may include some professional and it may follow a system of rotational retirement of managing director after five years.

বৰ্ডৰ মেনেজিং ডিৰেক্টৰ জন সৰ্ব্বক্ষণ হব পাৰে কিন্তু সেইবুলি ৫ বছৰৰ বেচি হব নালাগে। এইখিনি নীতি নিয়মানুযায়ী মানি লোৱা হোৱা

নাই। গতিকে মন্ত্ৰী মহোদয়ে সেই দিশটোৰ প্ৰতি চকু ৰাখিবলৈ অনুৰোধ জনোৱা হ'ল। অসমৰ মানুহক উদ্যোগত কাম কৰা কাৰণে প্ৰশিক্ষণ দিয়াৰ কাৰণে যথেষ্ট ধন দিয়া হৈছে। আজি অসমৰ মানুহে তাত কাম নাপায়। কাৰণ প্ৰশিক্ষণ প্ৰাপ্ত নহয় বোলে। যোৱা বছৰ ধনৰ ৫ লাখ টকা দিয়া হৈছে। আজি ২৭ মাৰ্চ্চ আৰু ৪ টা দিন বাকী আছে মাৰ্চ্চ শেষ হবলৈ। ইয়াৰ ১ পইচাও খৰচ হোৱা নাই এই সংক্ৰান্তত। ফলত চেন্ট্ৰেল গভৰ্ণমেন্টক ৫ লাখ টকা ঘুৰাই দিব লাগিব। এইটো কম দুৰ্ভাগ্যজনক কথা। আমাৰ অসমৰ যুৱকে আই, টি, আই মেট্ৰিক পাচ কৰাৰ পিচত আৰু ডিপলমা লৈ বঙাইগাওঁ যাগীৰোড ইত্যাদিত ফ্ৰিতাৰ আৰু আন ধৰণৰ চাকৰি বা লোৱাৰ কাৰণে যিখিনি প্ৰশিক্ষণৰ দৰকাৰ সেইখিনি দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই। এই বছৰ গল, গল আশাকৰো অহা বছৰত যাতে আমাৰ এই এনাৰ্জিটিক মন্ত্ৰীয়ে গুৰুত্ব সহকাৰে বিবেচনা কৰে। তেখেতে বেচি ভাগে বিদেশতে থাকে। গতিকে যিখিনি সময় অসমত থাকে সেইখিনি সময়ে যেন অসমত উদ্যোগ বিকাশৰ ক্ষেত্ৰত মনোযোগ দিয়ে। তাৰ পিচত অসমত জিলা ভিত্তিত ৫ টা জিলা উদ্যোগৰ ব্যৱস্থা কৰিছে, কিন্তু আমি দেখিবলৈ পাইছো কেন্দ্ৰীয় চৰকাৰে উদ্যোগৰ ক্ষেত্ৰত অসমৰ বিষয়ে হতাশ ভাব প্ৰকাশ কৰিছে। ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউট বিলাক যিমান খৰ খেদাকৈ কৰা হৈছে সেই হিচাবে কোনো জিলাতে উদ্যোগ গঢ়ি উঠা নাই। আমি দেখিবলৈ পাইছো নগাৱত যি নিয়োগ হৈছে তাত যথেষ্ট খেলি মেলি হৈছে। তাত মেনেজিং ডিৰেক্টৰ, ফাংচনেল মেনেজাৰ আছে। ইণ্ডাষ্ট্ৰিয়েল উদ্যোগ বিলাকৰ যিবিলাক এক্সটেনচন অফিচাৰ আছে সেইবিলাকক এছি- ষ্টেন্টচ মেনেজাৰ হিচাবে নিয়োগ কৰাৰ কাৰণে বাৰে বাৰে কোৱা হৈছে। কিয়োনো এই অফিচাৰ সকলৰ ৰাইজৰ লগত পোনপটীয়া যোগাযোগ আছে। গতিকে উদ্যোগৰ ক্ষেত্ৰত সেই অঞ্চলত কি ধৰণৰ উদ্যোগ হব পাৰে বা কেনেধৰণৰ কেঁচা মাল পাব পাৰি ইত্যাদি বিষয়ে অভিজ্ঞতা আছে।

সেইকাৰণেই মই অনুৰোধ জনাইছো যাতে এই অফিচাৰ বিলাকক এচিষ্টেণ্ট মেনেজাৰ হিচাবে নিয়োগ কৰা হয়। আজি দেখিছো নিয়োগৰ ক্ষেত্ৰত ফানচনেল মেনেজাৰৰ চাকৰি কাৰণে ৰিটায়াৰ্দ মানুহ আনিছে। নগাৱৰ ফানচনেল মেনেজাৰৰ কাৰণে কলিকতাৰ পৰা এজন ইউনাইটেড বেংকৰ পৰা এজন ৰিটায়াৰ্দ মানুহ লৈ আনি নগাওঁত ফানচনেল মেনেজাৰ পাতিছে। আজি নিয়োগৰ ক্ষেত্ৰত আমাৰ যুৱক সকলে হাহাকাৰ কৰি ঘূৰি ফুৰিছে। তেনেক্ষেত্ৰত অসমৰ বাহিৰৰ কলিকতাৰ ইউ. বি, আই পৰা অৱসৰ প্ৰাপ্ত মানুহ নিয়োগ কৰা হৈছে। আৰু শিলচৰতো তেনেধৰণৰ হৈছে। অথচ অসমতো ইউ, বি, আইত অৱসৰ লোৱা মানুহ আছিল। কিন্তু তেওঁলোকক নিয়োগ কৰিব পৰা নাই। ইয়াত গুহতত্ব সোমাই আছে। মন্ত্ৰী ডাঙৰীয়াই কব পাৰিব। কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰীয়ে আগতে সঘনাই, সাধাৰণ নিৰ্বাচনৰ সময়ত ইয়ালৈ আহিছিল। তেখেতে মিঠা মিঠা কথাৰে কৈ গৈছিল আৰু ১৯৭৮ চনৰ ১০ চেপ্তেম্বৰৰ দিনা দিশপুৰত আহি অসমৰ উদ্যোগ গঢ়াৰ কাৰণে যিবিলাক বাধা সৃষ্টি হৈছে সেইবিলাক আতৰ কৰি কেনেকৈ উদ্যোগ গঢ়ি তুলিব পাৰি তাৰ এটা সমীক্ষা চলাবৰ কাৰণে ৰাম হাতত লোৱা হব। কিন্তু আজি এই বাৰিষা গৈ আকৌ এটা ঘূৰি বাৰিষা আহিবৰ হল। কিন্তু চৰকাৰৰ সমীক্ষা আৰু নহল। টেকনিকেল এক্সপাৰ্ট আহি কেতিয়া এই সমীক্ষা চলাব সেইটো কব নোৱাৰো। ৫ বছৰৰ মুৰতো যিটো বাৰিষা আহিব তেতিয়াও হবনে নহয় কব নোৱাৰো।

(সময়ৰ সংকেত)

চৰকাৰে উদ্যোগৰ কথা কৈছে, আজি অসমৰ উদ্যোগৰ ক্ষেত্ৰত ইনফ্ৰ ইন্ট্ৰাকচাৰৰ কাৰণে বিশেষকৈ যাতায়তৰ অসুবিধাৰ কাৰণে অসমত উদ্যোগ প্ৰতিষ্ঠা কৰাত যথেষ্ট বাধা আহি পৰিছে। কিয়নো আমাৰ যি কেচা মাল আৱশ্যক সেই কেচা মাল জাহাজ, মটৰ, বা ৰেলেৰে যি পৰিমাণৰ

আৱশ্যক সেইখিনি বাহিৰৰ পৰা আনিব নোৱাৰি। গতিকে যাতায়তৰ যদি উন্নতি কৰিব নোৱাৰো তেতিয়া হলে উদ্যোগ গঢ়ি তোলাটো সম্ভৱ নহব। উদ্যোগৰ ক্ষেত্ৰত মই কব বিচাৰিছো, কৃষি ভিত্তিত উদ্যোগ গঢ়ি তুলিব লাগিব। কেৰেলাত নাৰিকল যি উদ্যোগ গঠন কৰিছে তাত সকলো ধৰণৰ সামগ্ৰী ৰচি পৰ্য্যন্ত তৈয়াৰ কৰা হয়। সেইদৰে অসমতো যথেষ্ট নাৰিকল উত্পাদন হয় বিশেষকৈ নগাওঁ। গতিকে এটা নাৰিকলৰ উদ্যোগ গঢ়ি তুলাত অসুবিধা নহব। দ্বিতীয় কথা চিগাৰেট ফেক্টৰীৰ কথা ওলাইছে। তাত নানা ধৰণৰ অসুবিধা হৈছে। পি, আই, বি পৰামৰ্শ মতে আগবাঢ়ি যাব পাৰো। ষ্টেট ট্ৰেদিং কৰপশানৰ ডাঃ এচ, চি, ভট্টাচাৰ্য্যই এটা কথা কৈছিল যে অসমত জলকীয়া আৰু হালধী আৰু মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে আদা, এইকেইটালৈ আমি উদ্যোগ গঢ়ি আগবাঢ়ি যোৱাত সুবিধা আছে। আমি এই কেইটাৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। ধিঙৰ যিটো ক্ৰেপ পেপাৰ মিল আছে আৰু মৰাপাটৰ যি সুবিধা আছে তাৰ দ্বাৰা অসমৰ, যথেষ্টখিনি উদ্যোগ ক্ষেত্ৰত আগবাঢ়ি যাব বুলি মই আশা কৰো। অৱশ্যে এটা কথা কব বিচাৰিছো মাননীয় সদস্য সন্দিকৈ ডাঙৰীয়াই কোৱা মতে চন্দ্ৰপুৰ কেমিকেলচটো যেনেদৰে উঠি যোৱাৰ উপক্ৰম হৈছে, আৰু প্লাচ ফেক্টৰী যেনেকৈ বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে, সেইধৰণৰ যাতে উদ্যোগ নহয়। আৰু সেইকেইটাও যাতে উন্নত অৱস্থালৈ আহে তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়া থকা সময়তেই যাতে হৈ উঠে তাৰ কাৰণে অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন জনাই সামৰণি মাৰিলো।

Shri Kiron Bezbaruah :— Mr. Deputy Speaker Sir, nearly a year back we were commenting about Industries Department and as I said, it should be renamed as Permit Department. To-day after a year, I

have reasons to confirm that it should be renamed as Permit Department. Sir, I have good reasons to say if I get the opportunity. But before that this Department specially have/had two institutions known as ASIDC and AIDC through/which the Department tried to get the industries to rehabilitate or to get new industries. So far the function of the AIDC concerned it is so nice to see that before coming in to the existence of any industry here, it has to go through eight different stages. Firstly, the industries will be identified by the engineers of that organization, then the same will be putforward before the Board. They will study it and they will say o.k. to go for detail work. After that, it comes before the Board for the purpose of approval. Then it will go to the Annual Plan Scheme. After this it will go to the Planning Commission. The Planning Commission approves the plan after its discussion in the Planning Board in threadbare. Then it will discuss with the Financial Institution because the money has to brought from the Financial Institutions and these Financial Institutions have got the Expert Body on different lines. After this discussion, this will come back to the Board again. Then the people will expect that this will go for implementation. Sir, it does not go for the implementation but it goes before the Public

Investment Board. My friend Sri Sarma has already said about Public Investment Board. Sir, I am not against any I. A. S. Officer but I dout about their abilities very much not to sit down before the Public Investment Board. They come not as Expert but by virtue of their office. Sir, then whole process has been studied and verified by the Expert Bodies who are qualified to be expert not because they are I. A. S. Officers or M. L. As as we are but because of their own education, knowledge and capacity to be an expert. Then an I. A. S. Officer has got authority to go into this. I request the Industries Minister that he should immediately demolished the A. I. D. C. If he needs the Cabinet decision, it is to be done immediately and placed before the House otherwise the same story will go on here. Sir, with this process, no industry could grow in Assam. we do not have any other raw-materials except what the mother earth has given to us i.e oil and gas. But we are burning natural resources that is one of the richest to-day in the world, daily. How many cubic feet is being burnt daily, could to Industries Ministry have any knowledge. The Industries Minister should know that no new industry can be set up here in Assam unless and until it is based on oil and gas. Sir, have we been able to do anything in

this direction ? I had the occasion to read a report given by the M. P. on BRPL. The down stream industries that can come from BRPL is tremendous. Sir, we are going to produce polyster double fibre. This is not the finished products. It is the materials used for producing other things, What we are going to do ? What type of enquiry the State Government have done or the previous congress Goverment had done with this polyster fibre. This is an item which will create employment avenuse as the report says to the extent of employing 50,000 people directly and the report further says that indirect employment can be another 50,000. This is the report of the Hon'ble Members of the Parliament and they have said that this is the employment avenues for one item of polyster. But Sir, this raw-materials will go out of Assam. It may have to be closed down because there may be competition from outside. Unless and until we utilise all the down stream consumption of these raw-materials it will not be an economic unit of BRPL. It will have to be closed down after three or four years because there may be competition from other sides of the country. Sir, we should close down stream utility of the item. We should see the development in Gujrat and Maharasthra. They have developed industries long 20 years

ago because they have also the same thing of oil and natural gas. Sir, it is high time, I request the Hon'ble industries Minister to fall on this line and see that the down stream utility of polyster double fibre can be done here. Sir, I am greatly surprised that the Industries Department has not done anything. It is very strange why the Industries Department cannot catch certain things which ought to have been done and I can tell you the reasons why. It is not the officers to be blamed because they do not know many things to say. Certain things are to be done at Goveanment level and it is to be done very quickly. This Polyster Double Fibre will have an investment of Rs. 63.32 crores as the report says. But Sir, money is not the matter to-day. What is the difficulty with the State Government for not having any industry due to financial reason. This is not the reason at all. We shold not depend on Central Government for each and every industry, which we could ourselves set up. If the Industries Minister or the Under Secretary or the Director is not an expert man, he homes here by virtue of his office. But untill now they have not done anything. The Janata Party Government is following the industrial Policy of the previous Congress Government. The Congress Party has gone but their policy

is still followed by the present Government. We have not been able to implement it till to-day. It is always nice to criticise other Governments. What we find in Gujrat. They are not dependent entirely on Central Government, so is the case in Maharasthra, so is the case in Kerala, so is the case in Madras. Sir, we have to find our new industry ourselves. There is an Industrial Consultancy Board which Government could utilise and not the services of I A.S officers or M.L.As as said earlier. It is the expert bodies which will give it. You will be surprised to know that in 196) the Gujrat Government had an industrial bereau they took the advantage of the bereaugh which got the industrial policy of the whole State to-day. You will be surprise to know what a budget for the Goverment of Gujrat it is. In Haryana they have 30 crores of rupees in 3 years after the investigation was done by the expert parties. Let us not think of such investigation parties. But industrial development must be made. Let him not depend on any Industrial Development Board, as he contemplates to think. The M.L.As will not be able to him on this. Let us not go on this sterio-type but go on doing something out of the way, nothing new. Specially in India there are so many Industrial bereaus, which can help us. Another point

I want to point out to the Industries Minister, let not the opposition members think that I am criticising, I am only pointing out. Yesterday there was a meeting of Small Scale Industrial Development Board (Sub-divisional Loan Board for Small Scale Industries) of which I am also a member. I didn't attend it. In 1978-79 this Board had an investment to the non-scheduled caste and Tribes of Rs. 37 thousand in Gauhati Sub-Division for general. This is the affair going on here and we have to district officers- District Industrial officer and District Industrial Development officer. I do not know what they are kept for. I do not know why this is so. I know the Central Government has given us district industrial centres. In other States, they are going ahead. But you see the Assam Government's-development which is on record. The other day it is placed before the House and all other members have read it. In 20 lines they have stated the activities of the Industries Department. They have opened file on Industries Department and those offices have been manned by now. Secondly the Assam Tea Corporation has given bonus of 2o paise. These are the activities, Sir, I want to request the Industries Minister through you that if you want to get out of this rot, which the Congress Government has given to this State, there will be some

derailment and I think you will have the courage to do so. It will always be better if you talk on this policy. Then I went to point obout the Assam Preferential Stores Purchese Rules. How the industries can develop here. The Industrial Department is not giving any Certificate. No tax cencession, if my inforation is correct, is given here up till now. I asked the Industries Secretary, "as you know as the head of of the Industries Depatnment, under the industrial Policy of the Congress Government even certain benifit Should be given to the Industries provided the Industries Department gives certificate" but not a single certificate has been issued. Then how can we expect industries to grow here. Now I am coming to another point. The Industries Minister was himself with me. As you know the Assam Petro-chemical is there. I had my calculation. They produce a powder, which can subsequently produce this plastic thing's lights, table-pen-holders and such other things, all that. If they purchase it from Calcutta they pay only 4 per cent for this raw material, which is produced by Assam petro-chemical Industries, and if they purhcase it from Assam they pay 7 per cent commission and again when they sell it they pay another 12 per cent. If I get ready made here 1 will have to pay 19 per cent. This is a mad cap. Do

you expect any industry to grow here under such circumstances. So until and unless something is done no industry will grow here. In certain States in Inidia, tax remission has been given to such an extent that it continues for 2) years. Sales on the product is calculated and advise the Sales Tex department about the sales tax of the industries to be paid in 20 years without any Interest. There are the things, which the Department has got to do There nothing to do any discovery at Delhi They can very will do it here on tax remission. So until and unless the Industrial policy is geared up you will never be able to do anything on the industrial development of Assam with this, I only prays that for God's sake stop putting those I.A S. officers in A. S.I.D.C. and A.I.D.C which are the only to limbs of Assam for getting industries here. There is an I.A S. officer, who is now the Chairman of the Board, Sir, this is quite authentical, that up till now he had been to Delhi 3 times. Today also he is in Delhi. He has gone there to Delhi not on industrial deelvopment of Assam but to get himself transferred. This is what he is doing. The previous to this one officer also had been doing the the same thing. please look in to his T.A. bills on record. Are you going to depend on this kind of officers. You will be surprised to know that

provious offiicer one was all the times out of the Station as a result of which the industrialists who have applied for loan have not got it. Government of India has been offering 10 Lakhs of rupees and they have approved this industry, but it is lying before the A.I.D.C. for 3 years. also they got 10 lakhs and on that you can go in for another 20 lakhs ; but where is the time to look into this problem ? He is busy with the Asssam Government's car and the money, he is enjooing the Assam Honset's facilities in Delhi. I am near only for one reason that please get out of the Congress Government's Industrial policy. That is what I am Suggesting. Of course, there will be some deroilmont on the change of the industrial policy of the Congress Government. ( voices ) this is the policy of the previous Government, please don't forget, Mr. Deputy Speaker, Sir, I only request the Minister, Industries through you that he should see that the Assam preferential. Stores & Purchese Rules, 1972, which was one of the very good piece of legisleture of the previous Government, it should be implemented to the fullest extent so that ruts would go and the small industries can have the benifet of this. With this I conclude that the Minister should have more money. He should definitely have for what he has applied for.

* শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ :—উপাধ্যক্ষ মহোদয়, উদ্যোগৰ বিষয়ে কেইটামান কথা কব বিচাৰিছো। মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি কব বিচাৰিছো যে আমাৰ যি শিল্প নীতি এই নীতি আজিলৈকে অসম চৰকাৰে নিৰ্দ্ধাৰণ কৰিব পৰা নাই। আৰু ইয়াত কোৱা হৈছে যে আগৰ কংগ্ৰেছে যি কৰিছিল সেই নীতিকে চলাই আছে, তেওঁলোকে নতুন এটো কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আমি আগৰে পৰা দেখি আহিছো যে অসমত অফুৰন্ত পৰিমাণৰ কেচা মাল আছে। সেইবিলাকৰ পৰা যিমান পৰিমাণে শিল্প উদ্যোগ গঢ়ি সেইমতে চাহিদা পূৰণ কৰিব পৰাকৈ আমাৰ উদ্যোগত আগবাঢ়ি যে যাব পৰা নাই সেই কথাত আমাৰ সকলোৰে একমত। এই সম্পৰ্কত যিবিলাক আসোঁৱাহ আছে সেই বিলাকৰ সম্পৰ্কত মাননীয় সদস্য সকলে কৈ গৈছে। তাতে ময়ো কি কথা লগ লগাই কব বিচাৰিছো যে শিল্প উদ্যোগ এখন প্ৰদেশত গঢ়ি তুলিবলৈ হলে আমাৰ চৰকাৰী নীতি আৰু বিভাগীয় যি সকল বিষয়া আৰু লগতে আমাৰ যুৱক সকলক সহায় সহযোগত শিল্প উদ্যোগ গঢ়ি তুলিব পাৰি। বিশেষকৈ চৰকাৰে বিশেষ মনোযোগ এই উদ্যোগৰ ক্ষেত্ৰত দিব লাগিব। বৰ্তমান যি জনতা চৰকাৰ হৈছে এই জনতা চৰকাৰে অসমত নীতি নিৰ্দ্ধাৰণ কৰিব নোৱাৰিব পাৰে কিন্তু কেন্দ্ৰীয় চৰকাৰৰ নীতি হৈছে প্ৰথমতে কেচামালৰ দৰকাৰ। ভাৰতবৰ্ষত কেচা মালৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হৈছে। কেচা মালৰ উৎপাদনৰ ক্ষেত্ৰত শ্ৰীজৰ্জ ফাৰ্ণাণ্ডেজে কৈছে, প্ৰধান মন্ত্ৰী শ্ৰীমোৰাৰজী দেশাই কৈছে আৰু গুৰুত্বও আৰোপ কৰিছে। স্বৰ্গীয় জৱহৰলাল নেহৰুৱে স্বাধীনতাৰ পিচতেই সিদ্ধান্ত কৰিছিল যে ভাৰতবৰ্ষত শিল্প নীতি লোৱা হৈছে। যি সময়ত ভাৰতবৰ্ষত এটা বেজীও উৎপাদন কৰিব পৰা নহৈছিল সকলো বিলাক বস্তু বাহিৰৰ পৰা আনিব লগীয়া

* Speech not Corrected

তৈয়াৰ
হৈছিল তেতিয়াই তেখেতে কৈছিল যে আমি ইয়াত এৰোপ্লেন
কৰিম, ৰেলৰ ইঞ্জিন আদি তৈয়াৰ কৰিম । আমি ভাৰতবৰ্ষতেই সকলো
বস্তু তৈয়াৰ কৰি লম । বাহিৰৰ পৰা কোনো বস্তু আনিবলৈ নিদিম।
সেই কাৰণে সেই সময়ত কংগ্ৰেছেও সিদ্ধান্ত কৰিছিল যে আমি নিজে
কপাহ উৎপাদন কৰি তাৰ পৰা কাপোৰ বৈ আমি পিন্ধিম, বাহিৰৰ পৰা
কাপোৰ আনি আমি নিপিন্ধো । আজি আমাৰ অসম চৰকাৰে কি শিল্প
নীতি লৈছে ? আজি ভাৰতবৰ্ষলৈ চিমেণ্ট বিক্ৰি কৰি ফৰেণ এক্সচেঞ্জ
আনিছে । জৰ্জ ফাৰ্ণাণ্ডেজে, জাপানৰ লগত চুক্তি কৰিছে, জাৰ্মানৰ লগত চুক্তি
কৰিছে, আমেৰিকাৰ লগত চুক্তি কৰিছে । এই দৰে চুক্তি কৰি হাজাৰ
হাজাৰ লাখ লাখ টকাৰ বস্তু বাহিৰৰ পৰা আনি আছে। আগতে
যিবিলাক ডাঙৰ ডাঙৰ ইঞ্জিনীয়াৰ, টেক্‌নিচিয়ানক স্কলাৰচীপ দি বাহিৰৰ
পৰা প্ৰশিক্ষণ দি অনা হৈছিল সেইবিলাক আজি নাই। সেই কাৰণে
শিল্প নীতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আজি যি শিল্প নীতি গ্ৰহণ কৰিছে
এই শিল্প নীতি ভাৰতবৰ্ষৰ কাৰণে ধ্বংশাত্মক । ভাৰতবৰ্ষ শিল্প উদ্যোগত
আগবাঢ়ি যোৱাত এই বিলাকৰ কাৰণে বাধাপ্ৰাত হৈছে। অসমৰ কাৰণে
জনতা চৰকাৰে কি শিল্প নীতি লৈছে আমি নাজানো। যি শিল্পত
আগবাঢ়ি গৈছে, যিবিলাক শিল্প উদ্যোগ গঢ়ি উঠিছে সেইবিলাক আসোৱাহ
আছে যেনে পাবলিক ইণ্ডাষ্ট্ৰিয়েল বোৰ্ডৰ কথা কোৱা হৈছে । সেইবিলাক
বাধাপ্ৰাপ্ত হৈছে । অসমৰ উদ্যোগত বাধা পৰাৰ আন এটা কাৰণ হৈছে
ইয়াত টেকনিকেল এক্সপাৰ্ট নথকাৰ কাৰণে আই, এ, এচ, অফিচাৰ সকলৰ
হাতত পৰি আমাৰ উদ্যোগত আমি আগবাঢ়ি যাব পৰা নাই । আনকি
যিবিলাক উদ্যোগৰ গঢ়ি উঠিছে সেইবিলাকতো বাধা প্ৰাপ্ত হোৱাটো দুখৰ
কথা। আমি এটা কথা চাব লাগিব যে আমি কেৱল গালি পাৰিয়ে বা
সমালোচনা কৰিয়ে আমাৰ ইয়াত উদ্যোগ গঢ়ি তুলিব নোৱাৰো। আজি
যি সকল সিফালে আছে তেখেত সকলো এদিন বিৰোধী দলৰ সদস্য হৈ

থাকোতে তেখেত সকলেও উদ্যোগ গঢ়াৰ ক্ষেত্ৰত আমাৰ যিবিলাক ব্যৱস্থা আছিল আৰু তেখেত সকলৰ যি মনোভাৱ আছিল সেই বিলাক ভাবি চিন্তি চাই যদি কিবা সলনি কৰিব লাগে সলনি কৰি হলেও উদ্যোগ গঢ়ি তুলিবলৈ আগবাঢ়ি আহিব লাগিব। উদ্যোগৰ নীতি নিৰ্দ্ধাৰণ কৰিব লাগিব। আজি যিজন উদ্যোগ মন্ত্ৰী তেখেতো ৩০ বছৰে মন্ত্ৰী হৈ আছিল। মন্ত্ৰীৰ যে যুটীয়া দায়িত্ব যে তেখেতে এই কথা আজি আমাৰ উদ্যোগ গঢ়িবৰ কাৰণে যিবিলাকে পাৰমিচন পাইছে, আমাৰ শ্ৰীশৰ্ম্মা ডাঙৰীয়াই কৈ গৈছে যে সেই বিলাকো বন্ধ হোৱাৰ উপক্ৰম হৈছে। আজি গ্লাচ ফেক্টৰীও এটা কমিটি কৰি বন্ধ ৰখা হৈছে। সেইদৰে জুট মিল কৰিবলৈ আমাৰ ইয়াত যথেষ্ট কেচামাল আছে। আমাৰ মৰাপাট কলৰ উদ্বোধনৰ কাৰণে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিয়ে আহি দলগাওঁ আৰু বৰপেটাত উদ্বোধন কৰি গলহি। দলগাওঁত ১০।১২ হাজাৰ টকা খৰচ কৰি এপ্ৰোচ ৰোড কৰা হ'ল আৰু ভেটি আদি তুলিও টকা খৰচ কৰা হ'ল। কিন্তু এতিয়া কেন্দ্ৰই কৈছে যে তাত কোনো স্কোপ নাই। আৰু যিবিলাক জুট মিল ইয়াত চলি আছে তাৰ পৰাও একো লাভ হোৱা নাই। তেখেতে কৈছে যে এইবিলাক আগৰ চৰকাৰে কৰিছে। কিন্তু তাত আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নাছিল। আছিল মুখ্য সচিব আৰু টেকনিকেল এক্সপাৰ্ট সকলোৱে।

উপাধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে আমাৰ ইয়াত যদি কেইটামান উদ্যোগ গঢ়ি উঠে যেনে পেপাৰ মিল, জুট মিল আদি এইবিলাক গঢ়ি উঠিলে আমাৰ ওচৰৰ প্ৰদেশবিলাকত থকা উদ্যোগবিলাক বাধাপ্ৰাপ্ত হব বুলি ভাবিয়ে আমাৰ ইয়াত উদ্যোগ গঢ়িবলৈ আৰম্ভ কৰাৰ ক্ষেত্ৰতে বাধা দিয়াৰ এটা চক্ৰ চলি আছে। সেই কাৰণে আমাৰ উদ্যোগ মন্ত্ৰীয়ে, মোৰ তেখেতৰ প্ৰতি যথেষ্ঠ শ্ৰদ্ধা আছে আৰু তেখেতৰ এবিলিটিত বিশ্বাস আছে তেখেতে যি কৈছে মৰাপাট কলৰ কাৰণে কমিটি কৰি দিয়া বুলি আৰু এই কমিটিৰ ৰিপৰ্ট পালেই

তেখেতে আগবাঢ়ি যাব বুলি জনাইছে। তেখেতৰ বলিষ্ঠ হাতেৰে এইবিলাক ভালদৰে চাই চিটি এইটো যাতে একেবাৰে বন্ধ হৈ নাযায় আৰু অসমৰ জুটৰ যথেষ্ট উৎপাদনৰ যিটো আশা আছে সেইটো পুৰণ কৰিবলৈ যথেষ্ট চেষ্টা কৰিবলৈ মই তেখেতক অনুৰোধ কৰিলো।

এই উদ্যোগৰ কাৰণে পাৱাৰ যথেষ্ঠ দৰকাৰ। আমাৰ ইয়াত পেট্ৰ'ল আৰু গেছ আছে। ইয়াৰ দ্বাৰাও উদ্যোগ গঢ়ি তুলিবৰ কাৰণে আগবাঢ়ি যাবলৈ যথেষ্ঠ চিন্তা কৰিব পাৰি। শিৱসাগৰৰ তুলিয়াজানত যি গেছ জলি আছে এই গেছৰ দ্বাৰা যথেষ্ঠ মেকানিকেল বস্তু তৈয়াৰ কৰিব পৰা স্থল আছে যদিও এইবোৰ জলি থাকিব দিয়াৰ কাৰণে দিনে এক লাখ টকাকৈ লোকচনা হৈছে। এই জুইৰ পৰা এই বস্তুটো ৰক্ষা কৰিব পাৰিলে অসমলৈ বাহিৰৰ পৰা যি প্লাচটিকৰ বস্তু আহে সেইবিলাক ইয়াতে তৈয়াৰ কৰাৰ যথেষ্ঠ স্কোপআছে। সেই কাৰণে এই গেছ জলাটো বন্ধ কৰি আমাৰ উদ্যোগ গঢ়িবলৈ যি স্কোপ আছে সেইটো কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম চৰকাৰে যিমান টকাই নালাগক এইটো গেচ কৰি অসমত উদ্যোগ গঢ়ি তুলিবৰ কাৰণে উদ্যোগমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত অনুৰোধ জনালো।

সেইকাৰণে অসমৰ যি গেচৰ পৰা জুই চলি আছে সেইটো বন্ধ কৰি সেই মেটেৰিয়েল্চ বিলাক আহৰণ কৰি ইয়াৰ পৰা বিধৰণৰ উদ্যোগ হোৱাৰ স্ক'প আছে সেইটো কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম চৰকাৰে দাবী কৰক। আৰু এই মেটেৰিয়েল্চৰ পৰা যিবিলাক বস্তু উৎপাদন হব পাৰে তেনেবোৰ বস্তুৰ ওপৰত ভিত্তি কৰি আমাৰ উদ্যোগ বিলাক গঢ়ি তুলিবৰ কাৰণে মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। এই ক্ষেত্ৰত হয়তো বহু কোটি কোটি টকা প্ৰয়োজন হব পাৰে। সেইখিনি আমাৰ ৰাজ্যিক চৰকাৰে বহন কৰাটো সম্ভৱপৰ নহয়। সেইকাৰণেই কেন্দ্ৰীয় চৰকাৰৰ সহায় ইয়াত লাগিবই। তাৰ

পিচত আমাৰ জুটমিল, এভাৰেজ চাইকেল, গ্ৰাচ ফেক্টৰী যিবিলাকৰ কথা কোৱা হৈছে সেইবিলাকত আসোঁৱাহ আছে। আৰু তাৰ কাৰণে কমিটি কৰি দি উদ্যোগ মন্ত্ৰীয়ে ষ্ট্ৰাইক আদিৰ পৰা হাত সাৰিবৰ পৰাই আচল উদ্দেশ্য নহয়। আচল উদ্দেশ্যে হল ইয়াত ক'ত কেৰোণ সোমাইছে আসোঁৱাহ আছে সেইবিলাক আঁতৰ কৰি এই উদ্যোগ বিভাগ বিলাক কেনেকৈ ঠন ধৰি উঠিব পাৰে সেইফালেহে বিশেষ মন দিব লাগে। আসাম কন্দাক্টৰচ এ, আই, দি, চিৰ এটা অনুষ্ঠান। তাত যথেষ্ঠ উৎপাদন হয়। তাৰ পৰা যিবিলাক উৎপাদন হয় সেইবিলাক আমাৰ উদ্যোগ বিলাকত ব্যৱহাৰ কৰিব পাৰি। কিন্তু এই বিলাক ইয়াত ব্যৱহাৰ নকৰি বাহিৰলৈ পঠোৱা হৈছে। ফলত অন্যান্য প্ৰদেশত বিশেষকৈ পশ্চিমবংগত বিধান ৰায় বলিষ্ঠ পদক্ষেপত উদ্যোগ গঢ়ি উঠিল। সেই বিলাক যথেষ্ট গুৰুত্ব দিয়াৰ কাৰণে তাত উদ্যোগ গঢ়ি উঠিল। কিন্তু আমাৰ ইয়াত উত্পাদন হোৱা বস্তু বিলাক ব্যৱহাৰ নকৰাৰ কাৰণে ইয়াৰ উদ্যোগ ঠন ধৰি উঠিব পৰা নাই। আমাৰ যিসকল লৰা ইঞ্জিনিয়াৰিং পাচ কৰি আহিছে তাৰ পিচত বিদেশলৈ গৈ পাচ কৰি আহিছে, সেইসকলে আজি আমাৰ ইয়াত কাম নাপায়। পুণৰ তেওঁলোক আমেৰিকা বা লন্দনলৈ ঘূৰি যাব লগা হয়, এইটো বৰ দুখৰ কথা। আজি তেওঁলোকৰ কাৰণে ইয়াত চাকৰি নাই। অথচ অ' এন, জি, চি ৰিফাইনাৰী বঙাইগাৱৰ পেট্ৰোকেমিকেল ইত্যাদিত উচ্চ পদত কৰ্ম্মচাৰী বাহিৰৰ পৰাই অনা হয়। কিন্তু আমাৰ লৰাই সুবিধা নাপায়। এইবিলাক যিটো স্কপ আছে টেকনিকেল এক্সপাৰ্ট আছে সেই-সকলে আজি দেশপ্ৰেমক বোধেৰে আমাৰ ৰাজ্যখনৰ উদ্যোগ গঢ়ি তোলাত আগঢ়াই লৈ যাব পাৰে। সেইকাৰণে উদ্যোগ মন্ত্ৰীক কৰজোৰেৰে অনু-ৰোধ জনাওঁ বিশেষ ভাৱে মনোযোগ দি ইয়াত যি বিলাক কুচক্ৰ সোমাইছে সেইবিলাক আঁতৰ কৰি উদ্যোগ গঢ়ি তুলিব পৰাকৈ তাৰ কাৰণে চেষ্টা

কৰিব লাগে। তাৰ পিচত পি, আই, বি গুচাই দিয়াৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে। কিন্তু সেইটো সম্পূৰ্ণ গুচাই নিদিয়াটোৱেই ভাল। কিয়নো উন্নয়ণৰ দৰকাৰ হৈ পৰিছে। বৰ্ডো সিদ্ধান্ত হোৱাৰ পিচতো আই, এ, এচ অভিচাৰে উদ্যোগ গঢ়িবলৈ নিদিয়ে। তোওঁলোকৰ ওপৰত মোৰ কোনো বিৰুপ মনোভাৱ নাই। কিন্তু এই উদ্যোগৰ ক্ষেত্ৰত যিমানখিনি অৰ্হতা লাগে সেইখিনি কম হোৱাৰ কাৰণেই এনে অৱস্থা হৈছে। নিবনুৱা সমস্যা আজি দিনক দিনে বাঢ়ি গৈছে আৰু এই নিবনুৱা সকলক উদ্যোগ গঢ়ি তুঠিলে নিয়োগৰ সুবিধা দিব নোৱাৰিম। আৰু যি বিলাক ফেক্টৰী চলি আছে সেইবিলাক বন্ধ হৈ যোৱাৰ কাৰণে হেজাৰ হেজাৰ নিৱনুৱা বাঢ়ি গৈছে। গতিকে কমিটি কৰি ষ্ট্ৰাইক বন্ধ কৰি দিলেই নহব, সকলো দিশ চাব লাগে। আমাৰ বোকাজানত চিমেণ্ট ফেক্টৰী আছে, আগেয়ে অসমৰ ভিতৰৰে মেঘালয়ত আছিল এতিয়া আমি বাহিৰৰ পৰা চিমেণ্ট কিনিবলগীয়া হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই জোটমিলৰ কথা কৈছিল, শিলঘাটৰ জোটমিলটো বন্ধ হোৱাৰ উপক্ৰম হৈছে। তাৰ কাৰণ সোধাত কৈছিল যে ইয়াত যিবিলাক বস্তা তৈয়াৰ হয় আজিকালি সেইবিলাক কোনেও নিকিনে। পলিথিনৰ বেগহে বেচি ব্যৱহাৰ হয়। কিন্তু আজি বাংলাদেশত আজাদ জোটি মিলত বস্তাৰ বাহিৰেও নানা ধৰণৰ সামগ্ৰী তৈয়াৰ হয়। যেনে কাৰপেট, টেণ্ট, টাৰপলিঙ, যুদ্ধৰ সামগ্ৰা বহু ধৰণৰ সামগ্ৰী তৈয়াৰ হয়। ইয়াৰ পৰা বিদেশলৈও বস্তু ৰপ্তানী হয় আৰু ই ফৰিন এক্সেঞ্জও আৰ্ন কৰি পৃথিৱীৰ ভিতৰতে বিখ্যাত হৈ পৰিছে। আজি অসমত কিয় তেনেধৰণৰ ব্যৱস্থা কৰিব নোৱাৰি। উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খোজো যে সকলো ধৰণৰ প্ৰচেষ্টা লৈ আমাৰ ইয়াত উদ্যোগ গঢ়ি তোলাৰ কাৰণে আৰু ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ লগত সমানে আগ-বাঢ়ি যব পৰাকৈ উদ্যোগৰ ক্ষেত্ৰত এটা ষ্টেপ আগবাঢ়ি যাব লাগে, তেতিয়া আপোনাৰ নাম থাকি যাব। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীপ্ৰমোদ গগৈ ঃ— মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, উদ্যোগ বিভাগ অসমত আছে। কিন্তু উদ্যোগ বিভাগে আমাৰ ৰাজ্যত উদ্যোগ কৰা সম্পৰ্কে কোনো লক্ষ্য নাই। এই কথা মই আজিয়েই কোৱা নহয়, আগতেও কেইবাবাৰো কথাটো উল্লেখ কৰিছো। কেন্দ্ৰীয় চৰকাৰে এই কথা ঘোষণা কৰে যে ভাৰতবৰ্ষৰ ভিতৰত, পিচপৰা প্ৰদেশ বিলাকৰ ভিতৰত অসম হৈছে অন্যতম। আৰু লগে লগে এই কথা সকলোৱে স্বীকাৰ কৰিছে যে ভাৰতবৰ্ষৰ ভিতৰত সম্পদত সমৃদ্ধিশালীপ্ৰদেশ হৈছে অসম। ভাৰতবৰ্ষত আজি যিমান চাহপাত উতপাদন হয় শতকৰা ৬০ ভাগ অসমৰ। ভাৰতবৰ্ষত যিমান তেল উত্তপাদন হয় শতকৰা ৫০ ভাগ অসমৰ। আৰু ঠিক্ তেনেকৈয়ে ভাৰতবৰ্ষত কয়লা উত্‌পাদন হয় ইয়াৰে বুজন অংশ অসমৰ। এই অৱস্থা হোৱাৰ কাৰণ হৈছে যে অসম চৰকাৰে উদ্যোগ বিভাগ আমাৰ ৰাজ্যখনত কেনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠা হব পাৰে তাৰ সম্ভাব্য কি এই দিশত উপযুক্ত কোনো অধ্যয়ণ আজিলৈকে কৰা হোৱা নাই। চৰকাৰে ১৯৬৮-৬৯ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ নেতৃত্বত এখন ইন্দাষ্ট্ৰিয়েল সন্মিলন আহ্বান কৰা হয় আৰু এই সন্মিলনত বহুতো বিশেষজ্ঞই অংশ গ্ৰহণ কৰিছিল। তাত অসমৰ সম্ভাৱনা সম্পৰ্কে অধ্যয়ণ কৰি যিবিলাক উদ্যোগ স্থাপন কৰা প্ৰয়োজন বা সম্ভৱনা আছে সেইবিষয়ে বহুতো পৰামৰ্শ দিছিল। সেই সন্মিলনত অংশগ্ৰহণকাৰী হিচাবে মই জানো। তাত যিবিলাক পৰামৰ্শ গ্ৰহণ কৰা হৈছিল সেই পৰামৰ্শবিলাক কাৰ্যতঃ হাতত লোৱাৰ কাৰণে উদ্যোগ বিভাগে কোনো ব্যৱস্থা লোৱা নাই। সেইকাৰণে এইটো কথা জনাব বিচাৰো যে তেনেকুৱা নীতি গ্ৰহণ নকৰালৈকে ৰাজ্যখনৰ উদ্যোগীকৰণ সম্পৰ্কে এটা নিৰ্দিষ্ট নীতিৰ অবিহনে আমাৰ ৰাজ্যখনক আগবঢ়াই নিয়াটো সম্ভৱ নহব।

সেই ক্ষেত্ৰত আমাৰ উদ্যোগ বিভাগৰ চৰম ব্যৰ্থতা কথা আমাৰ কেইবাজনো

माननीय সদস্যই কৈ গৈছে যে আমাৰ উদ্যোগ বিভাগৰ মূল কাম হৈছে লাইচেন্স দিয়া। আৰু আমি এইবাৰ ৰিপোৰ্টত দেখিছোঁ যে উদ্যোগ বিভাগে অসম টী কৰ্পোৰেচন, অসম গেচ কৰ্পোৰেচন, অসম ইণ্ডাষ্ট্ৰীয়েল ডেভেলাপমেণ্ট কৰ্পোৰেচনকে ধৰি যথেষ্ট টকা দিয়া হৈছে। কিন্তু প্ৰকৃততে উদ্যোগ বিলাক প্ৰকৃততে স্থাপন হৈছেনে নাই আৰু এই কৰ্পোৰেচন বিলাকক যি টকা দিয়া হল সেই টকা বিলাকৰ সদব্যৱহাৰ হৈছে নে নাই চৰকাৰে কেতিয়াও পৰ্য্যালোচনা কৰি চোৱা নাই। অকল এইটোৱেই নহয় উদ্যোগ বিভাগৰ আৰু এটা ব্যৰ্থতা হৈছে যি বিলাক শুনি আমি নিজেই আচৰিত হওঁ যে উদ্যোগ বিভাগে আচলতে কি কাম কৰে ? অসম চৰকাৰৰ যি সকল প্ৰতিনিধি বিভিন্ন বোৰ্ডত থাকে সেইবিলাকৰ নাম উদ্যোগ বিভাগে প্ৰস্তাৱ কৰে। অইল ইণ্ডিয়াৰ বোৰ্ড অৱ ডিৰেক্টৰচ্‌ত অসম চৰকাৰৰ এজন প্ৰতিনিধি আছে। কিন্তু সেই প্ৰতিনিধিজনে প্ৰকৃতপক্ষে বোৰ্ড অৱ ডিৰেক্টৰচ্‌ত অসম চৰকাৰৰ নীতি কাৰ্য্যকৰী কৰাৰ চেষ্টা কৰিছে নে নাই সেই কথাটো অসম চৰকাৰে বোধকৰো নাজানে। এই ক্ষেত্ৰত মই এটা দৃষ্টান্ত দিব বিচাৰিছো যে আজি ২।৩ বছৰৰ আগতে অইল ইণ্ডিয়াৰ বোৰ্ড অৱ ডাইৰেক্টৰচ্‌ত এটা সিদ্ধান্ত কৰি অসমৰ পৰা খাৰুৱা তেল বাৰাউনিলৈ নিয়াৰ কাৰণে পাইপ লাইনৰ সম্প্ৰসাৰণ কৰা হওঁক। কিন্তু ইয়াৰ আগতে এটা কমিটমেণ্ট আছিল যে ২০ লক্ষ্য খাৰুৱা তেলহে বছৰেকত বাৰাউনিলৈ পঠোৱা হব। এই ক্ষেত্ৰত এই কথাটো কেৱল আমিয়েই কোৱা নহয় যেতিয়া দ্বিতীয় তেল সোধানাগাৰ আন্দোলন সন্দৰ্ভত তেতিয়াৰ প্ৰধান মন্ত্ৰীয়ে ১৯৫৯ চনত ৰাজ্য সভাত এটা বক্তৃতা দিছিল আৰু বাৰাউনি তেল সোধানাগাৰলৈ কিমান তেল পঠোৱা হব এই বিষয়ে ৰাজ্য সভাত ঘোষণা কৰিছিল। মই সেই টোকাটো পঢ়ি দিছো—

"Abount Barauni, in order to bring a larger amount of crude oil from Assam, it would need enlarging of

the existing pipe line. And that would cost a great deal. therefore, we thought it is better that additional oil comes from other sources. The two million tonnes that are coming from Assam, that situation remains as usual and it will continue. But over and above that, any oil or expansion of Barauni will have to come from else where."

প্ৰধান মন্ত্ৰীয়ে তেতিয়াই এইকথা স্পষ্টভাবে কমিটি কৰিছিল যে বাৰাউনিলৈ ২০ লক্ষ্যতকৈ বেচি তেল পঠোৱা নহয় আৰু পাইপ লাইনবো সম্প্ৰসাৰণ কৰা নহব। কিন্তু অইল ইণ্ডিয়াৰ বোৰ্ড অৱ ডাইৰেক্টৰচ্ত অসম চৰকাৰৰ যিজন প্ৰতিনিধি আছে তেওঁ বোৰ্ডৰ সিদ্ধান্তত সম্মতি দিছে। ইয়াৰ ফলত আমি যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰো তেতিয়া তেওঁলোকে কলে যে বোৰ্ড অৱ ডাইৰেক্টৰচত আপোনালোকৰ প্ৰতিনিধি আছে তেওঁলোকে পাইপ লাইন সম্প্ৰসাৰণ কৰাত সম্মতি দিছে আৰু তাত এটা প্ৰস্তাবো আছে ২০ লক্ষ্যৰ পৰা ৩০ লক্ষ্য টন খাৰুৱা তেল পঠোৱা হব। সেই কাৰণে অসমৰ উদ্যোগ বিভাগৰ বিভিন্ন বৌৰ্ডৰ প্ৰতিনিধি সকলে যিবিলাক সিদ্ধান্তত অংশ গ্ৰহণ কৰে সেই কথাবিলাক মাজে মাজে পৰ্য্যালোচনা কৰাৰ প্ৰয়োজন। কাৰণ সেইটো যদি উদ্যোগ বিভাগে নকৰে তেনেহলে আমাৰ ৰাইজৰ এটা মত হব আৰু চৰকাৰৰ এটা মত হব আৰু সেই প্ৰতিনিধি সকলে ইয়াৰ বিপৰীতে গৈ এটা সিদ্ধান্ত লব।

ইয়াৰ বাহিৰেও মই আৰু এটা কথা কব বিচাৰিছো যে আমাৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত এই বিধান সভাতে যিবিলাক ৰিজলিউশ্যন গৃহীত হৈছে, এই প্ৰস্তাৱবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে উদ্যোগ বিভাগে চেষ্টা কৰিছে নে নাই আমি নাজানো। উদ্যোগ বিভাগে প্ৰস্তাৱ বিলাক

কেতিয়াবা পঢ়ি চাই নে নাচায় সন্দেহ হয়। মই জনাত উদ্যোগ বিভাগে কোনো ব্যৱস্থাই লোৱা নাই। ১৯৭৫ চনৰ ১৮ ফেব্রুৱাৰী তাৰিখে বিধান সভাত সৰ্ব সম্মতিক্ৰমে গৃহীত এটা প্ৰস্তাৱ লোৱা হৈছিল যে দ্বিতীয় তেল শোধানাগাৰ স্থাপন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক অসম চৰকাৰে দাবী জনাব লাগে। উদ্যোগ বিভাগৰ ভৰফৰ পৰা কিবা কৰিছিল নেকি? কিন্তু মই জনাত একো কৰা নাই। তাতকৈ ডাঙৰ কথা হৈছে যে এই বিষয়ে বহুত বাৰ পাৰ্লিয়ামেণ্টত আৰু পাৰ্লিয়ামেণ্টৰ বাহিৰত নানা ভৰ্ক-বিতৰ্ক হৈছে আৰু কেন্দ্ৰীয় তৈল মন্ত্ৰীয়ে এই বিষয়ৰ ওপৰত বহু বাৰ বিবৃতি দিছে। কিন্তু অসমৰ উদ্যোগ বিভাগে এই বিষয়ে অধ্যয়ন কৰি কেন্দ্ৰীয় চৰকাৰৰ যি বিলাক বক্তব্য তাক খণ্ডন কৰাৰ কাৰণে চেষ্টা কৰা নাই। কাৰণ আমাৰ এটা ধাৰণা আছে যে কেন্দ্ৰীয় চৰকাৰে যি কথা কয় সেই কথাই সত্য আৰু নিৰ্ভুল। কিন্তু অভিজ্ঞ-তাৰ মাজেদি আমি দেখিছো যে কেন্দ্ৰীয় চৰকাৰে যিবিলাক তথ্য দিয়ে সেই তথ্যবিলাক বহু ক্ষেত্ৰত শুদ্ধ নহয়। উপাধ্যক্ষ মহোদয়, ১৯৬৮-৬৯ চনত দ্বিতীয় তেল শোধানাগাৰ সম্পৰ্কত অসমত যেতিয়া ব্যাপক আন্দোলন হৈছিল এই আন্দোলনৰ ফলত কেন্দ্ৰীয় চৰকাৰে এটা এক্সপাৰ্ট কমিটি নিয়োগ কৰিছিল আৰু এই কমিটিয়ে ৰিপোৰ্ট দিছিল ১৯৬৯ চনত ১১ চেপ্তেম্বৰত এই ৰিপোৰ্টত কোৱা হৈছিল যে ১৯৭৭ চনৰ পৰা অসমত খাৰুৱা তেলৰ উৎপাদন কমি যাব। সেই ৰিপোৰ্টৰ কপি এটা মোৰ হাতত আছে। এই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিয়েই কেন্দ্ৰীয় চৰকাৰে কৈছিল যে অসমত দ্বিতীয় তেল শোধানাগাৰ কৰিব নোৱাৰি কাৰণ ১৯৭৭ চনৰ পৰা অসমত খাৰুৱা তেলৰ উৎপাদন কমি যাব। তাত কোৱা হৈছিল "The know crude oil reserves in Assam are likely to sustain a production rate of about 4.1 million tonnes per year from 1971 onwards upto 1977 and a decr-

easing rate thereafter. However, the maximum possible rate of production on the basis of established reserves could be as fallows :

| | | |
|---|---|---|
| 1977 | ........... | 4. 57 million tonnes |
| 1978 | ........... | 4. 26 million tonnes |
| 19,9 | ........... | 4.06 million tonnes" |

এই ৰিপোৰ্টত দেখুৱা হৈছে যে ১৯৭৭ চনত ৪°৫৭ মিলিয়ন টন, ১৯৭৮ চনত ৪°২৬ মিলিয়ন টন আৰু ১৯৭৯ চনত ৪°০৫ মিলিয়ন টন খাৰুৱা তেল অসমত উৎপাদন হব। এইটো হৈছে কেন্দ্ৰীয় চৰকাৰৰ এক্সপাৰ্ট কমিটিৰ ৰিপোৰ্ট। এই ৰিপোৰ্টকে গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে কৈছিল যে ১৯৭৭ চনত তেলৰ উৎপাদন কমি যাব আৰু তাৰ কাৰণেই অসমত দ্বিতীয় তেল শোধানাগাৰ হব নোৱাৰে। কিন্তু সৌভাগ্যৰ কথা যে অসমৰ ৰাইজে আন্দোলনৰ যোগেদি কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰি এটা দ্বিতীয় তেল শোধানাগাৰ স্থাপন কৰিলে আৰু এতিয়া এই শোধানাগাৰৰ উৎপাদন আৰম্ভ হব। কিন্তু এক্সপাৰ্ট কমিটিয়ে কৈছিল যে ১৯৭৭ চনৰ পৰা উৎপাদন কমি যাব। এই ৰিপোৰ্টবিলাক খণ্ডন কৰাৰ কাৰণে উদ্যোগ বিভাগে কিবা চেষ্টা কৰিছে নে? এতিয়া তৃতীয় শোধানাগাৰৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে কৈ আছে অসমত যথেষ্ট খাৰুৱা তেল নাই। মই আগতেই কৈছো বৰ্তমান যিবিলাক তথ্য পোৱা হৈছে এই তথ্য মতে ১৯৮৩-৮৪ চনত ও, এন, জি, চি আৰু অইল ইণ্ডিয়াত খাৰুৱা তেল উত্পাদন হব ৮০ লক্ষ্য টন আৰু ডিগবৈ, গুৱাহাটী, বঙাইগাওঁ, আৰু বাৰাউনিৰ-আগৰ ১০ লক্ষ্য টন ধৰি আমাৰ অতিৰিক্ত ৩০ লক্ষ্য টন উত্পাদন হব। কিন্তু এই কথা আমাৰ চৰকাৰে বিশেষকৈ উদ্যোগ বিভাগে কেন্দ্ৰীয় চৰকাৰক আমাৰ দাবী উৎথাপন কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, আপোনাৰ আমাৰ এটা তৃতীয় তেল শোধানাগাৰ কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰিব লাগিব। আপোনাৰ জৰিয়তে মই চৰকাৰক নিবেদন জনাব খুজিছো উদ্যোগ বিভাগটো কেৱল এটা বিভাগ হলেই নহব। কাৰণ অসমত উদ্যোগীকৰণৰ ক্ষেত্ৰত যি সম্ভাৱনা আছে সেই সম্ভাৱনা কি হিচাবে বাস্তৱত ৰূপায়িত কৰিব পাৰি তাৰ কাৰণে অসম চৰকাৰ তথা উদ্যোগ বিভাগে ব্যৱস্থা লোৱাৰ কাৰণে মই দাবী কৰিছো।

Mr. Deputy Speaker :- The House stands adjourned till 2-30 P.M. to-day.

* শ্ৰীবীৰেন চৌধুৰী :- माननीय, উপাধ্যক্ষ মহোদয়, উদ্যোগৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ উতথাপন কৰিছে তাক সমৰ্থন কৰি মই দুআষাৰ কবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয়, এই উদ্যোগ বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ কাৰণ ইয়াৰ ওপৰতেই নিৰ্ভৰ কৰিছে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা। কিন্তু আচৰিত হৈছো যে এই উদ্যোগ বিভাগটোত যিসকল মন্ত্ৰী মণ্ডলী আৰু অন্যান্য বিষয়া আছে তেওঁলোকে এই বিভাগটো বৰ বেয়া পায় নেকি কাৰণ এই বিভাগটোক অতি অৱহেলা কৰা হৈছে। এনে ভাৱে অৱহেলা কৰিছে যে আনকি এটা উদ্যোগ পলিচি, এটা ইণ্ডাষ্ট্ৰিয়েল পলিচিও অসমত লোৱা হোৱা নাই। তাৰ আন কোনো প্ৰমাণ নিশ্চয় উদাহৰণ স্বৰূপে দিবলগীয়া নহব যিহেতুকে উদ্যোগ বিভাগক চৰকাৰে নিৰ্ম্মম ভাৱেঅৱহেলা কৰি আহিছে। উপাধ্যক্ষ মহোদয়, আমাৰ কেন্দ্ৰীয় চৰকাৰৰ এটা ইন্দাষ্ট্ৰিয়েল পলিচি আছে। এই পলিচি কিমান ক্ৰুটিপূৰ্ণ তাক সহজে অনুমান কৰিব পাৰি। আন নালাগে যদি আমি ইণ্ডাষ্ট্ৰিয়েল প্ৰডাকচনৰ ইনডেক্স যদি হিচাব কৰি চাওঁ তেনেহলে প্ৰমাণ পাম যে ভাৰতীয় উদ্যোগ নীতিত ষ্টেনেন্সি আহিছে। ১৯৫১ চনৰ পৰা ১৯৬৫ চনলৈকে ইণ্ডাষ্ট্ৰিয়েল পলিচিৰ ইনডেক্স যদি চোৱা হয় আমাৰ গ্ৰোথ ৰেট শতকৰা সাত।

* Speech not corrected

তাৰ পিচত ১৯৬৫ চনৰ পৰা ১৯৭০ চনলৈ শতকৰা তিনি দশমিক পাচলৈ কমি আহিছে। তাৰ পিচত দেখা যায় ১৯৭০ চনৰ পৰা ১৯৭৫ চনলৈ অলপ বাঢ়িছে। শতকৰা চাৰি হৈছে। ইয়াৰ পৰা প্ৰমান হয় যে আমাৰ ভাৰতীয় উদ্যোগৰ এটা অস্বাভাৱিক ষ্টেগনেন্সিৰ সম্মুখীন হৈছে। এই উদ্যোগ নীতিত কোনো স্পষ্ট ধৰণে ব্যৱস্থা চৰকাৰে লোৱা নাই। এতিয়া অসমৰ কথালৈ আহো অসম চৰকাৰৰ নিজৰ কোনো পলিচি নাই। আজি অসমৰ ইণ্ডেক্স অব প্ৰডাকশ্যন উদ্যোগৰ উত্পাদনৰ ইনডেক্স যদি চাও যথেষ্ট কমি গৈছে। ১৯৭৭ চনত অলপ বাঢ়িছে। কিন্তু ষ্টেগনেন্সিৰ কাৰণ নিৰ্মুল কৰাৰ কোনো ব্যৱস্থা লোৱা নাই। আচলতে যি আচনি লব লাগিছিল সেই ভাৱে আঁচনি প্ৰস্তুত কৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ উদ্যোগ বিভাগটোৰ নামত যি অৱহেলা হৈছে এই দৰে অসমৰ উন্নতি আমি কেতিয়াও আশা কৰিব নোৱাৰো। মই দেখিবলৈ পাইছো আমাৰ বিশেষকৈ স্মল-স্কেল-ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত বিশেষ কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই। ১৯৭৫-৭৬ চনত উদ্যোগৰ এটা দিশত ২.৯৬ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু ১৯৭৮-৭৯ চনত কমি আহিছে ১.৪ কোটি টকাৰ অলপ বেছি মাত্ৰ দিয়া হৈছে। এইটো এটা প্ৰমাণ যে উদ্যোগৰ বিশেষ কোনো পলিচিৰ দ্বাৰা নিবনুৱা সমস্যা সমাধানৰ বা সিসবৰ আত্মনিযুক্তিৰ ক্ষেত্ৰত অথবা ৰাজ্যখনৰ অৰ্থ-সামাজিক ক্ষেত্ৰত অগ্ৰসৰ হোৱাৰ কাৰণে যি পৰিকল্পনা আমাৰ থাকিব লাগিছিল সেইটো আমি দেখিবলৈ পোৱা নাই। পৰিকল্পনা নাই, কোনো আঁচনি নাই। উদ্যোগিক বিকাশ কেনে ধৰণে কৰা হব আৰু আমাৰ ইণ্ডাষ্ট্ৰিয়েল পটেনচিয়েলিটি হিচাব কৰাৰ কোনো ব্যৱস্থা নাই। কেচা মালৰ সামগ্ৰীৰ প্ৰাপ্যতাৰ ওপৰতো আমি পুৰা হিচাব কৰিব পৰা

নাই। এই বিভাগটো ইমান বেছি অৱহেলিত যে আমাৰ ন্যূনতম কাম কৰাৰ কাৰণেও চিন্তা কৰা হোৱা নাই। ফলত চাৰিওফালে ব্যৰ্থতা আহি পৰিছে। উদ্যোগৰ স্মল-স্কেল -ইণ্ডাষ্ট্ৰি আছে, এ, এচ, আই, ডি, চি আছে। কৰ্পোৰেচনৰ নিয়ন্ত্ৰণত অসমত ১৪ টা শিল্পৰ গোট খোলা আছে। এই গোটেই ১৪ টা শিল্পৰ গোট এ, এচ, আই, ডি, চি'ৰ নিয়ন্ত্ৰণত পৰিচালিত হৈছে। তাৰ ফল হিচাবে আমি দেখিবলৈ পাইছো যে অক্ষমতাৰ কাৰণে, নন এফিচিয়েন্চীৰ কাৰণে, অৱহেলাৰ কাৰণে আৰু দুৰ্নীতিৰ কাৰণে সকলোতে লোকচান। সামগ্ৰী আমদানী হব লাগিছিল-কিন্তু হোৱা নাই। এই ইণ্ডাষ্ট্ৰি বিলাকত এক্সপাৰ্টহে পৰিচালনা কৰিব লাগিছিল - টেকনিচিয়ানে — পৰিচালনা কৰিব লাগিছিল — কিন্তু তাৰ ঠাইত আই, এ, এচ বিষয়াইহে তত্বাৱধান কৰিছে। আমি ৮ লাখ ১৪ হেজাৰ ৫১৫ টকাৰ লোণ দিছো। আমি ইণ্ডাষ্ট্ৰিৰ কথাত চৰকাৰক কওঁ - নিবনুৱা সমস্যা সমাধানৰ কাৰণে ইণ্ডাষ্ট্ৰি কৰক, অৰ্থনীতিৰ সমস্যা সমাধানৰ কাৰণে ইণ্ডাষ্ট্ৰি কৰক। কিন্তু চৰকাৰে কি কৰিছে ?

গুৱাহটী ইণ্ডাষ্ট্ৰিয়েল ষ্টেটত ২১০ টা চেট আছে। ইনষ্ট্ৰোমেণ্ট আছে। সকলো ধৰণৰ মেচিনেৰীয়েই আছে আৰু সকলোতে সহায় কৰিব পৰা অৱস্থাত আছে। কিন্তু তাৰ ভিতৰত মাত্ৰ ৬৯ টা মেচিনেৰীহে চালু হৈছে। তাৰ পৰিণতি হল-অক্ষমতাৰ কাৰণে অৱহেলাৰ কাৰণে আৰু দুৰ্নীতিৰ কাৰণে এইটো হৈছে। কিন্তু ইণ্ডাষ্ট্ৰি বিকাশ কৰাতোৱেই হোৱা নাই। হীৰা সম্প্ৰদায়ৰ মানুহ বিলাকক ইণ্ডাষ্ট্ৰি কৰাৰ কাৰণে ৫ বছৰৰ আগতে টকা ধাৰে দিছিল-এতিয়া টকাখিনি লৈ জুলুমহে হৈছে। কেনেকৈ প্ৰয়োগ কৰিব-তাৰ কোনো টেকনিক নাজানে। কেনেভাৱে ইণ্ডাষ্ট্ৰি পৰিচালনা কৰিব লাগিব, কেনেভাবে তৈয়াৰ কৰিব লাগিব- তাৰ কাৰণে কোনো তত্বাৱধান লওঁতা নাই। টকা বেংকতেই

৫ বছৰ দিন সোমাই থাকিল। এতিয়াও বেংকতেই আছে - এইটো আনিলে ধাৰহে হৈ থাকিব।

নাহৰকটীয়াৰ নাম খতিয়াল গাওঁ শিপিনী সকলে নিজেই সাংকৃতিক ভিত্তিত কাপোৰ উৎপাদন কৰে। চৰকাৰী উদ্যোগে তেওঁলোকক উৎসাহিত কৰিছিল - টকা ধাৰে দিছিল। কাপোৰ উৎপাদন কৰিলে - ধুনীয়া কাপোৰ। কাপোৰ উৎপাদন কৰি ইণ্ডাষ্ট্ৰি বিভাগক দিয়া হল- তেওঁলোকে কিনি ললে আৰু নিজৰ ঘৰত ৰাখিলে। কথা আছিল -সেই কাপোৰবিলাক বিক্ৰী কৰি ইণ্ডাষ্ট্ৰি বিভাগৰ ধাৰ পৰিশোধ কৰিব। এটা ইনষ্টলমেণ্ট পালে - কিন্তু বাকী বিলাকৰ কোনো খৱৰ নাই। এই ভাবে সামগ্ৰীক ভাবে যিটো অৱহেলা কৰা হৈছে - তাৰ ফলত ফেক্টৰী বিলাকক অৱহেলা কৰাৰ ফলত -এইবিলাকে আজি মৰিছে। কৰিমগঞ্জত এলুনিয়াম ইণ্ডাষ্ট্ৰি আছে - চৰকাৰী সাহায্যত টকা ধাৰে দিছে। তাত চুৰাম মেটেল ফেক্টৰীও আছে - থাকিলে কি হব টকা খাই থৈছে। তাৰ পিচত আন এটা গেঞ্জীৰ হোচিয়াৰী আছে - তাৰ কাৰণে আমেৰিকাৰ পৰা মেচিন আনি ৰাখিছে। এতিয়া এইটো অন্য ধৰণে ৰাখিছে। যি জন টেকনিচিয়ান আছিল - সেইজন মৰি গল — লগে লগে টকাও গল আৰু এতিয়া কেৱল লোকচান লোকচান। এই ভাবে যদি চলে তেতিয়াহলে আমাৰ স্মলস্কেল ইণ্ডাষ্ট্ৰি কেনেকৈ বিকাশ হয়। অৰ্থনীতিৰ সমস্যা সমাধানৰ ক্ষেত্ৰত এই স্মলস্কেল ইণ্ডাষ্ট্ৰিৰ বিশেষ ভূমিকা আছে। কিন্তু থাকিলেও অৱহেলা, আন- এফিচিয়েনচী, দুৰ্নীতিৰ ভেকু-ভাওনাত পৰিণত হয় — এই এ, এচ, আই, ডি, চি আৰু স্মল-স্কেল-ইণ্ডাষ্ট্ৰি।

তাৰ পিচত আমাৰ এ, এচ, আই, ডি, চি'ৰ কাৰণে চৰকাৰ আছে। ষ্টেট ফাইনেনচ আছে। এই বিভাগে কিছুমান শিল্প কৰিছে। মেকানাইজ ব্ৰীক ফেক্টৰী কৰিছে। অসমত প্লাচ ফেকটৰী কৰিছে,

যোট মিল কৰিছে - কিন্তু এই মেকানাইজ ফেক্টৰী বিলাক এতিয়া বন্ধ হৈ আছে। গ্লাচ ফেক্টৰীৰ শ্ৰমিক সকলে ধৰ্মঘট কৰি আছে। ফলত গ্লাচ ফেক্টৰী বন্ধ, পুনৰ খোলাৰ ব্যৱস্থা চৰকাৰে কৰা নাই। আজি আমি এই স্মল-স্কেল-ইণ্ডাষ্ট্ৰি বিলাক যদি সচাঁকৈ উৎসাহিত কৰিব লাগে - তেতিয়াহলে তেওঁলোকৰ প্ৰধান সমস্যা কি ?- চাব লাগিব। ইয়াত অৰ্থৰ কথা আছে, অৰ্থনীতিৰ কথা আছে। তাৰ পিচত বজাৰৰ কথা আছে। উৎপাদন হলেও বজাৰ নাপায়। গতিকে ভাল বজাৰৰ ব্যৱস্থা যদি চৰকাৰে কৰি দিব নোৱাৰে - তেতিয়াহলে একোৱেই নহব। ফাইনেনচৰ যদি নিশ্চয়তা নাই - তেতিয়াহলে ফেক্টৰী হোৱাৰ বা টিকি থকাৰ কোনো সম্ভৱনা নাই।

উপাধ্যক্ষ মহোদয়, মই এটা পৰামৰ্শ দিব বিচাৰিছো - এই স্মল-স্কেল-ইণ্ডাষ্ট্ৰিৰ কাৰণে প্ৰথম কথা হল - চৰকাৰৰ তৰফৰ পৰা এই ইণ্ডাষ্ট্ৰি বিলাকৰ যিটো উৎপাদিত সামগ্ৰী - সেইবিলাকৰ কাৰণে এটা নিশ্চিত বজাৰৰ ব্যৱস্থা কৰি দিয়া। দ্বিতীয় কথা হল-উৎপাদিত সামগ্ৰীৰ উৎপাদক সকলৰ মাজত আৰু ৰপ্তানী সামগ্ৰীৰ বজাৰৰ মাজত কোনো মধ্যস্ততা কৰিব নোৱাৰিব বা বজাৰৰ মূল্য মনপলিষ্ট কৰিব নোৱাৰিব। প্ৰত্যেক-টোতেই চৰকাৰৰ যি নিৰ্দ্ধাৰিত নীতি আৰু নিৰ্দ্ধাৰিত মূল্য-সেই মতেই কৰিব লাগিব। তাৰ পিচত তুলনামূলক ভাবে চাবলৈ কুৱালিটি কণ্ট্ৰোল পৰীক্ষাৰ কাৰণে এটা ব্যৱস্থা কৰি দিব লাগে আৰু সামগ্ৰীকভাবে আমাৰ প্ৰাকৃতিক সম্পদৰাজীৰ এটা চাৰ্ভে কৰি - এই সম্পৰ্কে শিল্পৰ প্ৰতি উৎসাহিত যি সকল ব্যক্তি আছে - সেই সকলক অৱগত কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আজি তেনে ধৰণৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। তেনে ব্যৱস্থা কৰি দিলে এই ইণ্ডাষ্ট্ৰিবিলাকে কিছু অৰিহণা যোগাব। তাৰ পিচত সামগ্ৰীক ভাবে অতি শীঘ্ৰে ইণ্ডাষ্ট্ৰি পলিচি গঢ়ি তুলিব লাগে আৰু সেইটোৰ মূল উদ্দেশ্য হব লাগিব

Curb The monopolies of the big houses তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ ইণ্ডাষ্ট্ৰীয়েল পলিচি তৈয়াৰ কৰিব পৰা ব্যৱস্থা ৰাখিব লাগিব। এই পৰামৰ্শ ডাঙি ধৰি মই মোৰ বক্তব্য ডাঙি ধৰিলোঁ আৰু লগে লগে মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলোঁ।

Mr. Deputy Speaker :- I like to inform the Hon'ble Members of the House that we will have to complete the discussion by 5 p.m. positively today as the Hon'ble Minister, Industries, will take one hour. So, I would request all the Hon'ble Members, who will participate in the discussion, to complete their Speeches by 4 p.m. positively so that the Minister will start his reply from 4 p.m. Now, as many as seven or eight Hon'ble Members will participate in the discussion. It is my request to the Hon'ble Members to cooperate and not to exceed 10 (ten) minutes by each Hon'ble Member. This is my request. Now, Shri Rabindra kr. Malakar.

শ্ৰীৰবীন মালাকাৰ :- মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ উদ্যোগ মন্ত্ৰীয়ে দাঙি ধৰা গ্ৰেণ্টৰ ওপৰত বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে কিছু কথা কবলৈ ইচ্ছা প্ৰকাশ কৰিছোঁ। মই অৱশ্যে সমালোচনা নকৰোঁ। কেইটামান উদাহৰণ তেখেতক দাঙি ধৰিম, আশা-কৰো তেখেতে এই খিনি কাম কৰিবলৈ যত্ন কৰিব। উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় ভালকৈ জানে যে, আমাৰ বুৰঞ্জীৰ পাত লুটিয়ালে আমি দেখিবলৈ পাওঁ যে, কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত যেতিয়া হিউৱেনচাং

আহিছিল, যেতিয়া হৰ্ষবৰ্দ্ধন ভাৰতলৈ আহিছিল তেতিয়া ভুঁজপত্ৰত চিঠি লিখি তেখেত সকলক সন্মান জনোৱা হৈছিল। আনকি আমাৰ বৈষ্ণৱ কবি সকলে সাচিপাতত কিতাপ লিখিছিল। আৰু নানা ৰকমৰ পদ কবিতা আদি ৰচনা কৰিছিল। তাৰ পৰা এইটো প্ৰমাণ হয় যে, পুৰণি কামৰূপত কুটিৰ শিল্পৰ ক্ষেত্ৰত আমাৰ অসমীয়া শিপিনীয়ে কাপোৰতে সপোন ৰচনা কৰিছিল। ১৯৪৬ চনতে যেতিয়া মহাত্মা গান্ধীয়ে শুৱালকুছিত প্ৰদৰ্শনী চাবলৈ আহিছিল তেতিয়া কৈছিল যে, অসমীয়া শিপিনীয়ে তাঁত-শালতে কবিতা লিখিব পাৰে। আৰু আমি দেখিবলৈ পাও যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৭ বৈকুণ্ঠৰ পট লিখি ২০ হাত দীঘল এখন বস্ত্ৰ তৈয়াৰ কৰিছিল। আৰু সেইখনি হাততে লুকুৱা আৰু হাতে শুকুৱা বুলি প্ৰবাদ এটি আছে কিন্তু আজি আমাৰ কুটিৰ শিল্পৰ কোনো উন্নতি সাধন হোৱা নাই। আজি ৩০ বছৰে দেখা নাই। চৰকাৰে প্ৰয়োজন মতে মানুহক সহায় সাৰথি দিব পৰা নাই কাৰণেই এনে হৈছে। আজি গাৱৰ কৃষক সকলৰ ঘৰত যিসকল শিপিনী আছে তেওঁলোকে কোনো ৰকমৰ কাম কৰিব পৰা নাই। আমি গাৱলৈ গলেই মহিলা সকলে কয় যে, আমাৰ যিবিলাক মহিলা সমিতি আছে সেইবিলাকত আজি সূঁতা নাই, তাত শাল আদি দিয়া নাই বুলি নানা ৰকমৰ অভাৱ অভিযোগৰ কথা কয়। এইবিলাক কথা অৱশ্যে আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে কৈছে। আমাৰ মাননীয় সদস্য সকলে বৃহৎ উদ্যোগৰ কথা কৈছে। আমাৰ চৰকাৰে ক্ষুদ্ৰ উদ্যোগ আৰু কুটীৰ শিল্পৰ উন্নতি সাধন কৰাৰ কাৰণে চিন্তা কৰিব লাগে। মই ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ কথাহে কবলৈ ইচ্ছা প্ৰকাশ কৰিছো কিয়নো কেন্দ্ৰীয় চৰকাৰেও ক্ষুদ্ৰ আৰু কুটীৰ শিল্প উন্নতিৰ নীতি ঘোষণা কৰিছে।

( ভইচঃ- গন্দগোল )

গতিকে কুটীৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত আমাৰ চৰকাৰে মনোনিবেশ কৰিব লাগে। উদ্যোগ এটা কৰিবলৈ যাওতে আমি মন কৰিব লাগে যে, সেই উদ্যোগৰ পৰা আমাৰ আয় হৈছে নে নাই। সেই উদ্যোগৰ দ্বাৰা নিৰনুৱা সমস্যা কিমান সমাধান হব? কিমান নিৰনুৱা ডেকা গাভৰুক সেই উদ্যোগৰ দ্বাৰা কাম কাজ দিয়াব পৰা হব? এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ যিখন আচনি আছে সেইখনত আমাৰ পুৰণা শিল্পৰ উদ্ধাৰৰ কাৰণে চেষ্টা কৰিব লাগে। এইখিনিতে মই কেইটামান উদ্যোগৰ কথা কবলৈ বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ এটা শিল্প হৈছে কাঁহ শিল্প। দুখৰ বিষয় যে, যোৱা পাৰ্লিয়ামেণ্টৰ ইলেকচনৰ সময়ত যেতিয়া কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী জৰ্জ ফৰ্ণেন্দিজ সৰ্থেবাৰিলৈ আহিছিল তেতিয়া তাৰ শিল্পৰ কাৰণে অসম চৰকাৰক ৬ লাখ টকা আগবঢ়াইছিল, কিন্তু এতিয়াও সেইখন আচনি ফলৱতি কৰিব পৰা নাই।

শ্ৰীচিৰাজুল হক:- উপাধ্যক্ষ মহোদয়, ৬ লাখ টকা দিয়াতো সচা। কিন্তু আগৰ ১॥ লাখ টকাৰ বিল পৰিশোধ কৰিব নোৱাৰা কাৰণে সেই টকা আজিলৈকে আদায় কৰিব পৰা নাই।

শ্ৰীনবীন মালাকাৰ:— টকা আহিছে কিন্তু শিল্পটোৰ কোনো আচনি আজিলৈ তৈয়াৰ কৰিব পৰা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ ওচৰত জনাব বিচাৰো যে, আচনি অকল গাৱৰ মানুহৰ ওপৰতে নিৰ্ভৰ নকৰি বিভাগীয় কৰ্ত্তৃপক্ষইও দিবলৈ চেষ্টা কৰিব লাগে। আজি আমাৰ পিটলৰ শিল্প একমাত্ৰ হাজো আৰু উজান বজাৰৰ দুঘৰমান মানুহৰ ঘৰতহে দেখিবলৈ পাওঁ। এই পিতলৰ শিল্পৰ উন্নতিৰ কাৰণে আৰু ইয়াৰ সম্প্ৰসাৰণৰ কাৰণে চৰকাৰে চিন্তা কৰিব

লাগে। আজি আমাৰ শুৱালকুচিত যি যি পাটৰ শিল্প হয় সেই পাট বেনাৰচ আৰু মাদ্ৰাজৰ পাটতকৈ বহুতো বেলেগ। শুৱালকুচিত তৈয়াৰ হোৱা পাট অতি উৎকৃষ্ট। ই কাৰো লগত তুলনা নহয়। শুৱালকুচিৰ পাট শিল্পৰ কাৰণে যি ধৰণে উন্নত কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিছিল সেই ধৰণে কৰা হোৱা নাই। আজি আমাৰ শুৱালকুচিত মাত্ৰ কেইঘৰ মান মানুহে Capital System ৰ আহিত এই শিল্পত উন্নতি কৰিব পাৰিছে আৰু বহুতো মানুহে খাবলৈ নাপায় দুখীয়া শ্ৰেণীত পৰিণত হৈছে। তেওঁলোকক কো-অপাৰেটিভ যোগেদি হলেও উন্নত কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। যোৱা ৩০ বছৰে এইটো নহল। আমাৰ নতুন জনতা চৰকাৰৰ দিনত তেওঁলোকৰ উন্নতিৰ কাৰণে চেষ্টা কৰিব লাগিব।

( ভইচঃ গন্দগোল )

উপাধ্যক্ষ মহোদয়, মই আৰু এটা শিল্পৰ কথা কব বিচাৰিছো সেইটো হৈছে যে, কমাৰ সকলৰ শিল্পৰ কথা। এই শিল্প আজি আমাৰ হাজোৰ ওচৰত ৰামদিয়াত আৰু নলবাৰীতহে আছে। তেওঁলোকেওঁ আজি একো উন্নতিহ পোৱা নাই। এওলোকক চৰকাৰে কোনো প্ৰকাৰৰ সাহায্য দিয়া নাই। যোৱাকালি আমাৰ জিলা উদ্যোগ বিষয়াই গাৱলীয়া মানুহক এহেজাৰ, দেৰ হেজাৰ আনহাতে এটা শিল্পৰ উন্নতি সাধন কৰিবলৈ হলে মাত্ৰ হাজাৰ বা ডেৰ হাজাৰ টকা দিলেই নহব। এইবাৰ আমাৰ উদ্যোগৰ শিতানত মাত্ৰ ৪ কোটি ৭৪ হাজাৰ টকা ধৰা হৈছে। এই ক্ষুদ্ৰ উদ্যোগৰ শিতানত এই টকা অতি সামান্য হৈছে। ইয়াৰ ঠাইত ২০ / ২৫ কোটি টকা প্ৰয়োজন হয়। আজি আমাৰ শতকৰা ৫০ ভাগ মানুহ শিপিনী। ছোৱালী, তিৰোতা, আদিক কাপোৰ ববৰ কাৰণে যদি চৰকাৰৰ তৰফৰ পৰা তাঁত শাল, সূতা আদি যোগাৰ দিয়া হয়, তেনেহলে আমাৰ নিৰনুৱা সমস্যাৰো সমাধান হব আৰু কুটিৰ শিল্পৰো উন্নতি

সাধন হব। আনকি ঘৰখনৰ পিন্ধা-ওৰা কাপোৰ খিনিৰো সম্পূৰ্ণ যোগান ধৰিব পাৰিব।

উপাধ্যক্ষ মহোদয়, মই শেষত আশা কৰো যে, আমাৰ অহা বাজেটতত্ত 8 কোটি টকাৰ এটা আচনি নলৈ তাৰ ঠাইত ২০।২৫ কোটি টকাৰ এটা আচনি গ্ৰহণ কৰিব লাগে। তেতিয়া হলে সকলো লোকেই লৰা, তিৰোতা, মতা, মাইকী সকলোৱে কামত কমবেছি পৰিমাণে লিপ্ত হৈ পৰিব আৰু কুটিৰ শিল্পৰ উন্নতি সাধন হোৱাৰ লগে লগে অসমৰ পৰা আমাৰ নিবনুৱা সমস্যাৰো কিছু সমাধান হব।

* শ্ৰী এ এন অ ক্ৰাম হুচেইন :— মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি তুষাৰমান কব খুজিছো। কালি আমাৰ উদ্যোগ মন্ত্ৰীয়ে অসমত উদ্যোগনীতি গ্ৰহণ কৰা আচনি নাই বুলি ঘোষণা কৰাৰ লগে লগে সচাকৈ ৰাইজৰ মাজত নিৰাশভাৱ আহিছে আৰু সেই কাৰণে আমি বিশ্বাস কৰিবলৈ বাধ্য হৈছো যে কেন্দ্ৰৰ উদ্যোগ মন্ত্ৰী দপ্তৰে নিশ্চয় এই কথাত পতিয়ন গৈছে। সেই কাৰণে কেন্দ্ৰৰ উদ্যোগ মন্ত্ৰীয়ে অসম মন্ত্ৰী সভাৰ উদ্যোগৰ প্ৰতি কেনো ধাউতী নাই বুলি কৈছে। সেই কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব খুজিছো যে সোনকালে অসমৰ উদ্যোগ নীতি ঘোষণা কৰক আৰু সেইমতে কাৰ্য্যকৰী ব্যৱস্থা কৰক। অসমত উদ্যোগ কৰিবলৈ হলে ক্ষুদ্ৰ মাধ্যমৰ সকলো উদ্যোগেই প্ৰতিষ্ঠা কৰিব লাগিব। থলুৱা লোক সকলে বা থলুৱা উদ্যোগপতি সকলে সেই উদ্যোগৰ সুবিধা পাব পাৰে, থলুৱালোকে যাতে কৰ্ম্মসংস্থাপন পায় অৰ্থাৎ জব অৰিয়েণ্টেট আচনি লোৱা উচিত হব নহলে অসমৰ নিবনুৱা সমস্যা সমাধান আৰু থলুৱা লোক বঞ্চিতৰ শ্লোগান বেছি হব। আমাৰ উদ্যোগ

* Speecn not Corrected

মন্ত্ৰীয়ে যোৱা কালি উদ্যোগনীতি লোৱা হোৱা নাই বুলি কৈছে। কিন্তু ১৯৭৮-৭৯ চনত অৰ্থাৎ যোৱা বছৰত এই বিভাগত ১২১ লাখ টকা খৰছ কৰিছে। এতিয়া আমাৰ প্ৰশ্ন হৈছে এই বিভাগৰ যদি আচনিয়ে নাই; প্ৰগ্ৰেমেই নাই ১২১ লাখ টকা যোৱা বছৰ কেনেকৈ খৰচ কৰিলে? গতিকে এই বিষয়ে এটা তদন্ত হব লাগে বুলি মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিলো। গ্ৰাম্য উদ্যোগ কৰা হব বুলি কোৱাত আমি ভাবিছিলো যে গোটেই অসম উদ্যোগত নদন বদন হৈ যাব কিন্তু গ্ৰাম্য উদ্যোগৰ নামত গোৱালপাৰা, কাছৰ, কাৰবি আংলংত কিছুমান প্ৰজেক্ট অফিছাৰ নিয়োগ কৰা হৈছে আৰু লগে লগে কিছুমান মুলধন খৰছ কৰা হ'ল। কিন্তু প্ৰজেক্ট অফিচাৰ হ'ল কিন্তু উদ্যোগ প্ৰতিষ্ঠা নহ'ল আৰু মূলধনৰো কোনো হিচাব আজিলৈ নাই। আমাৰ ধাৰণা হৈছে লোণৰ নামত উদ্যোগৰ নামত প্ৰজেক্ট অফিচাৰ বিলাকে এই টকা বিলাক অপচয় কৰিছে। গতিকে এই বিষয়ে চৰকাৰে বিছাৰ কৰি চাব লাগে। গ্ৰাম্য উদ্যোগৰ নামত এই টকা বিলাক বজাৰৰ ফটকা আৰু দালালক দি'ল উদ্যোগৰ কেতিয়াও উন্নতি নহয়। সেই কাৰণে চৰকাৰে সতৰ্কতা অবলম্বন নকৰিলে উদ্যোগ গঢ়ি নুঠে। আমাৰ উদ্যোগ বিলাকত যি ধৰণৰ কেছা-মাল দৰ্কাৰ সেইখিনি উদ্যোগ বিলাকে পাইছে নে নাই তাৰ তদাৰক উদ্যোগ বিভাগে কৰিব লাগে। আজি অসমত বিভিন্ন উদ্যোগ সমূহত ১৮ হাজাৰ কৰ্ম্মীৰে কাম কৰি আছে কিন্তু আচৰিত কথা এই ১৮ হাজাৰৰ ভিতৰত শতকৰা ৫ ভাগ থলুৱালোক বা থলুৱা যুৱক নোলাব। গতিকে উদ্যোগ গঢ়িবলৈ আগবাঢ়ি অহাৰ লগে লগে চৰকাৰে তাৰ স্বৰ্ত্ত বান্ধি দিব লাগে যে থলুৱা লোকক কৰ্ম্মসংস্থাপন নিদিলে উদ্যোগৰ লাইচেঞ্চ দিয়া নহয় আৰু শতকৰাৰ ভিতৰত শতকৰা ১০০ ভাগেই থলুৱালোক হব লাগিব। তেতিয়া এই শোষণ কৰিব নোৱাৰিব। এই উদ্যোগ বিলাক কেনেকৈপ বিচালনা

হৈ আছে সেই বিলাক শুনিলে সচাকৈ উপাধ্যক্ষ মহোদয়, পেটতে আমাৰ হাতভৰি লুকাই। উদ্যোগৰ নামত মাটিৰ জমিদাৰী চলিছে। মই উদাহৰণ দাঙি ধৰিব খুজিছো। এই বিভাগৰ সঞ্চালক জনে এজন ধনী মানুহৰ পৰা গুৱাহাটীৰ কাহিলীপাৰাত মাটি কিনিছে, তেওঁক ১ লাখ ৯৫ হাজাৰ টকা আদায় কৰি দিছে। কিন্তু এই মাটিৰ মূল্য দিয়াৰ পিচত কিছুদিন পাচত দেখা গ'ল যে সেই অঞ্চলত উদ্যোগ কৰিবলৈ কোনো নাহে এস্কপাৰ্টে মানি নলয় বিৰাট পাহাৰ আৰু ডাঙৰ ডাঙৰ শিল আছে তাত উদ্যোগ নহয়। মাটিখিনি ইমান দাম দি কিনাৰ পাচত তাত মমবাতি এডালো কৰিব পৰাকৈ এটা উদ্যোগ কৰিব পৰা নহ'ল। এই বিষয়ে অতি সোনকালে তদন্ত কৰিব বুলি চৰকাৰক অনুৰোধ কৰিলো। উদ্যোগ সম্প্ৰসাৰণৰ নামত তেজপুৰত ১০০ বিঘা মাটি ললে টিলাত আৰু আৰ্থ ফিলিংৰ নামত ৩ লাখ ৫২ হাজাৰ খৰছ কৰিলে। কিন্তু আজিলৈকে তাত কোনো উদ্যোগ নহ'ল মাটিখিনি এনেয়ে পৰি আছে। মঙ্গলদৈতো তেনে অৱস্থা হৈছে।

মঙ্গলদৈতো তেনেকুৱা এটা অৱস্থা হৈছে, কাছাৰতো হৈছে, গোলাঘাটতো হৈছে। কৃষি মন্ত্ৰী এতিয়া উপস্থিত নাই।

( সময়ৰ সংকেট )

মোৰ সময় বৰ কম, তথাপি আৰু এটা কথা মই কওঁ, এইটো এসপ্তাহ দেৰসপ্তাহ মানৰ আগৰ কথা। কথাটো হৈছে গুৱাহাটীৰ আমিনগাওঁৰ ওচৰত চৰকাৰৰ কিছুমান গৈ ঘূৰি পকি আহি গুৱাহাটীৰ এজন বিখ্যাত ধনী ব্যৱসায়ী হিমত সিংকাযাৰ বিশ বিঘা মাটি আছে আৰু যাৰ মুল্য ১॥ লাখ হব বহু দিনৰ পৰা বেদখল কৰি আছে। কামৰূপৰ ডি, চিয়ে ইভিকশনৰ প্ৰগ্ৰেম লৈছিল ১৫ মাৰ্চ তাৰিখে। কিন্তু ডি,চিয়ে ইভিকশ্যন কৰাৰ আগতে দিশপুৰৰ

পৰা ইভিকশ্যন ষ্টে কৰি দিলে আৰু বেদখল চলি থাকিল। ইয়াৰ পিছত ইণ্ডাষ্ট্ৰি বিভাগৰ ডিপুটি চেক্ৰেটাৰীয়ে ডেপুটি চেক্ৰেটাৰী হমলৈ এখন চিঠি লিখিছিল। C.I. 155/.8/40, bt 24-3-79 হিমত্ চিংকাক ইভিকচন কৰিব নোৱাৰে বুলি তাত লিখা আছিল। এতিয়া প্ৰশ্ন হৈছে- ইণ্ডাষ্ট্ৰি বিভাগে হম লৈ লিখাৰ কি অধিকাৰ আছে। এতেকে ভুল কৰাৰ নিমিৰ্ত্তে ষড়যন্ত্ৰ চলোৱাৰ বাবে আমি মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰ বিচাৰো।

(সময়ৰ সংকেট)

Mr. Deputy Speaker:- Sorry, I connot allow naw: please conclude your speach.

শ্ৰী এম, এন, আক্ৰাম হুচেইন :— মই আৰু বেছি নকওঁ। এই খিনি কবলৈ সুবিধা দিয়াৰ বাবে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছোঁ আৰু ইয়াতে মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

Shri Baneswar Saikia :- Hon'ble Dy. Speaker Sir, I know my term is very short. I want to emphasise that this budget is a non-starter. while we discussed on the budget of the Industries Depertment, it is something like flogging of a dead horse, This department is being maintained for long and actually doing no business. Perhaps, it is the prevalent practice in almost all the Departments of the Govt. of Assam. Amongst them, perhaps the Industries Deptt. is the worst of all. The entire public money being wasted by this Department. This department has got huge technically trained staff but their services have not been utilised properly.

Most of the officers pose to be big guns sitting in the ivory towers.

Sir, all we very well remember that a start has been made with a view to industrilisation of this backward state of Assam as early as in the beginning of 2nd Five Yere Plan. One of the basic factors which are sought to be developed here for our industrial development is the training of technical personnel for meeting the nation's industrial requirements and with that end in view, perhaps, all over the state of Assam quite a good number of industrial training institutes are being started. A lot of money has also been poured in. we have also got quite a good number of polytechnics and training centres like I.T.Is and C.I.T.Is. perhaps with the end of the 2nd Five Year Plan the industrialisation of the state of Assam was shelved and Assam had been given up for further economic development. Since then, no funds have been provided for sincere development of our economy, although Assam has got tremendous possibility of industrial development. Any man coming from outside Assam often say that although Assam has got a bright prospect for industrial development, why it has not been done so here properly. Any expart coming from out-

side Assam opines that even though Assam has got tremendous potentiality for industrial development, nothing tangible has been done here. Sir, very rightly some outside technical experts said that even every family of the state of Assam can be provided with a good house, and also, if not a car, at least a good bycicle. So, the resources of the state have not been properly tapped.

Now, I am very much perturbed to see the plan achievement of the 5th Five Year plan as furnished by the Govt. here. Althogh the govt. are going to solve the problem of unemployment within the next ten years and with this end in view they are going to create jobs for every person, but a year after, I see now, for the present i forget about the previous regime, controlled by congress for one year beginning from March, 1978, that is a myth. On this account, they have already spent an amount of Rs. 120 lakhs during one year, but I do not know how many persons have been given employment during this period? I have been given to understand that even this Industries Department could not absorb 100 Extension officers for which interview and examination were held about ten months back, And also large number of technical handas in this Department are lying idle right from

Dhubri to Dhemaji, karimganj to Tezpur, i.e. in all the technical institutions ; and also all the pupils who have passed from those institutions are now sitting idle. Mysteriously enough, those technical instiutions are lying idle as they are not getting pupils, but we have got teachers, we have got staff doing nothing. Last year that is the year 1978 was a year of agitation in the department of industry ; especially the C.I.T.I. students they were agitating for long. why ? Becuase there is no security of job, they have not been given proper facilities for their studies etc. And those high officials sitting in the ivory towers they didnot care even to meet them. This is the attitude even when the political hands have been changed ; the bureaucratic machines have not changed and people cannot get any sort of benefit. And the present Govt. also has become a puppet in the hands of those bureaucrtas. Had it not been so perhaps this plan would not have been so formulated or chalked out. In the annual plan for 1979-80 there is nothing but loans. These people are there to give loans only and take their share ; they are for giving loans and subsidies and that is why no project has been mentioned here. They did not take any programme for building and at the same time. what I should say, demolish the whole structure and

whatever has been sought to be built. The Industry Department is no longer willing to own the responsibility for starting new industry and they are out to feed the private sector only and thereby they want to demolish the existing structure. Sir, this department of industry, either it shonld be ended Buended I if it is to bo kept it should be manned properly and a thorough overhauling is to be made. I have so much data with me that if sombody with some responsibility comes out then Assam can be rightly put on a good footing like Maharashtra and Tamil Nadu. Sir, here many of my friends and hon'ble members have sought to dilate upon the fact that the industries department is managed by a pack of heartless people and ambitous people who are only after thier own aggrandisement and this Janata Govt. must look into it and this department must not be a department for personal aggrandisement with these observations, Sir, I conclude.

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যোৱা কালিৰে পৰা এই উ:দ্যাগৰ সম্পৰ্কত এই পৱিত্ৰ সদনত যি সক্ৰিয় আলোচনা হৈছে ইয়াৰ দ্বাৰা আমাৰ এই উদ্যোগ বিভাগটো আগবঢ়াই নিয়াৰ কাৰণে যিটো পৰামৰ্শ দাঙি ধৰা হৈছে আমি আশা কৰিছো চৰকাৰে এই সম্পৰ্কত নিশ্চয় নীতি নিৰ্দ্দেশ দিব পাৰিব । আজি আমাৰ বাস্তৱ অভিজ্ঞতাৰ পৰা আমি দেখিবলৈ পাইছো যে আজি সমগ্ৰ ভাৰতবৰ্ষতে বিশেষকৈ

পাঞ্জাব, হাৰিয়ানা, আৰু দিল্লী আদি ঠাইত সেই অঞ্চলৰ যুৱক সকলে যেনেকৈ আত্ম সাহায্যমূলক বা অন্যান্য ভাৱে নিজকে স্বাৱলম্বি কৰাৰ পথ চিন্তা কৰি তেওঁলোকে উদ্যোগত ব্যস্ত হৈছে। কিন্তু আমাৰ অসম ৰাজ্যত প্ৰকৃত পক্ষে তাৰ এধানিমানো ৰূপ দেখিবলৈ পোৱা নাই। ইয়াৰ মূলত মই এইখিনিয়েই কব বিচাৰিছো যে আমাৰ যি সমাজ, আমাৰ যিটো চৰকাৰ এই চৰকাৰেই জগৰীয়া বুলি কব লাগিব। যিহেতুকে আজি আমাৰ যুৱকসকলৰ কাৰণে চৰকাৰে উদ্যোগ গঢ়িব পৰা পৰিবেশ গঢ়ি তুলিব পৰা নাই। আৰু গঢ়ি তুলিব নোৱাৰাৰ কাৰণেই আজি যুৱক সকল নিৰনুৱা হৈ আছে। আজি কৃষিৰ ক্ষেত্ৰত আমাৰ কৃষকসকলে অসম ৰাজ্যত জনগণক খুৱাবৰ কাৰণে যি শক্তি ব্যয় কৰিছে সেইখিনিয়েই যথেষ্ঠ নহয়। আৰু উদ্যোগৰ ক্ষেত্ৰত অসমবাসী, ৰাইজ বা অসম চৰকাৰে প্ৰকৃত-পক্ষে অসমৰ নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰাৰ কাৰণে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এইটো আমি সকলোৱে অনুভৱ কৰিব পাৰো। আজি উদ্যোগ গঢ়াৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যিটো লেহেম গতি চৰকাৰৰ যিটো অৱসাদগ্ৰস্ত নীতি দেখিবলৈ পাইছো আমাৰ অভিজ্ঞতা হৈছে এই চৰকাৰৰ দ্বাৰা উদ্যোগ গঢ়াৰ কাৰণে যি উত্সাহ-উদ্দিপনাৰ যোগান ধৰিব লগা হৈছে সেইটো কৰাত সন্তুৰপৰ হোৱা নাই। আমাৰ চৰকাৰে কৈছে মুঠ ৫ খন ঠাইত ডিষ্ট্ৰিক্ট ইণ্ডাষ্ট্ৰিয়েল চেণ্টাৰ গঠণ কৰা হৈছে। কিন্তু আজি এই ইণ্ডাষ্ট্ৰিয়েল চেণ্টাৰৰ যিবিলাক অফিচাৰ সেই অফিচাৰ সকলৰ উদ্যোগ গঢ়াৰ প্ৰতি আগ্ৰহ দেখিবলৈ পোৱা নাই। আমাৰ ডিষ্ট্ৰিক্ট ইণ্ডাষ্ট্ৰিয়েল চেণ্টাৰৰ অফিচাৰসকলে কেনেকৈ উদ্যোগ গঢ়িব বিচাৰিছে এই সম্পৰ্কত কোনো ব্যৱস্থা লোৱা দেখা নাই। সেইকাৰণে মই কব বিচাৰিছো— Let these officers convene a meeting of the non-official representatives of the people so that the representatives of the people can advise, suggest ways

and means for arganising small scale industries or organising entrepreneurial measures for solution of the unemployment problem atleast so that the youths may devote themselves to organise industries and other entrepreneurial measures. সেইকাৰণে এই ইণ্ডাষ্ট্ৰিয়েল অফিচাৰ বিলাক আগবাঢ়ি অহা নাই। উপাধ্যক্ষ মহোদয়, আমাৰ তিক্ত অভিজ্ঞতাৰ পৰা দেখা পাইছো এই উদ্যোগ বিলাক বিকাশ কৰাৰ কথা বাদেই দিয়ক আমাৰ অফিচাৰ সকলে দূৰত পলাই থাকে নিবনুৱা যুৱকসকলক তেওঁলোকৰ ওচৰলৈ গলেও উদাসিনতা প্ৰকাশ কৰে। তেওঁলোকে কেনে ধৰণে কামত আগবঢ়াই নিব তাৰ কোনো আমি আভাস নাপাওঁ। মই আমাৰ কোকৰাঝাৰৰ ইণ্ডাষ্ট্ৰিৰ চুপাৰিনটেনডেণ্ট অফিচৰ কাম কাজৰ সম্পৰ্কত কব বিচাৰিছো। তালৈ মই সাত দিনমান আগতে গৈছিলো। তাত গৈ দেখিলো মাত্ৰ এজন কেৰাণীয়ে কাম কৰি আছে। মই তেখেতক সুধিলো চুপাৰিনটেনডেণ্ট নাই নেকি? তেখেতে কলে নাই। মই সুধিলো বৰবাবু নাই নেকি? তেখেতে কলে বৰবাবুও নাই। মুঠতে তেখেতে ইয়াকে কলে যে "ময়েই চুপাৰিনটেনডেণ্ট, ময়েই বৰবাবু, ময়েই কোকৰাঝাৰৰ অফিচ।" এনেদৰে যদি এজন মানুহে এটা অফিচত কাম কৰে তেতিয়াহলে যুৱক সকলৰ কাৰণে কি কি কাম কৰিব লাগিব এই সম্পৰ্কত কি কথা তেখেতে কব পাৰিব? এই অফিচটোৰ অৱস্থা দেখি দুখ লাগে। যিবিলাক যুৱকক সহায় কৰিবলৈ ব্যৱস্থা কৰিছে এই যুৱক সকলক ইণ্ডাষ্ট্ৰিয়েল লোণ এডভাইচৰী বোৰ্ডে কি সহায় কৰিব? আগতে নিয়ম আছিল যে সদন চলি থকা অৱস্থাতে এই বোৰ্ডৰ মিটিং নাপাতে। আমি এই কথাত আপত্তি কৰাত তেখেতসকলে কলে যে ৩১ মাৰ্চৰ আগতে যিহেতু টকা বিতৰণ কৰিবলগীয়া হয় সেইকাৰণে এই সময়ত মিটিং পাতিব লগা হৈছে। সেইদৰে তেওঁলোকে দুজনমান অফিচাৰ বহি ইণ্ডাষ্ট্ৰিয়েল লোণৰ কথাটো

মীমাংসা কৰি আহিছে। আজি অকল ইণ্ডাষ্ট্ৰিয়েল লোণৰ কথাই নহয়। যুৱক সকলক আত্মনিয়োজনৰ কাৰণে কেনেকুৱা ধৰণৰ নিৰ্দ্দেশ দিব লাগে তেনে ধৰণৰ কথা তাত আলোচনা কৰিব নোৱাৰে আৰু অফিচাৰ সকলেও উদাসিন হৈ বহি থকাৰ কাৰণে উদ্যোগ গঢ়াৰ কাৰণে যি লোণ দিব লাগে সেই লোণ দিয়া দেখা নাই।

সেই ধৰণে আমাৰ নিবনুৱা যুৱক সকলৰ প্ৰতি অৱহেলা কৰা হৈছে। প্ৰকৃত পক্ষে নিবনুৱা যুৱক সকলক সহায় কৰাৰ কাৰণে পৰিবেশ যদি গঢ়ি তুলিব পৰা নাযায় তেতিয়াহলে সমাজত ভয়ংকৰ অৱস্থাৰ সৃষ্টি হব। ট্ৰাইবেল চাব প্লেনৰ দ্বাৰা ট্ৰাইবেল সকলৰ উন্নতিৰ কাৰণে ১৯৭৭ চনত আত্মনিযুক্তি থকা উদ্যোগ গঢ়ি তুলিবৰ কাৰণে টকা পইচা ধাৰ দিয়া যিটো ব্যৱস্থা হৈছিল সেই ব্যৱস্থাৰে টকা উইড্ৰ কৰি ইণ্ডাষ্ট্ৰি বিভাগে বা ডিৰেক্টৰ ইণ্ডষ্ট্ৰিয়ে হাতত ৰাখিছে আজিলৈকে সেই টকা নিবনুৱা যুৱকসকলৰ হাতত দিয়া নাই। অৰ্থাত ১৯৭৭ চনৰ আৰ্থ বছৰ-টোৰ টকা পৰি আছে। কমাৰ্চিয়েল ইষ্টেট গঢ়ি তোলাৰ কাৰণে টকা খৰচ কৰা হৈছে। কিন্তু আচলতে এই বিলাক বিজিনেচ এৰিয়া বা গ্ৰোথ এৰিয়াত হৈছে নে নাই সেইটো চাবলাগিব। ট্ৰাইবেল সকলক উদ্যোগৰ ক্ষেত্ৰত সুবিধা দিয়াত সম্পূৰ্ণ ব্যৰ্থ হৈছে। গতিকে যাতে ট্ৰাইবেল চাব প্লেনৰ টকাখিনিৰ সদ্ব্যৱহাৰ হয় তাৰ কাৰণে ইণ্ডাষ্ট্ৰি বিভাগে চকু দিব লাগে। কমাৰ্চিয়েল ইষ্টেট তৈয়াৰ কৰি দিয়া হৈছিল। কিন্তু মাত্ৰ কেই-খনমান ঠাইত কমাৰ্চিয়েল ইষ্টেট পাতি ট্ৰাইবেল যুৱক সকলক উন্নত কৰাৰ সামগ্ৰিক ৰূপ দিব নোৱাৰে। ইণ্ডাষ্ট্ৰি বিভাগে এই সম্পৰ্কে ভাৰি চাব লাগে। কটেজ ইণ্ডাষ্ট্ৰিৰ কাৰণে উৎপাদন কেন্দ্ৰ বহুত আছে। কোক-ৰাঝাৰ আৰু বিলাসীপাৰাতো আছে। মই বিলাসীপাৰাৰ কথাকে কওঁ। তাত থকা ঘৰটো উৰলি গৈছে। সম্পূৰ্ণ নষ্ট হৈ আছে। কোঅপাৰেটিভ উৎপাদন কেন্দ্ৰ শ্মশানশালী হৈ আছে। প্ৰকৃত পক্ষে ক'ত কিমান উৎ-

পন্ন হয় সেইটো জানি লব লাগে। সেইটো নোহোৱাৰ ফলত প্ৰকৃতাৰ্থত চৰকাৰৰ বা সমাজৰ কিবা উপকাৰত আহিছে বুলি ভাৱিব নোৱাৰি। গতিকে এই বিলাক ট্ৰেইনিং কাম প্ৰডাকশ্যন চেণ্টাৰ হিচাবে গঢ়ি তুলিব লাগে আৰু ইয়াৰ দ্বাৰা ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি জিলা বা মহকুমা বিলাকত অৰ্দ্ধশিক্ষিত বা শিক্ষিত যি সকল যুৱক আছে তেওঁলোকক হোৱাইট কলাৰ জব বিচৰাৰ পৰা অৰ্থাত চাকৰি বিচৰাৰ পৰা নিৰস্ত কৰি উদ্যোগমুখী কৰিবলৈ চেষ্টা কৰিব লাগে। তেওঁবিলাকক সেই মৰ্মে দিহা পৰামৰ্শ দিব লাগে। ইণ্ডাষ্ট্ৰি বিভাগ লুকাই নাথাকি ওলাই আহিব লাগে।

( সময়ৰ সংকত )

বিলাসীপাৰাত এটা চিগাৰেট ফেক্টৰী হোৱাৰ কথা আছিল কিন্তু আজিলৈকে একো হোৱা নাই। ৰাইজৰ মাজত হোৱা ভুল বুজাবুজিৰ অন্ত পেলাব লাগে। কম'পাৰেটিভ বা পাবলিক চেক্টৰত কৰিবৰ বাবে ইতিমধ্যে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত উদ্যোগ মন্ত্ৰীয়ে যাতে নজৰ ৰাখে ইয়াকে কৈ এইখিনি কথাকে ইণ্ডাষ্ট্ৰি বিভাগৰ কাৰণে পৰামৰ্শ হিচাবে আগবঢ়াই আমাৰ ফালৰ পৰা কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিছো।

শ্ৰীযোগেন গগৈ ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, সাধাৰণতে যদি আমি কোনো এটা বস্তুৰ স্কচল বিচাৰো তেনেহলে তাৰ সঁচ কেনে তাৰ ওপৰতহে নিৰ্ভৰ কৰিব। "সঁচ ছটিওৱাৰ ওপৰতেই নিৰ্ভৰ কৰিব ফচল"। অসমত তেনে ধৰণৰ উদ্যোগৰ ক্ষেত্ৰত কিমান টকা লৈছে তাৰ ওপৰত নিৰ্ভৰ কৰিব তাৰ কিমানখিনি বিকাশ সাধন কৰিব পৰা যায়। দাবী-মঞ্জুৰীৰ ক্ষেত্ৰত দেখা গৈছে যে যিমানখিনি টকাৰ প্ৰয়োজন সিমানখিনি লব পৰা নাই। ঠিক তেনেকৈ বৃহৎ শিল্পৰ ক্ষেত্ৰত আৰু গওঁ অঞ্চলত বিকাশৰ ক্ষেত্ৰত যিমানখিনি গুৰুত্ব দিব লাগিছিল প্ৰয়োজনৰ চাহিদা অনুসৰি

গুৰুত্ব পৰিব লাগিছিল সিমানখিনি পৰা নাই। গতিকে ইয়াৰ ওপৰত বিশেষ লক্ষ্য ৰখাৰ দৰকাৰ। মই উদাহৰণ স্বৰূপে কব খোজো যে আমাৰ ৰাজ্য খনত ডিগবৈ তেল কোম্পনী বিদেশীৰ হাতত আছে, অইল ইণ্ডিয়া বিদেশী পুজিপতিৰ হাতত আছে। চাহ উৎপন্ন হয় সিও বিদেশীৰ হাতত। একচেতীয়া পুজিপতীৰ হাতত বা প্ৰভাৱত আছে। এই বিলাক কেনেকৈ বিদেশী বা দেশী পুজিপতিৰ হাতত আছে কেনেকৈ একাধিপত্য চলিছে সেইটোৰ কাৰণে কেনেধৰণৰ ব্যৱস্থা লৈছে দেশত যে এটা পেৰেলেল চৰকাৰ গঢ়ি উঠিছে তাৰ কাৰণে ব্যৱস্থা হব লাগে। গতিকে এইসমস্যা বিলাকৰ প্ৰতি লক্ষ্য ৰখা দৰকাৰ। ডিগবৈ অইল কোম্পানী, অইল ইণ্ডিয়া, চাহ শিল্প, প্লাইউড ফেক্টৰি আদি জাতীয়কৰণ কৰিব লাগে তেতিয়াহলে জাতীয় অৰ্থনীতি উন্নত হব। আমি দেখিবলৈ পাইছো যে কয়লা তৈয়াৰ হয় আমাৰ ইয়াত কিন্তু প্ৰধান কাৰ্য্যলয় ( হেড অফিচ ) আছে বাহিৰত, চাহ উৎপাদন হয় আমাৰ ইয়াত, কাৰ্য্যালয় থাকে বাহিৰত এশ চাৰিটা। তেল উতপাদন হৈছে আমাৰ ইয়াত আৰু বাৰাউনিলৈ নি শোধন কৰিবলৈ ধৰা হৈছে। আমাৰ ইয়াত যিবিলাক কেচামাল আছে সেইবিলাকৰ ভিত্তিত উদ্যোগৰ বিকাশ কৰিব পাৰি নে তাক চাই লব লাগে আৰু তাৰ কাৰণে উপযুক্ত বাতাবৰণ সৃষ্টি কৰি অনুৰূপ ব্যৱস্থা লব লাগে। আমাৰ কেচামাল আৰু শ্ৰম শক্তিৰ সংযোগ সাধন হব লাগে। আমাৰ ইয়াত পোন্ধৰ লাখ যুৱক-যুৱতী নিবনুৱা হৈ আছে। সেই সকলৰ শ্ৰম-শক্তি এনেয়ে পৰি আছে। এই দুইটাৰ সংযোগ সাধন কৰিব লাগিব, "স্থানীয় সম্পদৰাজিৰ উদঘাটন কৰি শ্ৰমশক্তিৰ সমন্বয়ত উদ্যোগ বিকাশ সম্ভৱপৰ হৈ উঠিব।" নহলে সম্ভৱপৰ নহয়। সদৌ শেষত কব বিচাৰিছো যে যোৱা বছৰত বহুত টকা ঘুৰাই দিয়া হৈছে। একালে পৰিকল্পনা হাতত লোৱা হয় আনহাতে পৰিকল্পনাৰ কাৰণে দিয়া টকা ঘূৰাই দিয়া হয়। যদি খৰচ কৰিবই নোৱাৰি তেতিয়াহলে পৰিকল্পনাৰ মাধ্যমেৰে টকা বিচৰা হৈছিল কিয়? এই বিলাক ব্যতিক্ৰম

হৈছে । ঋণ দিয়াৰ ক্ষেত্ৰত চাব লাগিব যাতে ইয়াত ব্যৱসায়ী, ধনিকক টাটা বা লিলেণ্ড গাড়ী কিনিবলৈ ১ লাখ টকা পাৰ্যন্ত ঋণ দিয়া হয় কিন্তু গাওঁৰ সাধাৰণ এজনক সৰুকৈ শিল্প এটা কৰা বা দোকান এখন দিয়াৰ কাৰণে ঋণ দিয়াত পলম নহয় । সাধাৰণ ভাৱে আত্ম নিযুক্তি পোৱাৰ কাৰণে যাতে সুযোগ দিয়া হয় সেই কথালৈ উদ্যোগ বিভাগে নজৰ ৰাখিব লাগে আৰু সেইমতে কাৰ্য্যকৰী ব্যৱস্থা লব লাগে। আৰু কিছুমান নীতি লোৱা হৈছে, যে উদ্যোগৰ কাৰণে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয় । কিন্তু আমাৰ ইয়াত ১০ লাখ আন্দাৰ মেট্ৰিক নিবনুৱা আছে । আজি এই প্ৰশিক্ষণৰ কাৰণে মেট্ৰিকুলেট লাগে । গতিকে এই ১০ লাখৰ কি ব্যৱস্থা কৰা হব । সেই সকলক কোনো চাওঁতা নাই তেওঁলোকৰ বিষয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই । উদ্যোগ বিকাশৰ ওপৰত গুৰুত্ব দিব লগীয়া হৈছে । যিকেইটা উদ্যোগ আছে আজি সেই কেইটা ক্ৰমান্বয়ে মৃতপ্ৰায় হৈছে। গতিকে চৰকাৰে আজি ঠিক হব লগীয়া হৈছে । উদ্যোগ বিকাশৰ ক্ষেত্ৰত যি ধন দিব লাগে কেন্দ্ৰই দিয় নাই, আমিও দিব পৰা নাই । আৰু সেয়েহে পূজিপতি সকলে সুবিধা লৈ আছে। সেই সকলৰ হাতত সম্পদ কেন্দ্ৰীভূত হৈছেগৈ। এইবিলাক কথা ভালধৰণে লক্ষ্য কৰিব লগীয়া হৈছে । অসমত প্ৰচুৰ পৰিমাণে খাৰুৱা তেল ওলাইছে ইয়াৰ দ্বাৰা পূৰ্ণ পৰ্য্যায়ত আৰু এটা ওয় তেল শোধানাগাৰ হব পাৰে । কিন্তু আজি জাতিৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ ক্ষেত্ৰত উদ্যোগবিভাগে কিয় দায়িত্ব লব খোজা নাই, কিয় হেমাহী কৰিছে । সেই বিলাক চাব লগীয়া হৈছে। তাৰ পিচত আমাৰ শিৱসাগৰতেই চাওঁক গেছৰ অপব্যয় হৈছে। দিনে ৰাতিয়ে গেচ পুৰি জুই জ্বলি দিনে লাখ লাখ টকা নষ্ট হৈ গৈছে অথচ এই বিলাক বস্তুৰ দ্বাৰা আমাৰ বহুতো কল কাৰখানা তৈয়াৰ কৰিব পাৰিলোহেতেন। গেচ ভাৰকাইন কৰিব পাৰিলোহেতেন ? গতিকেই কেচামালৰ ভিত্তিত এটা

চাৰ্ভে কৰিব লাগে আৰু কেঁচা মালৰ ভিত্তিত কেনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰিব পাৰি সেইটো চাব লাগে। আৰু তাৰ দ্বাৰা কিমান লোকক মকৰল কৰিব পাৰি সেইটো চাব লাগে। তাৰ পিচত এই ট্ৰেড ইউনিয়ণ বিলাকক যিধৰণে গণতান্ত্ৰিক অধিকাৰ দিব লাগে সেইবিলাক দিয়া হোৱা নাই। মেনেজমেণ্টৰ যি ব্যৱস্থা হব লাগে তাৰ কোনো সুব্যৱস্থা কৰা হোৱা নাই শ্ৰমিকৰ প্ৰতিনিধিৰ লগত আলোচনাৰ সুযোগ নিদিয়ে। অ' এন, জি, চৰ এটা পুৰণা AITUCৰ এচোচিয়েশচন আছে আনকি জৰুৰী কালিন সময়ত কাৰ্য্যকৰী সমিতিৰ সদস্যক ধৰি শিৱসাগৰ পুলিচ থানাত স্মুমুৰাই থয়, তাত পুলিচৰ জোৰ জুলুম চলি আছে, সেইবিলাক কথা আমি ভালদৰে লক্ষ্য কৰিব লগীয়া হৈছে। মেনেজমেণ্টে বিষয়া সকলৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে কিন্তু যি সকলে প্ৰকৃততে উৎপাদনৰ কামত লাগি আছে আৰু উৎপাদন কৰি আছে সেই সকলৰ ওপৰত কোনো গুৰুত্ব দিয়া দেখা নাই, অফিচিয়েল ওৱৰ্কছৰ ওপৰত বেছি নজৰ দিয়া দেখা যায় শ্ৰমিকৰ ওপৰত কোনো গুৰুত্ব নিদিয়াৰ কাৰণ হ'ল যাতে তেওঁলোকে আগবাঢ়ি যাব নোৱাৰে, কেৱল উৎপাদনৰ কামতহে লাগি থাকিব লাগিব। তেওঁলোকক পিছপেলাই ৰখা হৈছে। আমি আৰু এটা নতুন উদ্যোগ গঢ়িব পাৰো। সেইটো হ'ল এড়ী মুগা, আৰু পাটৰ লগত সম্পৰ্ক ৰাখি, ইয়াৰ মানদণ্ড ভাৰতবৰ্ষৰ ভিতৰতে উৎকৃষ্ট হব পাৰে আৰু বিদেশতো ইয়াৰ আদৰ বাঢ়িব, এতিয়া আমি টেৰোলিনৰ লগত সংযোগ কৰি মুগা এড়ি বা পাটৰ লগত লগলগাই আমি নতুন ধৰণৰ এটা প্ৰদাক্ট কৰিব পাৰিম, সেইটোয়ে সকলোৰে পৰা আদৰ পাব আৰু লগতে বাহিৰৰ বজাৰো পোৱা যাব।। মই আশাকৰো উদ্যোগ বিভাগে এই বিষয়ত গুৰুত্ব দি আমাৰ ৰাজ্যখনক শিল্পায়ন কৰি তোলাত আগবাঢ়ি যাব পাৰিম।

কেন্দ্ৰীয় চৰকাৰক উদ্যোগ বিকাশৰ ক্ষেত্ৰত সহযোগিতা পোৱাৰ

কাৰণে আৰু যাতায়ৰ অসুবিধা হল বুলিয়েই যে উদ্যোগ বিকাশৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ পৰা সুবিধা পোৱা নাযাব তেনে দুর্বল নীতিকে আমি প্রশ্রয় নিদি উদ্যোগ বিকাশৰ ক্ষেত্রত আগবাঢ়ি যাবৰ কাৰণে অনুৰোধ জনায় কর্তন প্রস্তাৱ সমর্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্রীফনী মেধীঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ উদ্যোগ বিভাগটো ফাচিবজাৰত চোৰ্মত সজাই থোৱা তিৰোতাগৰাকী নিচিনা হৈছে। উদ্যোগৰ বিষয়ে সদনত বহু কথাই কোৱা হল আৰু উদ্যোগ বিভাগৰ বহুতো কিবা কিবি কৰা হল, কিন্তু মূল কথাটো হল। আমাৰ দেশখনত জনসাধাৰণৰ ক্রয়-ক্ষমতা একেবাৰে নাই। যেতিয়ালৈকে এই ক্রয়-ক্ষমতা লাভ কৰিব নোৱাৰে তেতিয়ালৈ উদ্যোগৰ কথা কেনেকৈ আহিব পাৰে। মুল বেমাৰটো চিকিৎসা নকৰিলে কেনেকৈ বেমাৰ নিৰাময় হব। আমাৰ শতকৰা ৮০ জন মানুহৰ ক্রয়-ক্ষমতা নথকা অৱস্থাত উদ্যোগ কেনেকৈ গঢ়ি উঠিব। গতিকেই আজি মূল প্রশ্নটো হল ভূমি সংস্কাৰ কৰিব লাগে। যেতিয়ালৈকে ভূমি সংস্কাৰ কৰি ভূমিহীনক মাটি নিজাকৈ দিয়া নহয় আৰু উদ্ধৃত্ত মাটি খিনি নিজাকৈ দিয়া নহয় তেতিয়ালৈকে ক্রয়-ক্ষমতা বৃদ্ধি নহব। এই ক্রয়-ক্ষমতা বৃদ্ধি নহলে উদ্যোগীকৰণৰ সম্ভাৱনা খুব কম। আৰু ইয়াৰ কাৰণে বজাৰৰ যি প্রয়োজন সেইটোৰ ওপৰতো গুৰুত্ব দিব লাগিব। উপাধ্যক্ষ মহোদয়, আজি আমাৰ ইয়াত বেকাৰ সদস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ১৫ লাখ বেকাৰে চাকৰি বিচাৰি হাবাথুৰি খাই ফুৰিছে। আনহাতেদি আমি দেখিছো স্কুল-কলেজৰ পৰা পাচ কৰি ওলাই অহা নিৰনুৱা সংখ্যা আৰু বাঢ়ি গৈছে আৰু নিৰনুৱা তৈয়াৰ কৰা এটা যন্ত্র হৈ পৰিছে। এইদৰে নিৰনুৱা তৈয়াৰ হৈয়ে থাকিব নেকি? যেনেকৈ কাগজ কলত বাহ সুমুৱাই দি কাগজ ওলোৱা হয় তেনেকৈ স্কুল-কলেজৰ পৰা নিৰনুৱা তৈয়াৰ হৈ

আছে। সেয়েহে বেকাৰ সমস্যা সমাধান কৰিবলৈ উদ্যোগীকৰণ কৰিব লাগিব। আৰু উদ্যোগীকৰণ কৰিবলৈ হলে আজি ভূমি সংস্কাৰৰ ৰেডিকেল চেইঞ্জ হব লাগিব। শতকৰা ৮০ জন মানুহৰ ক্রয়-ক্ষমতা আহিব লাগিব। দেশী বিদেশী পুজিপতি সকলে যিবিলাক বস্তু তৈয়াৰ কৰিছে তেওঁ-লোকৰ উৎপাদিত বস্তু বিলাক সাধাৰণ শ্রেণী মানুহৰ কাৰণে তৈয়াৰী নহয়। লাইচেন্স লৈ তেওঁলোকে শতকৰা ৯০ ভাগ মানুহৰ কাৰণে বস্তু উৎপাদন কৰা কথা আৰু ১০ ভাগ বিদেশলৈ, কিন্তু প্রকৃত পক্ষে দেখা গৈছে এই পুজিপতি সকলে শতকৰা ৯০ ভাগ বাহিৰলৈ পঠিয়া-ইছে আৰু ১০ ভাগহে সাধাৰণ মানুহৰ কাৰণে হৈছে। সেইকাৰণেই আজি সামান্য এটা গেঞ্জিও সাধাৰণ মানুহে ৬/৭ টকাত কিনিব লগীয়া হৈছে। এই পুজিপতি সকলে আজি বিদেশী বজাৰৰ পৰা বস্তু লৈ লেন-দেন কৰি আছে। আৰু ইয়াৰ কেচামাল সামগ্রী লৈ উদ্যোগ গঢ়ি-তাৰ মুনাফাটো নিজ নিজ দেশলৈ পঠিয়াই দিছে। আকৌ ৩ টা উদ্যোগ কৰি কেচা মাল বাহিৰৰ পৰা আনি বিদেশী মুদ্রা অর্জন কৰিছে। আমাৰ ৰাজহ তাত বিনিয়োগ কৰিছে। কিন্তু উদ্যোগৰ যি মুনাফা সি বিদেশলৈ গুচি গৈছে। এইধৰণৰ লেন-দেন চলি থাকে। আৰু ষড়যন্ত্র চলি থাকে তেতিয়াহলে আমাৰ ৰাজ্যত উদ্যোগ বিকাশ কৰ পৰা হব। আজি যি কেইটা উদ্যোগ বিকাশ হৈছে তাৰ চাবি কাঠি বিদেশীৰ হাতত আছে। আমাৰ দেশত যি এটা সামান্য স্ক্রু তৈয়াৰ কৰা হয় তাকো বিদেশীয়ে লৈ যায়। এই স্ক্রু ইয়াত তৈয়াৰ হয় কিন্তু ইয়াত ব্যৱহাৰ কৰা নহয়। এই স্ক্রু এটা তৈয়াৰ কৰিবৰ কাৰণে বাহিৰৰ পৰা ইঞ্জিনীয়াৰ আহে, কাৰীকৰ আহে আৰু সেই সকলক পোহপাল দিব লাগে আমাৰ চৰকাৰে। এই দৰেই আমাৰ দেশৰ পৰা টকা-পইচা আনে লৈ যায়। অসমত সৰু বা মজলীয়া ধৰণৰ উদ্যোগ গঢ়ি উঠাত এটা ষড়যন্ত্র চলিছে। সেইদৰে এ, আই, ডি, চিৰ ২৪ টা উদ্যোগৰ ভিতৰত মাত্র ৩

টাহে আছে। বাকীবোৰ উদ্যোগ এটাৰ পিছত এটা কৈ উদ্যোগ মৰি গৈছে। এই উদ্যোগ বিলাক কিয় মৰে, তাৰ কাৰণে অসম চৰকাৰে কোনো ৰক্ষণাবেক্ষণ নলয় বা কোনো আৱশ্যকীয় তথ্য পাতি বিচাৰি চাবলৈ প্ৰয়াস নকৰে। আজি প্লাচ ফেক্টৰী বন্ধ হৈ গৈছে, কিন্তু বেনামী ভাবে প্ৰায়ভেটকৈ এই প্লাচ ফেক্টৰী চলি আছে। গতিকেই আমাৰ সন্দেহ হৈছে ইয়াত নিশ্চয় এটা ষড়যন্ত্ৰ চলি আছে। অসমৰ পেপাৰ মিলৰ কাৰণে যিবিলাক কেচা সামগ্ৰী বাহিৰৰ পৰা অনা হয় আচলতে আমাৰ ৰাজ্যৰ ভিতৰতে পোৱা যায়, কিন্তু বাহিৰৰ পৰা অনা কাৰণে লাখ লাখ টকা বাহিৰলৈ গৈ আছে আৰু ইয়াৰ পৰা যিটো লাভ হৈছে তাৰ মুনাফা আনে লুটি লৈ গৈছে। এই ষড়যন্ত্ৰৰ লগত বুৰোক্ৰেটিক সকলো নিশ্চয় জৰিত থকা বুলি আমি সন্দেহ কৰিব পাৰো। গতিকে মই চৰকাৰ তথা বিভাগীয় মন্ত্ৰী মহোদয়ক এই ম'ন'পলি মনোভাবৰ কাৰণে সজাগ হ'বলৈ অনুৰোধ জনালো। অসম চৰকাৰৰ যদি ঘুম নেভাঙে ভাৰতৰ লগতে অসমতো উদ্যোগীকৰণৰ ক্ষেত্ৰত গুৱাহাটীৰ ফাচী বজাৰৰ চোকেচৰ মাজত থকা তিৰোতাজনীৰ দৰে হ'বগৈ।

উপাধ্যক্ষ মহোদয়, আজি প্লাইউদৰ ক্ষেত্ৰত অসমৰ কোনো লাভ হোৱা নাই আৰু চাহৰ ক্ষেত্ৰতো তেনেকৈ লাভ হোৱা নাই। গতিকে মই অসম চৰকাৰক অনুৰোধ জনাওঁ যাতে কেন্দ্ৰীয় চৰকাৰক ১০ বছৰৰ কাৰণে চাহৰ পৰা পোৱা টেক্স দিয়াটো বন্ধ কৰিব লাগে। আৰু এই টকাটো আনি আমাৰ উদ্যোগৰ কাৰণে লগাব লাগে। তেতিয়াহে অসমক উদ্যোগৰ ক্ষেত্ৰত আগবঢ়াই নিব পাৰিব। তাৰোপৰি অসমৰ ৬শ ৫৭ খন চাহ বাগিচাৰ মুল অফিচবোৰ কলিকতাতেই আছে। ইয়াৰ পৰা বছৰি ৪শ কোটি টকাৰ চাহ বিদেশলৈ ৰপ্তানি কৰে আৰু ইয়াৰ পৰা যিটো চেলচ টেক্স পাই সেইটো কেন্দ্ৰীয় চৰ-

কাৰৰ হাতলৈ যায়, অসমৰ কোনো লাভ নহয়। যি বিলাক চাহ নিলাম কেন্দ্ৰৰ হেড্ অফিচ অসমৰ বাহিৰত আছে, সেইবোৰ সোনকালে অসমলৈ অনাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি চাহ বাগিচা বিলাকত কাম কৰা শ্ৰমিক সকলৰ কাৰণে ষ্টেটুটৰী আইন থকা স্বত্তেও তেওঁলোকে ৩ টকা, ৪ টকা হাজিৰা কাম কৰি জীয়াই থাকিব লাগে। গতিকে মই ওৱেল ফেয়াৰ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো যাতে এই শ্ৰমিক সকলে শ্ৰমৰ প্ৰকৃত মৰ্য্যদা পায়। কামৰূপ ফ্লুৰ মিলৰ শ্ৰমিক সকলে তেওঁলোকৰ প্ৰাপ্যৰ কাৰণে দাবী কৰি যি ধৰ্ম্মঘট কৰিছে, তাৰ প্ৰতি চৰকাৰে অবজ্ঞা কৰি থকাটো অন্যায় হৈছে। গতিকে মই উদ্যোগ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ যে দেশৰ গণতান্ত্ৰিক অধিকাৰৰ পৰিপ্ৰেক্ষিতত এই শ্ৰমিক সকলে যাতে জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিব নেলাগে তাৰ প্ৰতি চৰকাৰে দৃষ্টি ৰাখক। গতিকে আমি আশা ৰাখিছো শ্ৰমিক সকলৰ কল্যাণৰ কাৰণে জনতা চৰকাৰে নিশ্চয় চেষ্টা কৰিব।

উপাধ্যক্ষ মহোদয়, উদ্যোগীকৰণৰ ক্ষেত্ৰত মোৰ বহু কথা কব লগীয়া আছে, কিন্তু সময়ৰ অভাৱ কাৰণে মই আৰু এটা বিশেষ কথা কৈ সামৰিম। সেই বিষয়টো হৈছে, অসম চৰকাৰে যাতে বিদেশী পুজিপতি সকলৰ লুণ্ঠন কাৰ্য্য বন্ধ কৰে আৰু উদ্যোগীকৰণৰ নীতিৰ আমোল পৰিবৰ্ত্তন কৰে তাৰ বাবে চৰকাৰৰ ওচৰত অনুৰোধ জনালো। অসমত আজি ৫ টা ইণ্ডাষ্ট্ৰিয়েল ডিষ্ট্ৰিক চেণ্টাৰ খোলা হৈছে। কিন্তু এই চেণ্টাৰ বিলাকত কি ঘটিব কি নঘটিব তাৰ কোনো নিৰ্দ্দেশ আমি নেপাওঁ। এই ইণ্ডাষ্ট্ৰি বিলাকত হাতী হ'ব নে, গাড়ী হ'ব নে, মানুহ তৈয়াৰ হ'ব তাৰ কোনো পাত্তা আমি নেপাওঁ। গতিকে ইণ্ডাষ্ট্ৰিয়েল চেণ্টাৰ স্থাপন কৰাৰ কাৰণে যি নীতি গ্ৰহণ কৰিছে তাৰ এখন প্ৰচাৰ প্ৰ-পত্ৰিকা কৰি প্ৰচাৰ

কৰক, তেতিয়াহে জন সাধাৰণক আমি এই বিষয়ে বুজাব পাৰিম।

উপাধ্যক্ষ মহোদয়, এটা কথা মই কব বিচাৰিছো যে গুৱাহাটীত ১১ টা টাইয়াৰ কোম্পানী আছে। এই টাইয়াৰ কোম্পানীয়ে শতকৰা ১২ পাৰ্চেণ্ট চেলস্ টেক্স চৰকাৰক দিব লাগে কিন্তু যিহেতু অৰুণাচল, মিজোৰাম আদিত এই টেক্সফ্রি হয় কাৰণে সেই সেই ৰাজ্যত এই টাইয়াৰ কোম্পানীয়ে বিক্ৰী কৰে আৰু মিছা ভাওচাৰ দেখুৱাই অসমৰ ভিতৰতে বিক্ৰী কৰি লাভৰ মুনাফা লয় অৰু ফলস্বৰূপে আমাৰ চৰকাৰে ফাইনেন্সৰ ফালৰ পৰা বহুতো লোকচান ভৰিব লগা হয়। গতিকে চৰকাৰক অনুৰোধ জনালো, যাতে এইবোৰ কোম্পানীয়ে এই অবৈধ ব্যৱসায় বন্ধ কৰে তাৰ বাবে চোকা নজৰ দিয়ে। তাৰোপৰি বিদেশী কোম্পানীয়ে ২ শ বছৰ লুণ্ঠণ কৰি আহিছে আমাৰ চাহৰ ক্ষেত্ৰত। গতিকে চৰকাৰে সেইবোৰ বাজেয়াপ্ত কৰি চৰকাৰে নিজৰ হাতলৈ ঘুৰাই আনিব লাগে। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীচিৰাজুল হক :— মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ ইণ্ডাষ্ট্ৰি বিভাগৰ পৰা কিছু ঋণ বিতৰণৰ ক্ষেত্ৰত দেখিলো চাইকেল ৰিপেয়াৰিং বা ৰেডিঅ' ৰিপেয়াৰিং ইত্যাদি ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লৈছে। কিন্তু বৰ্ত্তমান চাইকেল ৰিপেয়াৰিং বা ৰেডিঅ' ৰিপেয়াৰিং পদ্ধতি দেখি আগৰ উদ্যোগৰ সংজ্ঞা পাহৰি গৈছে। আজি উদ্যোগৰ কাৰণে বেচি জাক জমকতা দেখা গৈছে আৰু প্ৰত্যেক জন সদস্যই উদ্যোগীকৰণৰ কাৰণে নানা ধৰণৰ পৰামৰ্শ আগ বঢ়াইছে। ইয়াৰ কাৰণ এয়েই নিহিত হৈ আছে যে আমি যেতিয়াই বাহিৰলৈ যাওঁ তেতিয়াই নিবনুৱা সমস্যাই জুৰুলা জুপুৰা কৰে। আমি দেখিছো যে কেৱল চাকৰিৰ দ্বাৰা নিবনুৱা সমস্যা দূৰ কৰিব নোৱাৰি, সেয়েহে উদ্যোগীকৰণৰ যোগেদি নিবনুৱা সমস্যা দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, এই উদ্যোগীকৰণৰ ক্ষেত্ৰত কি ধৰণৰ উদ্যোগ অসম চৰকাৰে প্ৰতিষ্ঠা কৰিব বিচাৰিছে তাৰ কোনো নিৰ্দ্দিষ্ট সংজ্ঞা আমাক দিয়া নাই। যদি গাওঁত কিবা উদ্যোগ প্ৰতিষ্ঠা কৰিব বিচাৰিছে আৰু লাভজনক কৰিব খুজিছে আৰু ফৰেইনৰ পৰা যন্ত্ৰপাতি আনিব খুজিছে সেই বিলাকৰ পৰা আমাৰ সৰু সুৰা উদ্যোগী সকল কিমান লাভ কৰিব পাৰিব তাত বিশ্বাস নাৰাখোঁ। সেই কাৰণে আজি বহু-দিনৰ পৰা আমাৰ ৰাইজে, আমাৰ সদনে এইটো বিচাৰিছে যে ইয়াত ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা হওঁক। আৰু এই ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ কাৰণে মহাত্মা গান্ধীৰ যি সদ ইচ্ছা আৰু ইচ্ছাৰ কথা কৈ বহুতে শ্লোগান শুনাই আহিছে। কিন্তু তেনে পদক্ষেপ লোৱাৰ কোনো কথাই দেখা নাই। আগতে যি অলপ হৈছিল কিন্তু আজি এবছৰে এবো হোৱা নাই। অল-পতে উদ্যোগ মন্ত্ৰী উদ্যোগ উদ্বোধন কৰিবলৈ বৰপেটালৈ গৈছিল উদ্যোগ পতি শ্ৰীৰঞ্জিত বৰুৱাই প্ৰতিষ্ঠা কৰা উদ্যোগ উদ্বোধন কৰিবলৈ গৈ অসমৰ উদ্যোগীক যি নীতি সেই নীতিৰ নজাৰ বৰপেটাৰ এই অনুষ্ঠানত আমি শুনিছো আৰু শুনি আমাৰ ধাৰণা হৈছে আগৰ দৰেই যোৱা এবছৰেও আমি উদ্যোগ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কোনো অগ্ৰগতি দেখা নাই। উপাধ্যক্ষ মহোদয়, মই এটা কথা চৰকাৰক জনাব খুজিছো যে আমি দেখিছো কিছুমান উদ্যোগৰ প্ৰতি আমাৰ ইচ্ছা বা সদ ইচ্ছা থকা স্বত্বওে আৰু চৰকাৰে উদ্যোগৰ ক্ষেত্ৰত নানা ধৰণৰ কথা কোৱা স্বত্বেও উদ্যোগৰ কাৰণে আমাৰ শিক্ষিত যুৱক সকল আগবাঢ়ি অহা দেখা নাযায় এই কাৰণেই যে চৰকাৰে আমাৰ নিবনুৱা সকলক শিক্ষিত কৰাৰ বা ট্ৰেইন্দ কৰাৰ ব্যৱস্থা নকৰে। আৰু আনহাতে কিছু-মান ক্ষেত্ৰত চাবোন প্ৰস্তুত কৰাৰ পদ্ধতি, বেজী বনোৱাৰ পদ্ধতি সূতা তৈয়াৰ কৰা পদ্ধতি আদিত ট্ৰেইনিং লৈ পাছ কৰা সত্তেও এই যুৱক সকলক কামত লগোৱা নাই। আমাৰ বৰপেটাৰ [কিছুমান

শ্ৰীগোলোক ৰাজবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, ভোট অন ডিমাণ্ডৰ মাত্ৰ কেইটামান গ্ৰাণ্টৰ বিষয়ে আলোচনা হ'ল বাকী বহুত বিষয় আলোচনা নহোৱাকৈয়ে শেষ হৈ গ'ল। বৰ্ত্তমান যিটো সময় ধাৰ্য্য কৰা হ'ল এই সময়খিনিৰ ভিতৰত এই গোটেই বিষয়বিলাক আলোচনা কৰা সম্ভৱ নহব। সেই কাৰণে সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত আৰু দুই এটা বিষয়ত তুষাৰমান কব খুজিছো। পালিয়ামেণ্টৰী ফৰম অব গভৰ্ণমেণ্টত চৰকাৰ বদলি হোৱাটো আৰশ্যক। কংগ্ৰেছ পাৰ্টিয়ে ৩০ বছৰ ৰাজত্ব কৰিলে আৰু সেইটো ইতিহাসত লিখা থাকিব। পালিয়ামেণ্টৰী ডেমক্ৰেচী-মতে এই চৰকাৰ বহুতদিন আগতেই পৰিবৰ্ত্তন হব লাগিছিল। যি গণতন্ত্ৰক বিশ্বাস কৰে তেওঁলোকে নিশ্চয় স্বীকাৰ কৰিব যে এই ক্ষেত্ৰত বিৰোধী দল ব্যৰ্থ হৈছে যিহেতু আগতেই চৰকাৰ গঠণ কৰিব নোৱাৰিলে। কিন্তু যেতিয়াই বিৰোধী পক্ষই চৰকাৰ দখল কৰে জনসাধাৰণে এটা কথা ই চাই যে এই চৰকাৰ আহি আগৰ চৰকাৰৰ তুলনাত এই চৰকাৰে ভাল কাম কৰিব লাগিব। কিন্তু দুৰ্ভাগ্যবশত জনসাধাৰণৰ মনত এটা ভাবেহে দেখা দিছে যে যোৱা ৩০ বছৰে কংগ্ৰেছে যিমানখিনি বেয়া কাম কৰিব নোৱাৰিলে যোৱা এবছৰতে জনতা চৰকাৰে সেই খিনি বেয়া কাম কৰিলে। এইটো বৰ সুখৰ খবৰ বুলি নকও। কাৰণ যদি চায় কংগ্ৰেছ থাকিল আৰু জনতা ব্যৰ্থ হৈছে। ৰাইজে আজি কিহৰ ইঙ্গিত দিয়ে ? যি সকলে সংসদী গণতন্ত্ৰত বিশ্বাস কৰে তেওঁলোকে নিশ্চয় বুজিছে যে এয়া সাবধানবানী প্ৰত্যাহ্বান। সেই কাৰণে সকিয়াই থৈছো চৰকাৰ বদলি কৰাটো ডাঙৰ কথা নহয়, এয়া আপোনালোকৰ আৰম্ভণী মাত্ৰ আমি আশা কৰিছো কোনো ৰকমে পাচ বছৰ আপোনালোক থৰক বৰক কৈ জীয়াই থাকক। মৰিবলৈ নিদিওঁ। কিন্তু আমাৰ সন্দেহ হৈছে আপো-

নালোকে নিজে আত্ম-ঘাটী হব বিচাৰিছে। উপাধ্যক্ষ মহোদয়, বহুত মাননীয় সদস্য আছে যি জনতাৰ ফালেও চায় আৰু সিফালেও চায় আৰু নিৰ্ব্বাচনৰ সময়ত পোষ্টাৰ ষিখন মাৰে কোনোবাই কয় মই জনতা প্ৰাৰ্থীৰ, অন্যজনে বয়ে মই জনতাৰ প্ৰাৰ্থী। আমাৰো তেনে হৈছে। মই সকিয়াই দিব খজিছো তেখেতসকলৰ যদি গণতন্ত্ৰত বিশ্বাস আছে ভাল বেয়া কেইটামান কথাৰ দৃষ্টি আকৰ্ষণ কৰিম। ডাঙৰ কথা হৈছে নীতি সম্পৰ্কে। ৰাইজে যিহেতু নীতি সম্পৰ্কে অসন্তুষ্টি প্ৰকাশ কৰিছে তাৰ পৰিবৰ্ত্তনৰ কাৰণে ভাল নীতি লব লাগে।

প্ৰথম কথা হৈছে নিয়ম সম্পৰ্কে. ৰাইজে যিটো নিয়ম বেয়া বুলি কৈছে, অসন্তুষ্ট হৈছে তাৰ পৰিবৰ্ত্তে এটা ভাল নিয়ম কৰিব লাগে। এই বাজেট খনত যিখিনি টকা দিছে এই টকা অহা বছৰ শেষ হব লগা সময় খিনিলৈকে দিয়া হৈছে। দুই বছৰ পাৰ হৈ গল, কিন্তু যদি এজন মন্ত্ৰীয়ে কয় আমি আগৰ নীতিকে মানি লৈছো তেনেহলে আমাৰ কবলৈ আৰু বাকী নাথাকিল। যদি সেইটোৱেই হয় তেন্তে ৩০ বছৰীয়া কংগ্ৰেছী শাসনক গালি পাৰি থকাৰ অৰ্থ কি? ৩০ বছৰীয়া শাসনক দোষাৰোপ কৰাৰ কথাটো কি? মই বুজি নাপাওঁ, কিন্তু জনসাধাৰণে বুজি পায়। সেই কাৰণে যদি তেখেত সকলে জনসাধাৰণক এটা সুস্থ-সবল চৰকাৰ দিব খুজিছে তেন্তে কি ভাল নিয়ম আছে মোনাৰ পৰা উলিয়াব লাগে যাতে এই চৰকাৰে ভাল কাম কৰিছে বুলি ৰাইজে কয়। তেনে কৰিব পাৰিলে ৩০ বছৰ কিয় অনেক বছৰ থাকক আৰু দেশৰ ভাল কৰক। ইলেকশ্যনৰ সময়ত এটা আৱাজ দিছিল আৰু প্ৰসৰ কৰিলে-দশমমান শ্ৰেণীলৈকে মাচুল মাফ দি, দহ বিঘালৈকে মাটিৰ খাজনা মাফ দি আৰু চিকিৎসাৰ ক্ষেত্ৰত চাবি অনা পইচা ৰেহাই দি। এই পলিচি সম্পৰ্কে

জনতা চৰকাৰে কি নিয়ম সব খুজিছে আমাক স্পষ্টকৈ জানিবলৈ দিব লাগে য'তে আমি বুজিব পাৰোঁ নাইবা কব পাৰোঁ যে এটা ভাল চৰকাৰ আহিছে।

মোৰ দ্বিতীয় কথা হৈছে— জনতা চৰকাৰে যিদিনা প্ৰথম শপত গ্ৰহণ কৰিলে তেতিয়া গান্ধীজীৰ মূৰ্ত্তিৰ ওচৰত আমি গান্ধীজীৰ আদৰ্শ মতে দেশখন শাসন কৰিম। উপাধ্যক্ষ মহোদয়, সেই সময়ত শপত গ্ৰহণ নকৰি শাসনৰ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেইটো বিশ্লেষণ কৰিহে আমি মন্তব্য দিম। কিন্তু তাৰ পিচ দিনাৰ পৰা মন্ত্ৰী সকলে ঘৰ বঢ়োৱাত লাগি গল। মুখ্যমন্ত্ৰী এতিয়া নাই, তেখেতৰ ঘৰত বোলে ৬ টা পাইখানাৰ ব্যৱস্থা হৈছে।

( ধনী—আপুনি গৈছে নেকি ? )

যোৱা নাই, শুনিছোঁ, নহয় যদি বুলি কওক। যোৱা বছৰ বাজেটৰ সময়ত এই কথাটো উল্লেখ কৰা হৈছিল। আগৰ নিয়মবোৰ অদল বদল কৰি লৈ তেখেত সকল কেনেকৈ গান্ধিয়াল হব খুজিছে মই কব নোৱাৰোঁ। আৰু কিছুমান কথা আমি দেখিছো—আমাৰ মন্ত্ৰী সকলে গাড়ী এখনেই লৈছিল কিন্তু এতিয়া দেখিছো মন্ত্ৰী সকলৰ এজনৰ নামত দুই তিনিখন গাড়ী ইচু হয়। খুলশালী, ভাগিন, আৰু শালপতিৰ কাৰণে, সঞ্জয় আকাৰৰ বহু মানুহ আহি মাজে মাজে সোমাই আৰু মন্ত্ৰী সকলে যদি মন্ত্ৰী হৈ এই সকলক এখন গাড়ী দিব নোৱাৰে তেন্তে বৰ দুখৰ কথা।

শ্ৰীসোণেশ্বৰ বৰা:— উপাধ্যক্ষ মহোদয়, মই হলে এতিয়াও লোৱা নাই।

শ্ৰীগোলক ৰাজবংশী— উপাধ্যক্ষ মহোদয়, ভাল মানুহক ভাল বুলিয়েই কব লাগিব। কিন্তু এনে মন্ত্ৰীও আছে যাৰ নামত ইয়াত গাড়ী ইচু হয় আৰু তেজপুৰত গৈ গাড়ী ঘুৰি ফুৰে। আজি কালি মন্ত্ৰী সকলে এটা বুদ্ধি কৰিছে গাড়ীত ৰঙা লাইটটো খুমুৰাই লয়, এইবিলাক হিচাব কিন্তু মানুহে ৰাখে।

শ্ৰীসোণেশ্বৰ বৰাঃ— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী হোৱাৰ পিচতেই ৰঙা লাইট উঠাই লৈছোঁ।

শ্ৰীগোলক ৰাজবংশীঃ— এনেকুৱা মন্ত্ৰীও আমি দেখিছোঁ যাৰ ঘৰত আগতে আমি শুকান ৰুটি খাই পাইছিলো আৰু মন্ত্ৰী হোৱাৰ পিচত যদি ডাঙৰ ডাঙৰ ৰসগোলা খাবলৈ পোৱা হয় তেন্তে সাধাৰণতে মনলৈ এফোটা সন্দেহ আহে। অৱশ্যে যি সকলৰ ইনকাম বেছি—গৰ্গেডেউৰ দৰে মন্ত্ৰীৰ কথা বেলেগ। এইবিলাক কথাৰ পৰা গান্ধীজীৰ আদৰ্শ মানিছে নে নাই সেই কথা প্ৰমাণ হয়। এই ক্ষেত্ৰত শপত লব নালাগে, বক্তৃতাও দিব নালাগে। মোৰ আন এটা হল মন্ত্ৰী সভাৰ দায়িত্ব লোৱা মন্ত্ৰী সকলৰ কোন ভাল; কোন বেয়া, আৰু কোন বিচক্ষণ সেইটো আমি বিচৰা নাই। কিন্তু উপাধ্যক্ষ মহোদয়, মন্ত্ৰী সকল এই দলত থাকোঁতে সদায় এটা কথা কৈছিল—ফিটা কটা মন্ত্ৰী, আৰু এই বুলি সমালোচনা কৰিছিল। এতিয়া কেইজনমান মন্ত্ৰীৰ ফাইলেই নাই, গাৱলৈ গলে মানুহ জগাই জগাই বিচিভ কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আপুনি দেখিছে কেবিনেট মন্ত্ৰীতকৈ পাৰ্লিয়ামেণ্টৰী সদস্য হে টি, এ, বেছি হৈছে। অফিচত ফাইল নথকা এই মন্ত্ৰী সকলক সকলৰ আই বৰ সবাহ আৰু গৰাকীয় সবাহ আদিৰ ভাৰ লবলৈ দিলেও চোন ৰাতি মানুহ জগাই জগাই মন্ত্ৰী আহিছে বুলি বিচিভ কৰিব

লগা নহয়। এতিয়া আমি দেখিছো পার্লিয়ামেণ্টৰী চেক্ৰেটাৰী সকলৰ অৱস্থা নাই। এজন মানুহে সুধিছিল আগেয়ে পার্লিয়ামেণ্টৰী কোনো মন্ত্ৰী বা চেক্ৰেটাৰীৰ নাম শুনা নাছিলো। ষ্টেট মন্ত্ৰী, ডেপুটি মন্ত্ৰী আদিহে আছিল। এই সকল এতিয়া পালিয়ামেণ্ট মন্ত্ৰী নেকি ? অকল এয়ে নহয়, আৰু এনে ঢেৰ উদাহৰণ আছে। মই মন্ত্ৰীৰ নামটো নকওঁ পালি মন্ত্ৰীয়েই কওক বা যিয়েই নকওক এই সকলৰ সংখ্যা বাঢ়ি গৈছে। অকল মন্ত্ৰী বঢ়াই নহয়, শুনিছো কোনোৱে এম, এল, এয়ে চুটি ললে তেওঁৰ ঠাইত কাম কৰিব পৰা আন এজনক ইয়াৰ দায়িত্ব দিয়া হয়। যেনেকৈ অফিচাৰে চুটি ললে আন এজনে অফিচিয়েটিং খাটে ঠিক তেনেকৈয়ে এম, এল, এয়েও অফিচিয়েটিং খটাৰ ব্যৱস্থা হয় হেনো।

উপাধ্যক্ষ মহোদয়, মোৰ এটা ধাৰণা হৈছে মন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলোৱে অফিচাৰ সকলক বেয়া বেয়া বুলি কয়। যদি এই সকলক বাদ দি শাসন চলাব খোজে তেন্তে কথা বেলেগ। অৱশ্যে ইয়াৰ কাৰণো আছে। মই কৈছো যে সকলো মন্ত্ৰীয়েই বেয়া নহয়। কেইজনমান মন্ত্ৰী আছে যিকেইজনে দিছপুৰত সোমাবলৈ ভয় কৰে। অফিচত আহি টেবুলত ফাইৰ দম দেখি তেওঁলোকে বাহিৰে বাহিৰে গুচি যায়। তেনেকুৱা মন্ত্ৰীক অফিচাৰে কি সন্মান কৰিব।

মোৰ দ্বিতীয় কথাটো হৈছে আনদিউ এড্‌ভানটেজ লোৱাৰ কথা মন্ত্ৰীসকলে বেয়া কাম নকৰে। কিন্তু অফিচাৰসকলক হতুৱাই কৰায়। মন্ত্ৰীৰ বাবে যদি এটা বেয়া কাম কৰায় তেতিয়াহলে সেই অফিচাৰ জনে নিজৰ কাৰণে দুটা বেয়া কাম কৰি লয়। গতিকে যাতে এইবিলাক দুৰ্বলতাৰ সুযোগ নাপায় তাৰ ব্যৱস্থা কৰিব লাগে। এক্‌জিভিচনৰ কথাত আউটৰাইট ৰিজেক্ট নকৰি চাব লাগে আৰু সংশোধন কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। আমাৰ জনসাধাৰণে ভাবিছে যে

যিবিলাক কৰ্মচাৰীক জৰুৰী অৱস্থাৰ সময়ত খেদিলে সেইসকলোবিলাকেই ভাল অফিচাৰ নহয়। তাৰ ভিতৰত হয়তো দুই চাৰি জন ভাল অফিচাৰো আছে। কিন্তু এতিয়া যিহেতুকে জৰুৰী অৱস্থাৰ সময়ত খেদা অফিচাৰ সকলক পুনৰ মকৰল কৰিলে তেতিয়া অফিচাৰসকলে কাকৈকো ভয় নকৰা হল। সেইকাৰণেই অফিচাৰ ভালেই হওঁক বা বেয়াই হওঁক' ৰজাই ভাল দেখে যাক সেটিও নেলাগে তাক।' এইটো হলেই এক- জিকিউচন ভাল হব নোৱাৰে। আমি যিমানেই সমালোচনা নকৰো শাসন ব্যৱস্থা চলি থাকিবই লাগিব। আৰু শাসন ব্যৱস্থা তেওঁলোকৰ দ্বাৰা চলাবই লাগিব।

মই এতিয়া 'ৰুল অব ল'ৰ ক্ষেত্ৰত কব বিচাৰিছো যে আমাৰ যিহেতুকে পাৰলিয়ামেণ্টৰী ডেমক্ৰেচী। আমাৰ যি আইন আছে সেই- মতে দেশ চলাবই লাগিব। আমি দেখিবলৈ পাইছো যে যি ৰুল অব ল আছে সেইটো নিস্প্ৰভ হৈ গৈছে। কেতিয়াবা কিবা এটা হলে কব ৩০ বছৰীয়া জৰুৰী অৱস্থা। গতিকে এই জৰুৰী অৱস্থাটোকে মূল ধন হিচাবে লৈ, ৰাম নাম জপাৰ দৰে জপ কৰি দেশ চলাব বিচাৰিছে তেতিয়াহলে জনসাধাৰণে ক্ষমা নকৰিব। ৰুল অব লৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে ৰুল অব লৰ কিমান বেয়া আছে। কিন্তু যিখিনি আইন আছে সেইখিনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যাতে কাৰ্য্যকৰী কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে আমি কম ৰুল অব ল চলিছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে ৰুল অব ল কৰবাত থাকে, আইন কেৱল টেলিফোনটোৰ দ্বাৰাই আজি দেশ চলোৱাৰ ব্যৱস্থা কৰিছে। মন্ত্ৰীয়ে ফোনটো লৈ কব অমুক কৰক, তমুক কৰক। সেইমতেই দেশ চলিছে ফোনতে ২৫ বিঘাকৈ মাটিও দিছে। সেইকাৰণেই ৰুল অব

ল ৰ ভাল ব্যৱস্থা কৰিব লাগে। ৰাজহ বিভাগে মাটি দিয়ে, হোম বিভাগে উচ্ছেদ কৰে, ট্ৰেন্সপোৰ্টে তুৱাৰ খুলে, ইণ্ডাষ্টিয়ে চাৰ্টিফিকেট দিয়ে, এই-দৰে ৰুল অৰ ল দেশত চলাব নোৱাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই দুৰ্নীতিৰ সম্পৰ্কত কব বিচাৰিছো দুৰ্নীতিৰ সম্পৰ্কত আমি বক্তৃতা দিওঁ। মই কেৱল নকওঁ যে চৰকাৰী বিষয়াসকলেই দুৰ্নীতিপৰায়ণ অন্যবিলাক নহয়। আজি এনেকুৱা এটাকথা হৈ পৰিছে যে দুৰ্নীতিত লিপ্ত হোৱাটো যেন বেয়া কথা নহয়। আমাৰ কিছুমান ভাল মানুহ আছে। ভাল মানুহ হবলৈ কিছু অনুপ্ৰেৰণা লাগে গতিকে এই অনুপ্ৰেৰণাকোনে দিব ভাল মানুহ হোৱাৰ কাৰণে ? নোহোৱা মানুহে নৈতিকতাৰ বক্তৃতা দিয়ে। কিন্তু যিবিলাকে পাইওঁ নোপোৱা হৈ থাকে তেওঁলোকৰ বক্তৃতাৰ কি মুল্য আছে ? আমাৰ যি-বিলাক চৰকাৰী দায়িত্বত থাকে তেওঁলোকৰ বক্তৃতাৰ মুল্য, যিহেতুকে তেওঁলোকৰ ক্ষমতা আছে তেওঁলোকে বিচাৰিলে পাব পাৰে। কিন্তু তেওঁলোকে নৈতিক বক্তৃতা দিলেই শেষ নহব। ব্যক্তিগত জীৱণত, সামাজিক, জীৱনত, ৰাজহুৱা জীৱণত তেখেত সকলে কাৰ্য্যকৰী ব্যৱস্থা লব লাগিব। তাকে নকৰি যদি মহকুমা পৰিষদৰ নিৰ্বাচনত গৈ মেম্বাৰক কব তোমাক কি লাগে কোৱা আমি দিম, আমাক ভোট দিয়া। এই-দৰে দেশ চলাব নোৱাৰিব। তেনেকুৱা উদাহৰণ বহুত আছে। যদি কেৱল আপোনালোকে আগৰ কথাকে স্মৰণ কৰি শাসন চলাব বিচাৰিছে তেতিয়াহলে মোৰ কব লগীয়া একো নাই। আপোনালোকে মাত্ৰ ঘোষণা কৰি দিয়ক যে যোৱা ৩০ বছৰে দেশ যেনেকৈ চলিছিল আপোনালোকেও তেনেকৈয়ে চৰকাৰ চলাব। এইটোকে মুলধন হিচাবে লৈ স্বাধীনতা দিৱসৰ দিনাও ফ্লেগ হইচটিং কৰিবলৈ যাওঁতেই কব কংগ্ৰেছীয় ৩০ বছৰীয়া শাসন, লাইব্ৰেৰী মুকলি কৰিবলৈ যাওঁতেও কব কংগ্ৰেছৰ ৩০ বছৰীয়া দুৰ্নীতি। আমি যদি কওঁ এই দুবছৰে কি

কৰিলা বুলি তেতিয়া কব তোমালকেও কৰিছলা। কিন্তু এইটো কথা ঠিক যে এই সময়ৰ ভিতৰতে ৩০ বছৰীয়া গ্ৰেভিটি চেৰ পেলাই গৈছে। গতিকে তুৰ্নীতি নাইকিয়া কৰি আমাৰ জনসাধাৰণক অনুপ্ৰেৰণা দিব লাগিব। আমাৰ কাৰণে যিসকলে এনেদিন ৰচনা কৰিলে আপোনালোকৰ কাৰণেও সেইসকলে এনে দিন ৰচনা কৰিব। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, মই আমাৰ চৰকাৰক কেইটামান কথা কব বিচাৰিছো। চৰকাৰ মানে মন্ত্ৰীসভাৰ কেইজনক একোজন মন্ত্ৰী জনসাধাৰণৰ সন্দেহৰ ওপৰত থকাটো বাঞ্চনীয় কাৰণ তেওঁলোকৰ ওপৰতেই নিৰ্ভৰ কৰিছে আমাৰ এই তুখীয়া দেশৰ জনসাধাৰণৰ ভৱিষ্যত। ৰাইজে তেওঁলোকক দায়িত্ব দিছে আৰু এই দায়িত্ব তেওঁলোকে ৰাইজৰ কাৰণে পালন কৰিব বুলি আমি আশা কৰিছিলো। মই ব্যক্তি বিশেষৰ নাম উল্লেখ নকৰো। কিন্তু কবলৈ বাধ্য হৈছো যে মন্ত্ৰী সভাৰ কিছুমান সদস্যই মন্ত্ৰীৰ পদ পাই ৰাইজৰ সম্পত্তিক ব্যক্তিগত সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিছে। এইটো অত্যন্ত তুখজনক কথা। তেখেতসকলে সদায় মনত ৰখা উচিত যে এজন মন্ত্ৰীৰ চকু মাত্ৰ তুটা, জনসাধাৰণৰ অজস্ৰ চকু। ১৮০ লাখ মানুহৰ চকুৱে তেওঁলোকক চাই আছে। ইমান চকুক ফাকি দিয়া সহজ নহয়। আজি যিখিনি ধন একোটা বিভাগে পাইছে এই ধন খিনি খৰচ কৰোতে তেওঁলোকৰ চকুৰ আগত সদায় ভাহি থাকিব লাগে, এইখিনি দৰিদ্ৰ জনসাদাৰণৰ টকা। আমি তুখিত, কিছুমান মন্ত্ৰীয়ে জনসাধাৰণৰ কথা চিন্তা নকৰাকৈ নিজৰ পভাৰ প্ৰতিপত্তি, নিজৰ জনপ্ৰিয়তা বৃদ্ধিৰ কাৰণে উঠি পৰি লাগিছে। ফলত কেৱল ৰাজহুৱা ধনৰ অপব্যৱহাৰ

হৈছে এইটোৰেই নহয়। আমাৰ দেশখন আগুৱাই নিয়াটো বাধাগ্ৰস্ত হৈছে। মই সেই কাৰণে অনুৰোধ কৰিছো জনসাধাৰণৰ ওচৰত অৱনতি হৈ জনসাধাৰণৰ প্ৰকৃত কল্যাণ সাধনৰ কাৰণে তেওঁলোক আগবাঢ়ি যাওঁক। তেতিয়া জনসাধাৰণে তেওঁলোকক সমৰ্থন কৰিব, বিপদত পৰিলে জনসাধাৰণে সহায় কৰিব।

উপাধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ কথা তেখেতসকলে কৈছিল কিন্তু এটা কথা ঠিক যে জনতা চৰকাৰে নীতিৰ কোনো পৰিবৰ্ত্তন আনিবলৈ সক্ষম হোৱা নাই। আজি অসমৰ ভয়াবহ সমস্যা নিবনুৱা সমস্যাৰ ক্ষেত্ৰত এবছৰ পাৰ হৈ যোৱাৰ পিচতো নতুন নিয়োগ নীতি আৰু শিল্প নীতিৰ দেখিবলৈ পোৱা নাই। ভূমিৰ কোনো নীতি নাই। কংগ্ৰেছে যি কেইখন ভূমিসংস্কাৰৰ আইন কৰি গৈছিল তাৰ পিচত কোনো ভূমিসংস্কাৰ কৰা নাই। এই খন কৃষকৰ দেশ। ইয়াত যদি ভূমিসংস্কাৰ নকৰে তেনেহলে কেনেকৈ এইদেশ আগুৱাই নিব ? চিকিৎসাৰ ক্ষেত্ৰত উপাধ্যক্ষ মহোদয়, কোনো উন্নতি দেখা নাই। জনসাধাৰণে বিনা চিকিৎসাত তিল তিলকৈ মৰাৰ বাহিৰে উপায় নাই। গাৱেঁ গৱেঁ বা প্ৰতি দহ হাজাৰ পৰিয়ালত এটাকৈ চাব চেণ্টাৰ দিব পৰা নাই। অত্যন্ত দুখৰ কথা। বাকী যি কেইটা বিভাগ আছে গড়কাপ্তানী, জলসিঞ্চন, বাননিয়ন্ত্ৰণ সেই বিলাকৰ কামৰ পৰিমাণ কি ? জলসিঞ্চন বিভাগে ঝুম খেতি কৰিছে, কিন্তু যিমান বিলাক প্ৰজেক্ট লৈছে সেই আটাই বিলাক এৰি আহিবলগীয়া হৈছে। বিশ বছৰ ধৰি সেইফালে চকু দিয়া নাই অসমৰ গাৱেঁ গাৱেঁ পথাৰে পথাৰে যদি যোৱা যায় দেখিব চাৰিওফালে শুকান। পানী নাই। শুকান নলা পৰি আছে। তাৰ কাৰণে চৰকাৰে কোনো চেষ্টা কৰা দেখা নাই। ৰাইজৰ ধন খৰচ কৰি জলসিঞ্চনৰ

আচনি তৈয়াৰ কৰিছিল কিন্তু কৃষকে পানী পাব পৰা নাই। কিন্তু অফি-চাৰৰ পিচত অফিচাৰ বৃদ্ধি পাইছে। পদৰ সৃষ্টি কৰিছে। বিভাগ বিপাক ওপৰগধুৰ হৈ পৰিছে জনতা চৰকাৰে অহাৰ পিচৰে পৰা। আমি শুনিছো ট্ৰেন্সপোৰ্ট বিভাগত এজন অতিৰিক্ত জেনেৰেল মেনেজাৰ আছিল এতিয়া দুজন আকৌ অতিৰিক্ত জেনেৰেল মেনেজাৰ হ'ল। তাৰ তলত চীফ ইঞ্জিনীয়াৰ তিনি জন হল। কিহৰ প্ৰয়োজন আছিল? দুশ গাড়ী পৰি আছে ট্ৰেন্সপোৰ্ট ওৱাৰ্কচপত। এজন সাধাৰণ টেকনিচিয়ানে মোক কলে যে কম পক্ষেও ত্ৰিশখন গাড়ী তেওঁ মেৰামতি কৰি ভাল কৰি চালু কৰি দিব পাৰিব। কিন্তু চৰকাৰে চাইছে কেনেকৈ এটা পদৰ সৃষ্টি কৰিব পাৰে, কেনেকৈ কাক প্ৰমোচন দিব পাৰে। অকল সেইটোয়ে নহয় অন্যান্য বিভাগটো এই বিষয় কথা চলিছে। এই বছৰত ভেটেৰিনাৰি বিভাগত দুজন ডিৰেক্টৰ কৰিছে। কেৱল বুৰুক্ৰেটৰ সংখ্যা বৃদ্ধি কৰিছে। ৰাজহুৱা ধনৰ অপচয় কৰিছে। বুৰুক্ৰেটৰ সংখ্যা বৃদ্ধি কৰাৰ কাৰণে তলৰ ফালে প্ৰশাসন কিন্তু ভাল হোৱা নাই। আগৰ দৰে ৰাইজে এতিয়াও এখন দৰখাস্তৰ বাবে দিনৰ পিচত দিন অফিচলৈ গৈ থাকিব লাগে কিন্তু কাৰো পৰা কোনো সঁহাৰি নাপায়। গাওঁলৈ যদি যায় মণ্ডলৰ কাহিনী আমাৰ ভালেকেইজন মাননীয় সদস্যই কৈ আহিছে সেই ভয়ানক চৰিত্ৰ আজিও আছে। ডি-পি-আই, ডি-আই, বা ইন্স-পেক্টৰ অফিচ যলৈ নাযাওঁক কিয় একেই অৱস্থা। দুনীতি হাতে লোটে ধৰি দিলেও তাৰ কোনো বিচাৰ নাই। শিক্ষামন্ত্ৰী মহোদয়ক এটা তেনে ঘটনা ধৰি দিছিলো। ১৯৭৭ চনৰ পৰা দৰমহা খাই আছে। কিন্তু লৰাটোৱে জইন কৰিছে ১৯ ফেব্ৰুৱাৰীত মাত্ৰ। ১৯৭৭ চনৰ কোনো এটা তাৰিখৰ পৰা দৰমহা লৈ আছে। ধৰি দিয়া সত্বেও তাৰ কোনো ব্যৱস্থা হাতত লোৱা দেখা নাই। মন্ত্ৰী মহোদয়ে দিলে এডিচনেল

ডিৰেক্টৰলৈ আৰু এডিচনেল ডিৰেক্টৰে দিলে ডেপুটি ডিৰেক্টৰলৈ আৰু ডেপুটি ডিৰেক্টৰে চেলফ্‌ত সোমাই থলে। কাৰো ক'তো গা নলৰে। আমি বিধায়ক সকলে কিয়াদোষ ত্ৰুটী দেখিলে আঙুলায়াই বা ধৰি দিব পাৰো কিন্তু সেই মতে ব্যৱস্থা নললে কেনেকৈ প্ৰশাসন নিকা হব পাৰে। যদি মানুহ পঠিয়াই ধৰি দিয়া ঘটনা বিলাকো চাব নোৱাৰে তদন্ত কৰিব নোৱাৰে ভয় কৰে তেনেহলে কিহৰ চৰকাৰ। দুৰ্নীতিৰ কাৰণে ব্যৱস্থা লবলৈ যদি ভীত স্বয়, শংকিত হয় বা আতংকিত হয় তেতিয়াহলে কেনে ধৰণৰ উন্নতি আশা কৰিব পাৰি। আটাইবিলাক বিষয়া যে বেয়া সেইটো নহয়। আমাৰ ভাল বিষয়া বহুত আছে। দেশৰ কাৰণে চিন্তা কৰি কাম কৰা বিষয়া বহুত আছে। কিন্তু মন্ত্ৰীৰ পিচে পিচে লবিং কৰিব নোৱাৰে কাৰণে তেওঁলোকৰ দূৰবস্থা। পাকচক্ৰৰ মাজত সোমাব নোৱাৰে কাৰণেই তেওঁলোকৰ প্ৰমোচন আদিও নহয় বা হব নোৱাৰে আৰু আন সুবিধাৰ ক্ষেত্ৰত বঞ্চিত হয়। সেই সকল বিষয়াই আকৌ মাৰ্চ মাহৰ ভিতৰতে গোটেই টকা খৰচ কৰাৰ কাৰণে ব্যৱস্থা কৰে। বাকী এঘাৰ মাহ একো কাম নকৰি মাত্ৰ মাৰ্চ মাহ আহিলেই টকা খৰচ কৰাৰ কাৰণে হেতাওপৰা লগায়। খৰ ধৰ আৰু জধে মধে খৰচ কৰি মাৰ্চ মাহটো ভোগালী বিহু কৰি লৈছে। একত্ৰিশ মাৰ্চৰ দিনা যেন উৰুকাহে।

( ভইচ : খাদী বোৰ্ডে দিব )

আগৰ চৰকাৰে লেটাৰ অব ক্ৰেডিট দি হলেও এই ব্যৱস্থাৰ হ্ৰাস কৰিবলৈ চেষ্টা কৰিছিল কিন্তু জনতা চৰকাৰে সেই ব্যৱস্থা কিয় ফল নকৰিলে। বিত্ত বিভাগে সকলো বিভাগকে কৈ দিয়া উচিত আছিল যে সময়ৰ কাম সময় মতে কৰিব লাগে। কিন্তু গা লবাবনোৱাৰিলে। এই মাৰ্চ মাহতেই ৰাজহৰ বিশ কোটি টকা খৰচ কাৰ হল। আমাৰ বিষয়া সকল

ইমানেই পাৰদশী যে এমাহৰ ভিতৰতে বিশ কোটি টকা খৰচ কৰি দেখুৱাইছে। বাকী এঘাৰ মাহত একো কৰিব নোৱাৰে আৰু এটা মাহত বিশ কোটি টকা খৰচ কৰে। অকল শিক্ষা বিভাগতেই দহ কোটি টকা খৰচ হৈছে। এই প্ৰৱণতা কিয়? আমি এই প্ৰৱণতা বুজিব পৰা নাই। মধে মধে টকা দি নিজৰ মানুহৰ মাজত গ্ৰাণ্ট আদি দি টকা খৰচ কৰে। গতিকে বিত্ত বিভাগে কঠোৰতা অৱলম্বন কৰা দৰকাৰ। তেওঁলোকে কাৰো ভাবুকিক ভয় কৰিব নালাগে বাজেট পাচ হৈ যোৱাৰ লগে লগে প্ৰকৃততে প্ৰত্যেক কামৰ কাৰণে বিভাগ বিলাকক কিমান টকা লাগিব সেইটো হিচাব কৰি লৈ মাৰ্চ মাহত ভোগালী বিহু যাতে নাপাতে তাৰ ব্যৱস্থা হলেহে ৰাইজৰ ধনৰ অপচয় ভালেখিনি কমিব। সদৌ শেষত মন্ত্ৰী সভাৰ সদস্য সকলক আকৌ এবাৰ ৰাইজৰ ধন খৰচ কৰাৰ ক্ষেত্ৰত সজাগ হবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ- মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে অভিযাচন বিলৰ দ্বাৰা বিধানসভাত মঞ্জুৰী বিচাৰিছে। বিত্তৰ বিভিন শিতানত পৰামৰ্শ যিখিনি দিয়া হয় তাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী সকলে সহানুভূতিৰে বিবেচনা কৰি চোৱা হব বুলি বিধান সভাত পৰম্পৰাগত ভাৱে সদায় আশ্বাস দি আহছে কিন্তু তাৰপৰা কি হয়। মাথোন ফটুকাৰ ফেন। আমাৰ বাজেটত যিটো এষ্টিমেট কৰা হয় পিচৰ ফালে কিন্তু দেখা যায় যে ডেফিচিট হে হয়। তাকো আকৌ মুল ধনৰ দেঢ় গুণ বা দুগুণ। এই বাৰ বাজেটত আঠটলিশ কোটিৰো অধিক টকা খৰচ দেখুৱা হৈছে। কিন্তু যি ব্যৱস্থা লৈছে সেই ব্যৱস্থা মতে আমি দেখিম যে এই খৰচ বাঢ়িব আৰু ইমানখিনি টকা দিয়াৰ পাচতো পৰিপূৰক দাবী মঞ্জুৰী লবলৈ চৰকাৰ বাধ্য

* Speech not corrected

হব। মই দুটামান কথা কব বিচাৰিছো। বিত্ত কোষৰ যি অৱস্থা তাক যদি বঢ়াব নোৱাৰে তেনেহলে অসমৰ ভবিষ্যত অন্ধকাৰ। মই কেইটামান তথ্য দেখুৱাইছো। ১৯৭৩—৭৪ চনৰ পৰা ১৯৭০—৮০ চনলৈ ধাৰ ইচু কৰিছে ৪'৩৩ লাখ টকা আৰু ৪৪'১৯ লাখ টকা। আমি ধাৰ ফিৰাই দিছো ১৯৭৩-৭৪ চনত ১'৫৯ লাখ টকা আৰু ১৯৭৯-৮০ চনত মাত্ৰ ৭'০৩ লাখ টকা। আমি ধাৰ দিছো কিন্তু ধাৰ ঘুৰাই পোৱাৰ ক্ষেত্ৰত সন্তোষজনক ছবি যিটো আমি দেখিবলৈ পাব লাগিছিল সেইটো ছবি দেখা পোৱা নাই।

আমাৰ যি এন, আই, চি প্ৰতিষ্ঠান ইয়াত আছে তাত যথেষ্ট পৰিমাণৰ ধন বিনিয়োগ হৈছে। কিন্তু এন, আই, চিৰ ক্ষেত্ৰত আমাৰ অসমৰ উন্নয়ণৰ গতিত কিমানদূৰ পাৰফমেঞ্চ কৰিছে সেইটো লক্ষ্য কৰিবলগীয়া। এতিয়া আমাৰ কেন্দ্ৰীয় ধৰৰ এটা চমু হিচাব দাঙি ধৰিব বিচাৰিছো। ১৯৭৩-৭৪ চনত ৬৯'৬৬ লাখ আৰু খৰচ ৩৬'৬৩, ১৯৭৪-৭৫ চনত ৪৫'০২ লাখ আৰু খৰচ ১৫'৩৫, ১৯৭৫-৭৬ চনত ৩৭'৫৫ আৰু খৰচ ১৫'৭৪, ১৯৭৬-৭৭ চনত ৪২'১, খৰচ ৪০'০৬ ১৯৭৭-৭৮ চনত ৬৮'৮৯ খৰচ ১৭'৯৫, ১৯৭৮-৭৯ চনত ৯২'৮৮ (আৰ ই) খৰচ ২০'৬৯ ১৯৭৯-৯০ চনত ৯৮,১২ (বি, ই) খৰচ ১৪'৭৬ সেইদৰে অন্যান্য ৰাজ্যিক ঋণৰ ক্ষেত্ৰত ৭৩-৭৪ চনত ৩৬'৯১ খৰচ ২৬'১৯, ১৯৭৪-৭৫ চনত ৩২'৯৮ খৰচ ৩২'৪১, ১৯৭৫-৭৬ চনত ৮ ৮১ খৰচ ২৯ লাখ, ১৯৭৬-৭৭ চনত ৯'১৪ খৰচ ৬'৩০, ১৯৭৭-৭৮, চনত ৯,৪৩, খৰচ ৩'৫৫ ১৯৭৮-৭৯ চনত ১১'২১ খৰচ ৪.৩৭ ১৯৭৯-৮০ চনত ১৪'০৩ খৰচ ৬'৬৫। ঋণ আদায় হয় ১৯৭৩-৭৪ ৪'৪৩, পৰা ১৯৭৯-৮০ ৪৬'২৯ সেই-দৰে ল'ন ৰিকভাৰ হয় ১'৫৯ পৰা ৭'০৩। আৰু স্থায়ী ধাৰ ৪৪'০৮ পৰা ৬৩'৫৫। আকৌ কেন্দ্ৰীয় চৰকাৰৰ ধাৰ ৩৯১'৫৯ পৰা ৪৭১'৭৩ আৰু

নেচনেল এগ্ৰিকালচাৰ ঋণ ১৬ পৰা ৭ আৰু এন, আই, চি ৰুণ ১'০২ পৰা ২'৬৭ লাখ কেপিটেল ৰেভিনিউ ৰিচিপট ৭'৩৪ পৰা ১৪৪'০২ চেণ্ট্ৰেল টেক্স ১৬'৮ পৰা ৪৪'২। ষ্টেট বেঙ্ক ২১'২ পৰা ৪২'০ ননটেক্স ৰেভিনিউ ১০'২ পৰা ২৮'৪ । গ্ৰেনচ্-ইন-এড্ ২৫'২ পৰা ৩৩'৬ ।

এনে এটা বিত্তীয় পৰিস্থিয়ে আমাৰ দেশ চলাবলৈ হলে আমি কেনেকৈ ভাগ কৰিব পাৰি কব নোৱাৰিম। এইদৰে যদি বাঢ়ি যায় প্ৰত্যেকদিনে বাঢ়ি ১০ বাঢ়ি গৈ খোৱামন্ত্ৰী নিচিনা হব । এই সম্পৰ্কে এটা গল্প কবলৈ আছে । এজন ৰজাক মন্ত্ৰীয়ে আহি কলে যে শত্ৰু সৈন্য আহিব লাগিছে মহাৰাজ । মহাৰাজে কলে মন্ত্ৰীসব ঠিক আছে । যেতিয়া দূৱাৰ আহি পালে তেতিয়া কলে কি কৰিম । এখন নাও বাকী থোৱা আছে তাতেই উঠি গুচি যাওঁক । আজি বিত্তীয় কোষ তেনেধৰণেই শুচনীয় হৈ যায় যোৱা ৩২ বছৰে বিত্তীয় কোনো নিয়ম কানন নমনাকৈ বিত্তীয় কোষৰ ওপৰত আঘাট সনা হৈছে । আৰু বিত্তীয় বিভাগৰ পৰা এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লোৱা নাই । আৰু আমাৰ বিধায়ক সকলক পতিয়ন নিবলৈ টকা খৰচ কৰিব পৰা নাই । বহু টকা চাৰানদাৰ পি, ডব্লিউ, দি বিভাগে কৰিছে । ১২ কৌটি টকা এ, জি, চিক জমা দিছে । অৰ্থাত মাছ খোৱা নাই বুলি জিজ্ঞি খোৱাই হৈছে ।

শ্ৰীতুলাল বৰুৱাঃ— যিমান টকা খৰচ কৰিবলৈ দিয়া হৈছে, তাত বেচি টকাহে খৰচ কৰিবলৈ দিয়া হৈছে । এ, জি, চি, চি যি টকা দিয়া হৈছে সেইটো ঘৰদুৱাৰ কালভাৰ্ট ইত্যাদি বনোৱাৰ ক্ষেত্ৰত দিয়া হৈছে আৰু তেওঁলোকৰ গোটেইখিনি প্ৰেমেণ্টে হৈ গৈছে ।

* শ্রীঅতুল চন্দ্র গোস্বামীঃ— বৰ ভাল কথা । উপাধ্যক্ষ মহোদয় বাজেটত দেখুৱাইছে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বাৰে বাৰে কৈ আছে যে ৰাজধানী কথাটো অতি শীঘ্ৰে ঘোষণা কৰা হব । কিন্তু কামটো নোহওঁতেই লাখ লাখ টকা খৰচ হৈ গল । ৪৭ লাখ টকা অস্থায়ী ৰাজধানীৰ নামত আছে বুলি কৈছে । আমি বহু দিনৰ মুৰত ৰাজধানীখন নমাই আনিলো । আৰু ভাবিছিল এখন সৰ্ব্বাঙ্গ সুন্দৰ ৰাজধানী হব । কিন্তু এনেকৈ টকা পইচা খৰচ কৰি কি কৰা হব ভাবি এইটো কব নোৱাৰি । পিচত গৈ ফাঁচি বজাৰত থাকিব লগীয়া নিচিনা হব । গাটৰ কথা কব বিচাৰিছো পুলিচৰ শিতানত যি ১৩ কোটি টকা লোৱা হৈছে সেইমতে বৰাবৰ ভাঙৰীয়া ধন্যবাদৰ পাত্ৰ । দুটা নতুন বাহিনী গঠণ কৰা হল । লগতে এটা জলবাহিনীও হব । কিছু দিনৰ আগতে আগৰ চৰকাৰে সিদ্ধান্ত লৈছিল যে নাৰী পুলিচ বাহিনী হব । কিন্তু সেইটো এতিয়া বণ্ড-ষ্ট্ৰিংজত কা সোমাই আছে । অসমৰ দুটা বেটেলিয়ানত এতিয়ালৈকে ৩২ হাজাৰ চিপাহী আছে । আগতে এজন অস্থায়ী আই, জি, পি আছিল, এতিয়া ২ জন কৰিছে । আমবাঞ্চৰ কাৰণে এজন স্থকীয়া আই, জি, পি ৰক্ষা হৈছে । তেওঁক অধিক ক্ষমতা দিব লাগে কিন্তু পুলিচ বাহিনীত কিছুমান ঘটনা ঘটি আছে সেইবিলাক লক্ষ্য ৰাখিব লগীয়া, যোৱা ১।৬।৭৭ তাৰিখে দি, ই, এফত ২৪ জন চিপাহীক কোনো বিজ্ঞাপন নোহোৱাকৈ শ্ৰীবাস্তৱে নিয়োগ ব্যৱস্থা কৰিছে । ইয়াৰ আটাইবিলাক নেপালী আৰু বিহাৰৰ মানুহ ।

ট্ৰেন্সপৰ্টৰ বিষয়ে এটা কব বিচাৰিছো যে টেন্সপৰ্ট ক' বলৰেচনটো

* Speecn not Corrected

যাতে এটা কমাৰচিয়েল অৰ্গেনাইজেচন হয়' একেবাৰে নহলেও কিছুভুৰ যাতে কমাৰচিয়েল হয়, তাৰ কাৰণে চৰকাৰে চেষ্টা কৰে। এইট্ৰেন্স-পৰ্ট কৰপোৰেচনত লাখ লাখ কোটি কোটি টকা খৰছ হৈছে। যোৱা বছৰত প্ৰায় এক কোটিৰ বেচি টকা খৰছ হৈছিল। গতিকে এই অপচয় ৰোধ কৰিবলৈ চৰকাৰ যত্নপৰ হ'ব লাগে। চইল কনজাৰভেচনত লাখ লাখ টকা খৰছ কৰা হৈছিল। কাৰণ এষ্টিমেটত যিমান টকা ধৰা হৈছিল তাতকৈ তিনিগুণ বঢ়াই খৰছ কৰা দেখুৱাইছে। তালৈ গৈ তদন্ত কৰি বৰ্তমান যিজন অফিচাৰ নাম তেওঁ ভাগৱতী, তেওঁ বিভা-গীয় মন্ত্ৰী মহোদয়ৰ হুকুমক বৃদ্ধাংগুষ্ঠি দেখুৱাই বহি আছে, আজিলৈকে সেই বিষয়াজনৰ বিৰোধে কোনো ব্যৱস্থা হাতত লোৱা নাই।

শ্ৰীলক্ষেশ্বৰ গোহাই :— উপাধ্যক্ষ মহোদয়, সেই বিষয়াজনক বদলি কৰা হৈছিল, কিন্তু ডিষ্টিক কাউন্সিলে তেওঁক থাকিবলৈ অনুমতি দিয়াত ৩০ মাৰ্চলৈকে ৰাখিছো।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— উপাধ্যক্ষ মহোদয়, এই বিষয়া-জনৰ ইমানবোৰ গোচৰ, অভিযোগ থকা স্বত্তেও মন্ত্ৰী মহোদয়ে বা চৰকাৰে তেওঁক বদলি কৰিবলৈ সন্মত নহ'ল, কাৰণ তেওঁক ডিষ্ট্ৰিক কাউন্সিলে থাকিবলৈ নিৰ্দ্দেশ দিলে আৰু তাকে মানি চৰকাৰে এইজন বিষয়াৰ প্ৰতি কোনো বিহিত ব্যৱস্থা লব নোৱাৰিলে। আৰু এজন অফিচাৰ তেওঁৰ নাম ৰাখাল চন্দ্ৰ কলিতা। তেওঁ ১০।৬।৫৫ তাৰিখে গ্ৰাম সেৱক হিচাপে চাকৰিত সোমাইছিল আৰু প্ৰমোচন পাই এক্সটেন্সচন অফিচাৰ হ'লগৈ। আজিলৈকে তেওঁ তাৰ পৰা বদলি ন'হল, দুটা যুগ পাৰ হল

* Speech not corrected

তথাপি তেওঁৰ বদলি নহ'ল। কিন্তু অন্য অফিচাৰ সকল ৬ বা ৭ বছৰত বদলিৰ হুকুম যায় আৰু সেই মতে বদলি হয়। এই ক্ষেত্ৰত চৰকাৰৰ সকলো অফিচাৰৰ ক্ষেত্ৰতে সম দৃষ্টি হ'ব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ কাব্য মনোসংহিতাত কৈছে যে ৰাজ্যৰ সমুদায় আয় ৬ ভাগৰ ১ভাগহে ৰজাই খৰছ কৰিব বাকী ৫ভাগ ৰাজ্যৰ প্ৰজাৰ কাৰণে খৰছ কৰিব আৰু অন্যান্য ৰাজ্যৰ কৰ আদি সংগ্ৰহ কৰি ৰজাই সেইবোৰ প্ৰজাৰ নামত নিজ হাতে বিতৰণ কৰিব লাগে। আৰু উপনিষদত কৈছে ৰজা আৰু মন্ত্ৰী সকলে প্ৰজাৰ সুখ দুখৰ বিষয়ে চাব লাগে। চাৰ মাননীয় সদস্য হেমেন দাসৰ লগতে মইও একমত হৈ কব বিচাৰো যে মন্ত্ৰী সকলৰ কথা, কাম আৰু আচৰণৰ ওপৰতহে যোগ্যতা নিৰ্ভৰ কৰে। কিন্তু আমাৰ চৰকাৰে কথা আৰু কামৰ মাজত কোনো সমন্বয় ৰখা আমি দেখা নাই। মানুহক এদিন ঠগিব পাৰি, দুদিন ঠগিব পাৰি, কিন্তু তিনি দিনৰ দিনা নিজে ঠগ খাব লাগিব। গতিকে মই চৰকাৰক অনুৰোধ কৰো মন্ত্ৰী সকলকো বিনীত ভাবে অনুৰোধ জনাওঁ আমাৰ বিত্তীয় পৰিস্থিতিলৈ লক্ষ্য ৰাখি তেওঁলোকক বিভাগীয় খৰছ কম কৰি যথা সম্ভৱ অৰ্থনৈতিক সন্মত ভাবে শোক লক্ষ্য অৱস্থা আমোল পৰিবৰ্ত্তন অনাৰ কাৰণে চেষ্টা কৰক, তেতিয়াহে অসমৰ উন্নতি সম্ভৱ হ'ব। এই শোক লগা অৰ্থনৈতিক অৱস্থাটো অলপ মন দিলেই ইয়াৰ পৰিবৰ্ত্তন আনিব পাৰিব। এই ক্ষেত্ৰত মই আগতেও কৈছো একেজন মানুহেই ক'ৰবাত আই, এ, এচ অফিচাৰ হৈছে, ক'ৰবাত মেনেজিং ডাইৰেক্টৰ হৈছে, এখনৰ ঠাইত তিনিখন গাড়ী তেওঁৰ নামত দিয়া হৈছে আৰু এই মটৰ গাড়ী বোৰ কি কামত কলৈ যায় আৰু কিয় এই গাড়ীবোৰৰ ৰিপেয়াৰিং ঘনাই

কৰিব লাগে আৰু মেইণ্টেনেন্স কিয় ইমান সঘনাই কৰিব লাগে আৰু এইখৰছৰ বাবে চৰকাৰী ধনৰ অপচয় কৰিব লাগে, সেইটো আনি বুজি নেপাও। তাৰোপৰি এই অফিচাৰ সকলৰ ঘৰত থকা টেলিফোনৰ নামত চৰকাৰে অথবা বিলৰ চাৰ্জ ভৰিব লাগে। এই টেলিফোনবোৰ অফিচাৰসকলে অফিচৰ কামত কৰেণে কোনোবা প্ৰেয়সীলৈ ফোন কৰোঁতেহে ইমান খৰছ ভৰিব লগা হয় তাৰ হিচাব নাই। আৰু এটা কথা মন্ত্ৰী সকলে এড্ভান্স টি, এ, লৈ ভ্ৰমণ কৰিবলৈ যায়। কিন্তু এখন বিলৰ টকা, পাছ হ'বলৈ নৌ পাওঁতেই আকৌ এখন নতুন টি, এ, বিল আহি পৰেহি। এই কথাটোৰ কাৰণে বহুসময়ত একাউণ্টেন্ট জেনেৰেলৰ পৰা কমপ্লেইন আহে আৰু কোষাগাৰৰ কৰ্ম্মচাৰীৰ মাজতো বিল আগ পাছ কৰি পাছ কৰাৰ অভিযোগত কেতিয়াবা কেতিয়াবা তৰ্কা-তৰ্কিও হোৱা দেখা যায়। মন্ত্ৰী সকলে এনেকুৱা কৰাটো ভাল কথা নহয়। এই পইচা খিনি কেনেকৈ সংগ্ৰহ হৈছে, ক'ৰ পৰা সংগ্ৰহ হৈছে, খৰছ কৰিবৰ বেলিকা মন্ত্ৰী সকলে ভাবিব লাগে। প্ৰতিটো পইচা খৰছ কৰোঁতে অতি সাবধান হ'ব লাগে আৰু যাতে উচিত কামত খৰছ কৰা হয়, তাৰ কাৰণে লক্ষ্য ৰাখিব লাগে। আমাৰ বিত্ত মন্ত্ৰী এজন আইন লোক তেখেতৰ এই সম্পৰ্কে অভিজ্ঞতা বেচি। আমাৰ অসমীয়াত এষাৰ কথা আছে, "মাৰি শিয়াল খাবা কিল, খেদি শিয়াল পাবা কিল" গতিকে মন্ত্ৰী মহোদয়, আনক নিমন্ত্ৰণ কৰিবলৈ যোৱাৰ আগতে নিজেওঁ এই ক্ষেত্ৰত সাবধানতা অৱলম্বন কৰিব লাগে। টকা খৰছ কৰাতেই বিত্ত মন্ত্ৰীৰ কৃতিত্ত নিৰ্ভৰ নকৰে, কেনেকৈ উচিত কামত খৰছ কৰা যায় তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। এই শোকলগা আৰ্থিক অৱস্থাৰ উন্নতিৰ কাৰণে যথা সম্ভৱ সকলো দায়িত্ব বুজি ব্যৱস্থা লৈ কামত ব্ৰতী

হ'ব লাগে। এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰিলোঁ।

প্ৰমোদ চন্দ্ৰ গগৈ ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, এপ্ৰপিয়েচন বিলৰ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে এটা কথা মোৰ মনলৈ আহিছে, কিছুদিনৰ আগতে চৰকাৰৰ ফালৰ পৰা এখন পুস্তিকা প্ৰকাশ কৰা হৈছে, পুস্তিকা খনৰ নাম 'প্ৰতিশ্ৰুতি'। তাত প্ৰকাশিত প্ৰতিশ্ৰুতি বোৰত এক নতুন দৃষ্টি ভংগীৰ দৃষ্টান্ত আমি দেখিবলৈ পাইছো। ইয়াত জনতা চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে যে জনসাধাৰণৰ সুখ দুখৰ প্ৰতি সহাৰি দি এনে এখন উন্নয়ন মখী সমাজ প্ৰতিষ্ঠা কৰিবলৈ জনতা চৰকাৰ প্ৰতিজ্ঞাবদ্ধ হ'ল য'ত ৰাইজৰ কোনো অভাৱ নথাকিব, অনাটন নেথাকিব শোষণ নেথাকিব, প্ৰকৃত গণতন্ত্ৰৰ দাবী শক্তিশালী হ'ব, সামাজিক ন্যায় প্ৰতিষ্ঠা হ'ব, শিক্ষা ব্যৱস্থা বিকাশ ক্ষীপ্ৰগতিত হ'ব। কিন্তু কাৰ্য্য ক্ষেত্ৰত ইয়াৰ এটা কথাও মানুহৰ মাজত আজি এবছৰেও প্ৰতিফলিত হোৱা আমি দেখিবলৈ পোৱা নাই, ৰাইজৰ অভাৱ অনাটন দুৰ কৰাৰ ক্ষেত্ৰত যি ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা পাব লাগিছিল সেই ব্যৱস্থা বৰ সন্তোষজনক হোৱা নাই।

উপাধ্যক্ষ মহোদয়, সেই বিষয়ে মই নকওঁ কাৰণ কেইবাজনো মাননীয় সদস্যই এই কথা উল্লেখ কৰিছে যে চৰকাৰে যি বিলাক প্ৰতিশ্ৰুতি দিছিল যোৱা এবছৰে পুৰণ কৰাত ব্যৰ্থ হৈছে আৰু সেই ব্যৰ্থতাৰ অন্যতম কাৰণ মন্ত্ৰী সভাৰ যুটীয়া দায়িত্ব। এখন ৰাজ্যৰ মুখ্যমন্ত্ৰী এজনেই থাকে আৰু আমি জানো অসমৰো মুখ্যমন্ত্ৰী এজন। কিন্তু আচলতে মুখ্যমন্ত্ৰী কেইজন সেই কথা কোৱা টান। চৰকাৰীভাৱে যদিও মুখ্যমন্ত্ৰী এজন আৰু ৰাজ্যপালেও এজন মুখ্যমন্ত্ৰীকেই শপত খুৱাইছিল বাস্তব ক্ষেত্ৰত দেখা যায় মুখ্যমন্ত্ৰী বহুতো। সেই কাৰণে আমি দেখিবলৈ পাই

ছিলো খয় নগাজেণ্ডৰ আক্ৰমণৰ সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে এটা বিবৃতি বাতৰি কাকতত দিছিল আৰু অন্য এজন মন্ত্ৰীয়ে ইয়াৰ বিপৰীত বিবৃতি কাকতত দিয়ে। আৰু সেইটো আমাৰ চৰকাৰে নহয় গোটেই অসমৰ সম্পৰ্কত দেশখনৰ ভিতৰত এটা মনোভাৱৰ সৃষ্টি কৰিছে। অৱশ্যে অসম চৰকাৰৰ জনতা চৰকাৰক বৰ বেছি দোষ দি লাভ হব নে নহয় আমি নাজানো। কাৰণ কেন্দ্ৰীয় চৰকাৰো তথৈবচ। জনতাৰ চৰকাৰৰ প্ৰতিষ্ঠাপক শ্ৰীজয়প্ৰকাশ নাৰায়নৰ মৃত্যু নৌহওঁতেই পাৰ্লীয়ামেণ্টত ঘোষণা কৰিলে যে তেখেতৰ মৃত্যু হল। জনতা পাৰ্টিৰ প্ৰতিষ্ঠাপক শ্ৰীজয়প্ৰকাশ নাৰায়নৰে যদি এনেকুৱা অৱস্থা হল তেতিয়া হলে বাকী সকলৰ কি হব সেইটো সহজে অনুমেয়। সেই কাৰনে মই বিশেষকৈ অসম মন্ত্ৰী সভাৰ দায়িত্ব পালনৰ ক্ষেত্ৰত এনে এটা কথা দেখিবলৈ পাইছো যে সিদিনা প্ৰাইমাৰী শিক্ষক সকলে অৱস্থান ধৰ্মঘট কৰিছিল। মই সিদিনা বিলাসীপাৰালৈ যাওঁতে তেখেতসকলৰ এজনৰ পৰা গম পালো যে তেখেতসকলে অৱস্থান ধৰ্মঘট উঠাই ললে। তেতিয়া মই তেখেতসকলক কিহৰ ভিত্তিত এই ধৰ্মঘট উঠাই ললে বুলি সোধাত কলে যে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে আমাক লিখিত আশ্বাস দিয়াৰ বাবে আমি ধৰ্মঘট উঠাই ললো। কিন্তু শিক্ষা বিভাগৰ মন্ত্ৰীয়ে আশ্বাস দিছিল নে নাই বুলি সোধাত একো পোৱা নাই বুলি কলে। অৱশ্যে এফালৰ পৰা আমাৰ আপত্তি কৰিবলগা নাই যি কোনো এজন মন্ত্ৰীয়ে লিখিদিলেই হয়। কিন্তু কথা হল এই বিলাকে আমাৰ খেলিমেলিৰ সৃষ্টি কৰিব।

শ্ৰীতুলাচন্দ্ৰ বৰুৱাঃ—এই সম্পৰ্কত মই মুখ্যমন্ত্ৰী মহোদয়ক সুধিছিলো আৰু তেখেতৰ লগত আলোচনা কৰি তেখেতসকল ধৰ্মঘট উঠাই লবলৈ কোৱাতো হয়।

শ্ৰীপ্ৰমোদ গগৈ ঃ— উপাধ্যক্ষ মহোদয়, এইখিনিৰ ক্ষেত্ৰত আমাক আগতে গড়কাপ্তনী বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে যে এইবাৰ টকা ঘুৰাই দিয়া নহয় বা চাৰেণ্ডাৰ নকৰে। সেইটো ভাল কথা। তেখেতৰ বিভাগৰ পৰা একপইছাও ঘুৰাই নিদিয়ে সচা কিন্তু খৰছ যে কৰিব সেই খৰছ বিলাক যি উদ্দেশ্যত কৰা হৈছে সেই উদ্দেশ্যত হবনে নাই আমি নাজানো। আমাৰ সীমান্তৰ পথ নিৰ্ম্মান কৰা সম্পৰ্কত বহু টকা দিয়া হৈছে। কিন্তু সিদিনা দৈনিক জনমভূমিৰ ১৬ মাৰ্চ তাৰিখৰ কাকতত এটা সংবাদ পৰিবেশন কৰিছে যে সীমান্তত পথ নিৰ্ম্মানৰ কাম কি গতিত চলিছে তাৰ এটা অংশ মই পঢ়ি দিওঁ " আনহাতে মূল পথৰ লগত সংলগ্ন আৰু বনাঞ্চলৰ গাওঁ আৰু বি অ পি বোৰলৈ সহজতে অহা যোৱাৰ সুবিধাৰ বাবে যি বোৰ উপ পথ নিৰ্ম্মান কৰিব লোৱা হৈছে সেইবোৰ পথত কেৱল দুই কাষৰ পৰা মাটি কাটি দমাই থোৱা হে হৈছে। উৰিয়াম ঘাটৰ পৰা টে-বেংমা বনাঞ্চলৰ বহু ভিতৰলৈ হালধিবাৰী পৰ্য্যন্ত গৈ দেখা গল যে ঠিকাদাৰ সকলে নিজৰ নিজৰ অংশ বোৰত পথ বন্ধাৰ বাবে লগোৱা মানুহৰ সংখ্যা বৰ কম আৰু তেওঁলোকৰ প্ৰায়বোৰ মানুহেই বাহিৰত। প্ৰায় ২০ ফুট বহল আৰু কৰবাত ২ফুট, কৰবাত আঢ়ৈ ফুট পৰ্যন্ত ওখকৈ দুই ফালৰ পৰা কেৱল চেপা চোৰোকাকৈ মাটি দমাই যোৱা কামতহে তেওঁলোক ব্যস্ত। আনকি পথৰ মাজত পৰা বৰ বৰ গছৰ মুঢ়াবোৰো আঁতৰাই পেলোৱা হোৱা নাই। মই আৰু পাঢ়বলৈ নাপাওঁ। যদি এইটোৱেই সীমান্ত অঞ্চলত জৰুৰীকালীন ভাৱে কাম কৰাৰ নমুনা হয় তেনেহলে নিতান্তই জানিব যে টকা খৰছ হব কিন্তু এই টকা খৰছৰ বিনিময়ত ৰাস্তা বিলাক ভালকৈ নিৰ্ম্মান কৰক। কৰা হব নে নহয় আমি নাজানো। বাংলাদেশৰ যুদ্ধৰ সময়ত গড়কাপ্তনী বিভাগে ৰাস্তা নিৰ্ম্মান কৰিছিল, তেতিয়া অৰণ্যে বৰুৱা ডাঙৰীয়া বিৰোধী পক্ষত আছিল আৰু

যথেষ্ট সমালোচনা কৰিছিল। ৰাস্তা সম্পূৰ্ণ হৈ গল। কিন্তু সৈন্য বাহিনি গৈ দেখে যে গাড়ী নাযায়। আৰু ৰাস্তাৰ ওপৰত ব্লেক টপিং এৰাই যায় আৰু লগে লগেই ২৪ ঘণ্টাৰ ভিতৰত ডিফেন্স মিনিষ্টাৰে এই ৰাস্তা বিলাক 'টেক অভাৰ' কৰিলে। সীমান্ত এই ৰাস্তা বিলাক নিৰ্ম্মান কৰা হৈছে কেৱল যাতায়তৰ কাৰনেই নহয় যদি জৰুৰী অৱস্থাৰ দৰে অৱস্থা দেখা যায় তেতিয়াহলে অসমৰ ভিতৰত অসমৰ পুলিচ বাহীনি আৰু অন্যান্য বাহীনিয়ে ঘনিষ্ঠভাৱে যোগাযোগ কৰিব পাৰে। কিন্তু এই ৰাস্তা বিলাকৰ মাজৰ পৰা মুঢ়াই আতৰ কৰা হোৱা নাই। কেৱল পচা জাবৰ আদি দি ৰাস্তা কৰা হৈছে। এই সংবাদৰ ওপৰত ভিত্তি কৰিয়েই মই কৈছো টকা এনেকৈ অপচয় কৰিবে যি উদ্দেশ্যত এই ৰাস্তা বিলাক কৰা হৈছে সেই উদ্দেশ্যত এই ৰাস্তা বিলাক ব্যৱহাৰ কৰা নহব। গতিকে উপাধ্যক্ষ মহোদয়, সীমান্ত অঞ্চলত ৰাস্তা নিৰ্মান কৰাটো প্ৰয়োজন, কিন্তু এই ৰাস্তা নিৰ্ম্মান কৰিবলৈ যাওঁতে কেৱল টকা খৰচ কৰাৰ কাৰণেই টকা খৰচ কৰিলে নহয়। যি উদ্দেশ্যত ৰাস্তা নিৰ্ম্মান কৰা হৈছে সেই উদ্দেশ্যত তাৰ ব্যৱহাৰ যাতে কৰিব পৰা হয় তাৰ বাবে চকু দিয়া প্ৰয়োজন। মন্ত্ৰী মহোদায় সিদিনা কৈছিল যে আমাৰ ৰাস্তা বিলাক নিৰ্ম্মানৰ ক্ষেত্ৰত অসুবিধা হৈছে ৰোড ৰ'লাৰ বাবে। কিন্তু সিদিনা ১৩০ টা মান ৰোড ৰ'লাৰ কিনি অনা হৈছে, বা কিনি অনাৰ ব্যৱস্থা কৰিছে। এই ৰোড ৰোলাৰ বোৰ বিদেশত তৈয়াৰ কৰা হৈছিল নে ভাৰতত কোন কোম্পানীৰ পৰা কিনা হৈছিল এই কথা আমি জানিব বিচাৰো। ইয়ান বিলাক ৰোড ৰোলাৰৰ মুল্য প্ৰায় ২ কোটি টকা— গতিকে এই বিলাক কিনিবলৈ যাওঁতে বিত্তীয় নিয়ম আদি পুৰণ কৰা হৈছে নে নাই আমি জানিব বিচাৰো।

উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ অসমৰ সীমান্ত অঞ্চলৰ

পৰা যে সীমান্তৰ প্ৰশ্নই বেংমজালী কৰাইছে এনে নহয়, আমাৰ ৰাজ্যৰ বহুতো প্ৰশ্ন। ৰাজ্য, সীমান্তকে ধৰি আদি বহুতো প্ৰশ্ন আছে আৰু এই প্ৰশ্ন বিলাকেই খেলি মেলিৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত আকৌ দেখিবলৈ পাইছো যে যোৱা ১৯ তাৰিখৰ দিনা আমেৰিকাৰ ৰাষ্ট্ৰিদ্দত বেচৰকাৰী ভ্ৰমণত অসমলৈ আহিছিল আৰু আসাম ট্ৰিবিউনৰ প্ৰেছ কনফাৰেন্সৰ কথাত ওলাইছে যে অসমত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰাত তেখেতসকল বৰ আগ্ৰহী। তেখেতসকলৰ এটা ডাঙৰ পৰিকল্পনা আছে আমাৰ মাননীয় সদস্য শ্ৰীযুকুট শৰ্মাই সদনত কেন্দ্ৰৰ দৰে অপাৰেচন অৱ ব্ৰহ্মপুত্ৰ। তেখেতসকলৰ যি আচনি এই আচনি বহুদিনৰ পৰাই কৰি আছে।

এই আচনি তেওঁলোকে বহুত দিনৰ পৰাই কৰিছে। এই আঁচনিৰ উদ্দেশ্য হৈছে উত্তৰ পূৰ্ব অঞ্চলত যাতে এমেৰিকান প্ৰভাৱ বৃদ্ধি কৰিব পাৰে তাৰ কাৰণে নানান লোকক যোগাযোগ কৰিছে, এইক্ষেত্ৰত আমাৰ কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰীয়ে সংসদত যোৱা ২২ তাৰিখে এটা বিবৃতিত কৈছিল যে এমেৰিকা বিশেষকৈ ইৰাণত পৰাজয় হোৱাৰ পিচত এই অঞ্চলৰ বিশেষ ধৰণৰ আগ্ৰহ দেখুৱাইছে আৰু নানান ভিতৰুৱা কথা বিশেষ ভাৱে সংগ্ৰহ কৰি ফুৰিছে। তেখেত সকলে যে নন অফিচিয়েল ভিজিট কৰিব পাৰে সেইটো আমি নাজানো। বিভিন্ন দেশৰ ৰাজদূত সকলে নন অফিচিয়েল ভিজিট কৰিব পাৰে। তেখেতে মন্ত্ৰী সকলোকো দেখা কৰিব পাৰে। মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছোঁ যে কাগজত যিটো কথা ওলাইছে প্ৰকৃত পক্ষে আমাৰ ইয়াতো বহুতো ভিজিটৰ আহে যিহেতু আমাৰ ইয়াত গেংচেংচুৰা আছে। যেতিয়া তেওঁলোকে প্ৰেছক লগ কৰিছে, মন্ত্ৰীসভাৰ সদস্য

সকলক লগ কৰিছে প্ৰকৃতপক্ষে যি কথা কাগজত ওলাইছে সেইটো চৰকাৰৰ পৰা জানিব বিচাৰিছো লগে লগে এইটোও কব বিচাৰিছো যে তেওঁলোকেৰ অপাৰেচন ব্ৰহ্মপুত্ৰ পৰিকল্পনা, এই পৰিকল্পনাৰ সম্পৰ্কত এই অঞ্চলত বিশেষ ধৰণৰ আগ্ৰহৰ যথেষ্ট অৰ্থ আছে। সেইটো আমি পাহৰি যাব নোৱাৰো। তাৰ পিচত উপাধ্যক্ষ মহোদয়, মই চৰকাৰৰ পৰা এটা কথা জানিব বিচাৰিছো বিভিন্ন সময়ত সমালোচনা হৈছে। চৰকাৰী কৰ্মচাৰী সকলক যি দাবী, চাবৰডিনেট ইঞ্জিনিয়াৰ সকলক, ডাক্তৰ সকলক, স্কুলৰ শিক্ষক সকলৰ দাবী সম্পৰ্কে বৰ্ত্তমান চৰকাৰে তেখেতসকলৰ দাবীৰ সম্পৰ্কত চৰকাৰে তেখেত সকলক যিবিলাক প্ৰতিশ্ৰুতি দিছিল, আমি দেখিবলৈ পাইছো বহুত বিলাক তেওঁলোকৰ লগত চুক্তি হৈছিল লিখিত ভাৱে। সেইবিলাক যাতে কাৰ্য্যকৰী কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰে। কাৰণ এতিয়া দেখা গৈছে কোনো কোনো কৰ্মচাৰীৰ ক্ষেত্ৰত চৰকাৰৰ মনোভাৱ যুদ্ধং দেহি। তেওঁলোকে যি কৰে কৰক। চৰকাৰে তেনেকুৱা মনোভাৱ লব পাৰে কিন্তু তাৰ পৰিণতি চৰকাৰৰ কাৰণে ভাল নহয় আৰু আমাৰ প্ৰদেশৰ কাৰণে, আমাৰ উন্নয়নমূলক কাম কাজৰ কাৰণে ভাল নহয়। সেইকাৰণেই মই চৰকাৰক এই কৰ্মচাৰী সকলৰ দাবীৰ প্ৰতি সহানুভূতিশীল ভাৱে বিবেচনা কৰিবলৈ মই অনুৰোধ জনাইছো।

আৰু শেষত উপাধ্যক্ষ মহোদয়, সমাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত চৰকাৰৰ এইবাৰ বিত্তমন্ত্ৰীয়ে যি ভাষণ তাত কোনো নতুন আঁচনি নাই। যোৱা বছৰ যিবিলাক আঁচনি কৰা হল যে ১০ বিঘালৈকে মাটিৰ খজনা মাফ দিয়া হব, দশম মান শ্ৰেণালৈকে মাচুল মাফ দিয়া হব এই কথা এইবাৰো পুনৰাবৃত্তি কৰা হৈছে। ইয়াৰ বাহিৰে চৰকাৰে কিবা নতুন কল্যাণমূলক আঁচনি লৈছেনেকি এই ক্ষেত্ৰত অহাবছৰৰ

কাৰণে কোনো নতুন উন্নয়নমূলক আচনি বিত্ত মন্ত্ৰীৰ বাজেটত নাই। তেখেতে এইটো স্বীকাৰ কৰিছে যে অহাবছৰৰ অন্তত আমাৰ ঘাটি হব ৪৭ কোটি টকা। মই আগতেই কৈছো যে আমাৰ প্ৰকৃত ঘাটি ৪৭ কোটি টকাৰো বেছি হব। উন্নয়ণমূলক আচনিৰ ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে উন্নয়ণমূলক আঁচনিৰ অবিহনে দেশ এখন আগবাঢ়ি যোৱাটো সম্ভৱপৰ নহয়। এইক্ষেত্ৰত বৰ্ত্তমান চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ষ্টেটচমেন কাকতত প্ৰকাশ হৈছে যে কেৰেলাৰ বাজ্যিক চৰকাৰে কল্যাণকামী আচঁনি লৈছে। তেখেত সকলৰ বিত্ত মন্ত্ৰীৰ কথাটো মই ক'ট কৰিছো সেইটো হৈছে It is being the internatioal year of the child a scheme would be drawn to ensure provide one meal in a day for every child below 5 years of age the outlay coming to Rs. 2 crores next year.

সেই কাৰণে আমাৰ ৰাজ্যিক চৰকাৰে অহা বছৰৰ কাৰণে কোনো কল্যাণকামী আচনি লোৱা নাই। কেৰেলাৰ চৰকাৰে মিনিমাম পেঞ্চন ৭০ টকাৰ পৰা ১০০ টকালৈ বৃদ্ধি কৰিছে। সেইকাৰণে ডেফিচিটৰ কথাই নহয়, আচলতে যি প্ৰমিজ দিছিল, সেই উন্নয়ণমূলক আঁচনি বজেটত নথকাটো দুখঃ জনক। উপাধ্যক্ষ মহোদয়, এইখিনি সময় আপুনি মোক দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাই সামৰণি মাৰিছো।

*শ্ৰীদবানন্দ বৰাঃ—মাননীয় উপাধ্যক্ষ মহোদয়, এই বছৰ যি বাজেট বিত্তমন্ত্ৰী ডাঙৰীয়াই দাখিল কৰিছে ইয়াত বিভিন্ন ক্ষেত্ৰত আমাৰ

* Speech not corrected

উন্নয়ন মূলক কাৰ্যত বেচি টকা ধাৰ্য কৰা হৈছে । বিশেষকৈ কৃষি আৰু ক্ষুদ্ৰ উদ্যোগ গঢ়াৰ কাৰণে । অৱশ্যে এই কথা থিক যে আমাৰ ৰাজহৰ কাৰণে, আমাৰ ৰাজকোষ টনকীয়াল কৰিবৰ কাৰণে, আমাৰ ৰাজহ কেনে ধৰণেৰে আহিব এই কথা এই বাজেটত বিশেষ ভাৱে উল্লেখিত হোৱা নাই । কাৰণ আমাৰ ৰাজহ বিশেষকৈ দুটা শিতানৰ পৰা আয় হয় । এটা কৰ আৰু আনটো কৰৰ বাহিৰৰ পৰা । আৰু তাৰ অনুপাত হল কৰৰ পৰা শতকৰা ৭০ ভাগ ৰাজহ ৰাজকোষলৈ আহে আৰু শতকৰা ৩০ ভাগ কৰৰ বাহিৰৰ পৰা আহে । এই শতকৰা ৩০ ভাগ ধন সংগ্ৰহ কৰা হয় ক্ষুদ্ৰ উদ্যোগ বা অন্যান্য চৰকাৰী উদ্যোগৰ পৰা আয় হয় । আমি যদি দেশৰ অৰ্থনীতি দৃঢ় কৰিব খোজো, আমাৰ ৰাজকোষ টনকীয়াল কৰিব খোজা তেতিয়াহলে আমি নিশ্চয় চৰকাৰী খণ্ডৰ উদ্যোগৰ কৰৰ বাহিৰৰ যৰ পৰা ৰাজকোষৰ আয় হয় সেইটো আমি টনকীয়াল কৰিব লাগিব । আৰু যেতিয়ালৈকে ৰাজকোষ টনকীয়াল কৰিব নোৱাৰে তেতিয়ালৈকে আমি আমাৰ দেশৰ কল্যাণৰ কাৰণে টকা বেচিকৈ খৰচ কৰিব নোৱাৰে । সেই কাৰণে মই বিত্ত মন্ত্ৰী মহোদয়ক পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে ৰাজকোষৰ আয় বঢ়াবৰ কাৰণে কৰ আৰু কৰৰ বাহিৰৰ আয় শতকৰা ৫০, ৫০ কৰিবলৈ মই পৰামৰ্শ আগবঢ়ালো । উপাধ্যক্ষ মহোদয়, আৰু এটা কথা স্বীকাৰ কৰিব লাগিব যে আমাৰ প্ৰশাসনৰ ক্ষেত্ৰত যথেষ্ট টকা অপচয় হয় । আমাৰ বিভিন্ন শিতানত আমি যেনে ধৰণেৰে টকা ধাৰ্য কৰো সেই টকা থিক মতে খৰচ নকৰাৰ কাৰণেই আমাৰ উন্নয়ন মূলক কামৰ কাৰণে যি আশা কৰো সেইটো প্ৰতিফলিত নহয় । ইয়াৰ মূল কাৰণ হৈছে যে আমাৰ সময় মতে টকা থিনি খৰচ কৰা নহয় কাৰণেই । মোৰ দ্বিতীয় কথা হল আমাৰ বহুতো ক্ষেত্ৰত

বহুতো বিভাগত দুৰ্নীতি এতিয়াও চলি আছে । উদাহৰণ স্বৰূপে আমি আমাৰ বাননিয়ন্ত্ৰনৰ কাৰণে বছৰি কেবাকোটি টকা খৰচ কৰি আহিছো । এই বছৰ প্ৰায় ইয়াৰ কাৰণে প্ৰায় ৫ কোটি টকা ধাৰ্য কৰা হৈছে । এনে ধৰণেৰে টকা খৰচ কৰা বাদেও আমি আমাৰ দেশৰ যি বান নিয়ন্ত্ৰন ব্যৱস্থা এই ব্যৱস্থাৰ দ্বাৰা আমাৰ ৰাইজক ৰক্ষা কৰিব পৰা নাই । অসমৰ খেতি পথাৰ আমি বান নিয়ন্ত্ৰন কৰি ৰক্ষা কৰিব পৰা নাই । ইয়াৰ মূল কথা হৈছে যি ধৰণেৰে যি ব্যৱস্থাৰ যোগেদি আমি কাম কৰিছো বান নিয়ন্ত্ৰনৰ সুফল লাভ কৰিব পাৰো এইটো হোৱা নাই । দ্বিতীয়তে বান নিয়ন্ত্ৰন বিভাগে যিমান টকা খৰচ কৰে আমাৰ সিমান খিনি কাম নহয় । তাৰ কাৰণ হল যে এই বিভাগ.টা দুনীতি পৰায়ন বিভাগ । যত হাজাৰ হাজাৰ কোটি কোটি টকা দুনীতিৰ যোগেদি অপচয় হৈ থাকে ।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানে এতিয়া ব্ৰহ্মপুত্ৰৰ ওপৰত শিলৰ বুজ দিয়াৰ ব্যৱস্থা কৰা হয়, কিন্তু তাত এটকাৰ ঠাইত ২ টকা খৰচ কৰা হয় । কিন্তু তাত মাত্ৰ 8 অনাৰহে কাম হয় । তাত যিমান খিনি শিল পেলাই দিয়া হয় তাৰ হিচাব নাইকিয়া । সেইকাৰণেই তেনে কামত দুনীতি কৰিবলৈ সুবিধা পাব । আৰু যিমান টকা এই ক্ষেত্ৰত খৰচ কৰা হয় সিমান টকাৰ কাম নহয় । আৰু এনে ধৰণৰ ব্যয়ত দূনীতি ৰোধ কৰিব পৰা নাই । আৰু ৰাজ্যিক ৰাজকোষলৈ অহা ধন ক'ৰ পৰা আহিব সেই কাৰণেই এই ব্যয়বিলাকত দূনীতি ৰোধ কৰিবলৈ ৰাজ্যিক ৰাজকোষলৈ যাতে ধন আহে তাৰ ব্যৱস্থা কৰিব লাগে । আৰু চাব লাগে যি উদ্দেশ্যৰে ধন খটুউৱা হৈছে সেইটো যাতে কামত আহে । সেইদৰে প্ৰশাসনৰ ক্ষেত্ৰতো

বিভিন্ন বিভাগত ওপৰ গধুৰ প্ৰশাসন চলি থকা কথাটো আমি সকলোৱে উল্লেখ কৰিছিলো। এই ওপৰ গধুৰ প্ৰশাসনত তললৈ নমাই অনাৰ কাৰণে বাজেটত কোনো ব্যৱস্থা নাই। মই আশা কৰো বাজ্যিক ৰাজকোষৰ অধিক ধন আনিবলৈ হলে এই ওপৰ গধুৰ শাসন তললৈ নমাই আনিব লাগিব। উন্নয়ণ মূলক কাম কাজ বিলাকত টকা খটুৱাওতে নিশ্চয় এটা নীতি নিদ্ধাৰণ কৰিব লাগে। এইটো বৰ দুখৰ বিষয় যে এতিয়ালৈকে নতুন চৰকাৰে বিশেষকৈ উদ্যোগ বিভাগে এতিয়ালৈ নতুন নীতি নিদ্ধাৰণ কৰিব নোৱাৰিলে। আমি এইটো জানো যদি আমি উদ্যোগীক ভাৱে অসমৰ অৰ্থনৈতিক উন্নয়ণ সাধন কৰিব নোৱাৰো তেতিয়াহলে আৰ্থিক ভাৱে আমি আগ বাঢ়িব নোৱাৰিম আৰু উদ্যোগীক ভাৱে উন্নয়ণ কাম কৰিবলৈ হলে উদ্যোগ নীতি ঘোষনা কৰিব লাগিব।

Shri Golok Rajbangshi:— Point of order Sir. The Industries Depertment was discussed. So in propriation bill this connot be further discussed here again.

Mr. Deputy Speaker:— I want to tell the Hon'ble Member one thing. I think he would not mind for this; The debates on appropriation bill shall be restricted to the matters of public impotance or administrative policy implied in the grants covered by the bill, which have not already been raised while the relevant demands on grants were under consideration.

শ্ৰীদেবানন্দ বৰাঃ— ইয়াৰ পিচত আহিল আমাৰ ৰাজহ খাৰৰ সংখ্যা বৃদ্ধি পাইছে। ফলত এনে এটা সময় আহিব যে আমাৰ কাম

হাতত থাকিলেও আমি সেই কাম সম্পূৰ্ণ ভাবে কৰিবলৈ ৰাজহ খাৰৰ কাৰণে বিফল হব লাগিব। এতিয়ালৈকে প্ৰায় ৭ শ কোটি টকা ৰাজহ খাৰ হৈছে। এই কাৰণে যদি ১০ হেজাৰৰ পৰা ১ হাজাৰ কোটি বৃদ্ধি হয়গৈ তেতিয়া আমি কোনো কামেই ৰাজ্যিক ৰাজকোষৰ টকাৰে কৰিব নোৱাৰিম। গতিকেই আমাৰ ৰাজহ খাৰ আমি সীমিত কৰিব নোৱাৰিলে ভবিষ্যতে ৰাজহ ধন নোহোৱা হৈ যাব। দেশৰ অৰ্থনৈতিক উন্নয়ণমূলক কাম কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হব লাগিব। ইয়াৰ লগতে স্বাস্থ্য বিভাগৰ কেইটা-মান কথা উল্লেখ কৰিব বিচাৰিছো। স্বাস্থ্য বিভাগ যদি নিকা কৰিব নোৱাৰো তেতিয়াহলে জন্মনিয়ন্ত্ৰণৰ আঁচনি লৈ কৃতকাৰ্য্য হব নোৱাৰিম। বিভিন্ন স্বাস্থ্য কেন্দ্ৰ সমূহ গাওঁত স্থাপন কৰি স্বাস্থ্য ৰক্ষাৰ কামত আগবাঢ়িব লাগিব। জন্মনিয়ন্ত্ৰণৰ ব্যৱস্থা ৰাইজৰ মাজলৈ আনি জন্মৰ হাৰ কমাই আনিব নোৱাৰো তেতিয়াহলে উন্নয়ণমূলক কামত ব্যৰ্থ হব লাগিব। গতিকে মই আশা ৰাখিছো আমাৰ কল্যানমূলক কাম কৰোতে বিশেষকৈ স্বাস্থ্যবিভাগে যাতে বেচি টকা ধাৰ্য্য কৰে আৰু জনসাধাৰণৰ মাজত এই বিষয়ে প্ৰচাৰ কৰিব পাৰে, অকল প্ৰচাৰ কৰিলেই নহয় সেই ব্যৱস্থা ৰাইজক দিব পাৰিব লাগিব। তেতিয়াহে জন্মনিয়ন্ত্ৰণৰ ব্যৱস্থা সফল লাভ কৰি কল্যানমূলক কামত সমৰ্থ্য হব পৰা যাব।

তাৰ পিচত পুলিছৰ সম্পৰ্কে মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কৈছে আমাৰ পুলিছৰ সম্পৰ্কে বিভিন্ন ধৰণৰ অভিযোগ আছে। পুলিছৰ বিষয়ত যদিও টকা খৰচ কৰা হয় কিন্তু পুলিছ সকলৰ পৰা জনসাধৰণে ন্যায় বিচাৰ বিধৰণে পাব লাগে সেইটো নেপায় কাৰণেই পুলিছৰ ওপৰত বাজেট বিতৰ্কত মই উল্লেখ কৰিছিলো যে পুলিছ দেখি-

লেই মানুহৰ মাজলৈ ভয় আৰু ঘৃনা সৃষ্টি হয় ! আৰু প্ৰতি বছৰে পুলিছে দেশ আইন শৃংখলা ৰক্ষা কৰিবৰ কাৰণে শক্তিশালী পুলিছ লাগে স্বীকাৰ কৰো, কিন্তু জনসাধাৰণে যেনে ধৰণৰ পুলিচৰ পৰা ন্যায় বিচাৰ সদ্‌ব্যৱহাৰ পোৱাৰ পৰা বঞ্চিত হৈছে । সেই কাৰণে পুলিছে জন-সাধাৰণৰ পৰা সমাদৰ নেপায় । সেয়েহে পুলিচ সেৱাৰ পৰা যাতে ৰাইজ প্ৰকৃততে উপকৃত হয় তাৰ কাৰণে পুলিচ বিভাগটো ৰিফৰ্ম কৰিব লাগে । এইখিনি কৈ সমৰণি মাৰিলো ।

*মঃ ছামচুল হুদা:— মাননীয় উপাধ্যক্ষ মহোদয়, এপ্ৰপিয়েচন বিলৰ ক্ষেত্ৰত সংক্ষেপে কেইটামান কথা কবলৈ বিচাৰিছো । আমাৰ জনসাধাৰণে কংগ্ৰেছৰ শাসনৰ পৰা বিতাৰিত কৰাৰ নিশ্চয় কিবা এটা লক্ষ্য আছিল । তাৰ ভিতৰত এইটো প্ৰধান আছিল আমাৰ মন্ত্ৰী সভা আৰু চৰকাৰে এটা সুষ্ঠ শাসন দাঙি ধৰিব । কিন্তু কাৰ্যৰ জৰিয়তে আমি সেইটো দেখিবলৈ পোৱা নাই । আগৰ চৰকাৰে চৰকাৰৰ ভ্ৰমণৰ চকা খুব ঘুৰিছিল । কিন্তু এতিয়া চৰকাৰৰ চকা পিচ ৰাস্তাত ঘুৰোতে ঘুৰোতে ধুৱা ওলাই গৈছে । প্ৰয়োজনীয় কামত ঘুৰিলে আমাৰ কোনো আপত্তি নাই । কিন্তু ঘুৰিবলৈ বুলিয়ে ঘুৰিলে তাত আপত্তি হয় । মন্ত্ৰী কংগ্ৰেছৰ যোৱা ৩১ বছৰ শাসনৰ কালত একেটা ৰাস্তাতে এজন মন্ত্ৰীয়ে কিমান হেজাৰ মাইল ঘুৰিলে তাৰ সীমা নাই । তেওঁলোকে এনে ব্যৱস্থা কৰিব নোৱাৰিলে কিন্তু ৰাইজৰ কাম কাৰ্য্যকাৰী কৰাৰ ক্ষেত্ৰত যাতে পৰি নাথাকে সেই ব্যৱস্থা কৰিব নোৱা-ৰিলে । এখন দখাস্ত বছৰৰ পিচত বছৰ পৰি থাকি তাত এলান্ধু লাগি নেথাকে সেইটোলৈ লক্ষ্য ৰাখিব লাগে । টকা পইচা য'ত যি

* Speech not corrected

খৰচ হয় হওঁক কাম হলে তাত আপত্তি কৰিব লগীয়া নাই। দ্বিতীয় কথা হৈছে মোৰ আগতে গগৈ ডাঙৰীয়াই কৈছিল জনতা চৰকাৰৰ আমোলত জনসাধাৰণৰ দৃষ্টি গোচৰ হৈছে মোৰ যে নতুন লিদাৰ হব আকৌ কোনোৱা মন্ত্ৰী বদলিব এই ধৰণৰ কথা ওলাই আছে। এই বিষয়ে দৃষ্টি আকৰ্ষন কৰিলো।

জনতা চৰকাৰৰ আমোলত দেখা যায় সেই অৱস্থাৰ আৰম্ভ হৈছে। তাৰ কাৰণে আমি জনসাধাৰণক জবাব দিব লাগিব। আজি মই দুখেৰে সৈতে জনাব লগা হৈছে তেখেত সকলক উত্তৰ কিয় দিব লগা হল। আমাৰ ইয়াত যেতিয়া জনতাদলৰ চৰকাৰ গঠন কৰা হৈছিল তেতিয়া আমি কেইটামান বিৰোধী দলৰ চৰকাৰ গঠনত সমৰ্থন দিব লগা হৈছিল (কেৱল সোফালৰ দলৰ বাহিৰে)। তেওঁলোকক আমি সমৰ্থণ দিছিলো সচা। কিন্তু যিকোনো পৰিস্থিতিতে যে আমি তেওঁলোকক সমৰ্থন কৰি যাম সেইটো ভাবিলে ভুল কৰা হব। আমি এটা কথাৰ কাৰণেই তেওঁলোকক সমৰ্থন দিছিলো যাতে এটা সুস্থিৰ অৱস্থাৰ চৰকাৰ এখন গঠন কৰিব পৰা হয় আৰু তেওঁলোকে জনসাধাৰণৰ ইচ্ছানুসৰি কাম কৰক কিন্তু দেখা যায় যে চৰকাৰৰ চঞ্চল অৱস্থা দেখি সুযোগ লৈ প্ৰশাসন শিঠিল আৰু জনতাই যি আশাৰে চৰকাৰ প্ৰতিষ্ঠা কৰিছিল সেইটো কাৰ্য্যত হৈ উঠা নাই। এই অস্থিৰ অৱস্থাৰ কাৰণে দেখা যায় যে বিশেষকৈ প্ৰশাসনৰ ক্ষেত্ৰত মন্ত্ৰী সভাই যি কয় সেইটো আমান্য কৰি প্ৰশাসনত থকা বিষয়া সকলে অন্য এটা কাম কৰে। অলপতে মই জানিব পাৰিছো যে কৃষি বিশ্ববিদ্যালয়ৰ ভাইচ চেঞ্জেলাৰ নিয়োগৰ ক্ষেত্ৰত অসম চৰকাৰে যি মানুহৰ নাম প্ৰস্তাব কৰিছিল তাৰ বিপৰীতে এই চৰকাৰৰ তলতে থকা এটা গ্ৰুপে ৰাজ্যপালৰ লগত লগা-ভগা কৰি অন্য

এজন মানুহক নিয়োগ কৰাৰ ব্যৱস্থা কৰিলে। এই মানুহজনৰ বিৰুদ্ধে ৩০ পৃষ্ঠা জোৰা অভিযোগ থকা স্বত্বেও ৰাজ্যপালৰ লগত সেই গ্ৰুপ লগ হৈ তেওঁক্ষেই নিয়োগ কৰাৰ ব্যৱস্থা কৰিলে। আনহাতে এটা স্পেচিয়েল অভিমত কোৱা হৈছে যে সেই মানুহ জনৰ চাকৰিত থকা একেবাৰেই অধিকাৰ নাই। এই মানুহজনে কৃষি বিশ্ববিদ্যালয়ৰ প্ৰায় ডেৰ লাখ টকা খেলি মেলি কৰাৰ কথা এই ৰিপোৰ্টত কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, এই ৰিপোৰ্ট পঢ়িলে হয়তো আপুনি বেল বজাই দিব কিয়নো সময় বৰ কম। সেই কাৰণে মই সময় নষ্ট কৰিব খোজা নাই। তেওঁৰ অৱশ্যে নামটো ঠিককৈ মই কব নোৱাৰিম-এই যে ডেৰ লাখ টকাৰ অপচয় হৈছে তাৰ বাবে এটা স্পেচিয়েল অডিট কৰি ৰেচপনচিবিলিটি ফিক্সড কৰি ছল। গতিকে মই কৈছো যেতিয়ালৈকে এই দলৰ অস্থিৰ অৱস্থা থাকিব আৰু কুতনিতি মনোভাৱ আতৰ নহব আৰু নতুন নতুন মন্ত্ৰী হোৱাৰ হাবিলাসে চৰকাৰক অস্থিৰ অৱস্থাত ৰাখিব তেতিয়ালৈকে সেই সুযোগ লৈ তলৰ বিষয়া সকলে চৰকাৰক বুঢ়া আঙুলি দেখুৱাব। আমাৰ চৰকাৰৰ যিবিলাক প্ৰস্তাৱ আছে সেইবিলাক চামিল কৰিব পৰা নহব। উদাহৰণ স্বৰূপে মই জনাত এজন সাধাৰণ হেড ক্লাৰ্কে ক্লাৰ্ক এজনৰ গাফিলতিৰ কাৰণে তেনে এটা নিৰ্দ্দেশ চামিল কৰিব দিয়া নাই। এইবিলাক কথা বৰ্ত্তমান চৰকাৰে প্ৰতিৰোধ কৰা উচিত। কাৰণ জনসাধাৰণে বহু আশা কৰি এই চৰকাৰ প্ৰতিস্থা কৰিছিল। জনসাধাৰণে আশা কৰিছিল। যে বস্তুৰ যোগান সহজ হব। কিন্তু বাস্তৱ অৱস্থাত আমি যি দেখিবলৈ পাইছো তাত চৰকাৰ সম্পূৰ্ণ বিফল হৈছে। সেইবোৰক আৰু উদাহৰণ দি কবলৈ মই নিবিচাৰো। বস্তুৰ মুল্য প্ৰতিৰোধ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। বস্তু কম আহিব পাৰে কিন্তু বজাৰত বস্তুৰ দাম আজি পগলা ঘোঁৰাৰ দৰে হৈছে।

যেনেকৈ এটা পগলা ঘোৰাই লেং মাৰি বা লেজ মাৰি ইফালে সিফালে দৌৰি যায় ঠিক সেইদৰে আমাৰ বস্তুৰ দাম কেতিয়া কোন ফালে যায় তাৰ একো বিছাৰ নাই।

কেৰাচিনৰ দাম অভাৱনীয়ভাৱে বৃদ্ধি হৈছে। অৱশ্যে এইটো অসমতে হোৱা বুলি কলে ভুল হব কিয়নো এই বিষয়ত বাহিৰৰ লগতো সম্পৰ্ক আছে। আজি ইৰাণত এটা অশান্তিকৰ সৃষ্টি হোৱাৰ কাৰণে যে তাৰ প্ৰভাৱ আমাৰ ইয়াতো নকৰিব তাৰ মানে নাই-কিয়নো ইৰাণৰ পৰাও যথেষ্ট তেল আমাৰ ভাৰতবৰ্ষলৈ আনিব লগা হয়। কিন্তু বজাৰত কিলো প্ৰতি ৪টকাৰ পৰা ৬টকালৈ কেৰাচিন বিক্ৰি হোৱা কথাটোত সচাকৈয়ে আচৰিত হব লাগে। ধেমাজীত এই কেৰাচিন তেল কিলো প্ৰতি ৮টকালৈ বিক্ৰি হৈছে। ৮ টকা বা ৬ টকা দিলে কেৰাচিন পোৱা যায় কিন্তু ২ টকা দিলে কেৰাচিন পোৱা নাযায়। ইয়াৰ কাৰণ কি? আমি জনসাধাৰণক ইয়াৰ কি উত্তৰ দিম সেইটো মন্ত্ৰী মহোদয়ে নিজেই কওঁক। ইয়াৰ কাৰণে বাইজ জগৰীয়া নে বিৰোধী দল জগৰীয়া নে চৰকাৰ জগৰীয়া? ইয়াৰ এটা ব্যৱস্থা অতি সোনকালে চৰকাৰে লওঁক? ইয়াৰোপৰি মই আমাৰ বাজেট কথা কবলৈ গৈছো। আমাৰ জনসাধাৰণে আশা কৰিছিল গৰীব আৰু নিৰনুৱা সকলৰ কৰ্মসংস্থানৰ ব্যৱস্থা হব। 'ফুড অৰ ওৱৰ্ক'ৰ নামত চাক সোবজাই কোৱা হৈছিল যে নিৰনুৱা সমস্যা সমাধা হব। কিন্তু সকলো ফুটুকাৰ ফেনহে হব। নিৰনুৱা সমস্যাৰ সমাধান নহল। মোৰ সমষ্টিত এটা আচনিৰ কাৰণে ১৪-১৫ লাখ টকা খৰছ কৰি গঢ়ি উঠিব বুলি বিভাগীয় মন্ত্ৰীয়ে আশ্বাস দিছিল। কিন্তু সেই আচনি এতিয়া গৈ ৩ লাখত পৰিছে। কিন্তু যদি সেই ৩ লাখ টকাৰো সদব্যৱহাৰ কৰি ফুড অৱ ওৱৰ্কৰ আচনি হাতত লৈ কাম কৰে তেনে-

হলে আমাৰ হাড়-চালতও লোৱা দুখীয়া মানুহৰ সামান্যতম হলেও উন্নতি হব। কিন্তু আমাৰ ভাৰতবৰ্ষৰ নিচিনা এখন দেশত আজি আমাৰ জনসাধাৰনে দুবেলা দুমুঠি খাব নোপোৱাকৈ জীৱন নিৰ্ব্বাহ কৰিব লগা হোৱা কথাতো অতি পৰিতাপৰ বিষয়। এজন ভাত কবিয়ে কৈছিল যে ভাৰতবৰ্ষৰ নিচিনা এখন দেশত খেতিয়ক সকল ভাতৰ আকালত জীব-জন্তুৰ দৰে গছৰ তলত অহাহবে মৃত্যু বৰণ কৰিব লগা হৈছে। আজি আমাৰ কাৰখানাৰ শ্ৰমিকসকল কেন্সাধ হৈ মৰিব লগা হৈছে। তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব বুলি এই শ্ৰমিক সকলে জনতা চৰকাৰৰ আশা ৰাখিছিল কিন্তু সেই আশাৰ প্ৰতিফলন আমাৰ চৰকাৰৰ বাজেটত দেখিবলৈ পোৱা নাই। তথাপি আমি আশা কৰিছো যে এই বাজেটত যি টকা ধৰা হৈছে তাৰ যথাযথ খৰচ কৰি তাৰ দ্বাৰা উপযুক্ত ব্যৱস্থা কৰক আৰু জনসাধাৰণক আকৰ্ষন কৰক। কিন্তু পৰিবৰ্ত্তন আহিছে, আপুনি যদি ৩১ মাৰ্চ তাৰিখে বেংকৰ কাউন্তাৰত গৈ ঠিয় দিয়ে তেনেহলে দেখিব যোৱা বছৰতকৈ এইবছৰ অধিক টকা ঘুৰাই দিয়া হৈছে। তাৰ বাবে কি জবাব দিম? আমাৰ বিষয়া সকলে টকা খৰছ কৰাৰ কাৰণে কোনো মন-কাণ নিদিয়ে। ৰাইজৰ কাৰণে কোনো আচনি নলয়—ঘুৰি পকি ফুৰোতেই বছৰ পাৰ হৈ গল। তদুপৰি কোনো বিভাগত এল, ও, চি নামৰ এটা বস্তু আছে। বহু সময়ত দেখা যায় ঠিকাদাৰ সকল আহি এই এল,ও,চি আদায় কৰি লৈ যাব লগা হয়। এইটো পৰিবৰ্ত্তন কৰিবৰ কাৰণে এই চৰকাৰক আহ্বান জনাইছো। অ.গৰ চৰকাৰৰ দিনতে এই খণ্ডটোৰ সুচনা হৈছিল।

এইখিনিতে মই বিজুলি বিভাগৰ কথা দুষাৰমান কওঁ। আমাৰ এই বিভাগটো পুনৰগঠৰ ক্ষেত্ৰত অতি জোৰ দিয়া আৱশ্যক, এই

বিভাগটোত দেখিছো কৃষি শিল্প বা আৰু জলসিঞ্চন বিভাগৰ লগত কোনো সমন্বয় নাই। এই আটাই কেইটা বিভাগৰ মাজত সমন্বয় সাধন কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো। উপাধ্যক্ষ মহোদয়, আমি এই বিদ্যুত বিভাগৰ ক্ষেত্ৰত কওঁ, এই বিদ্যুত বিভাগটো পুণৰ গঠন ক্ষেত্ৰত, শিল্প উদ্যোগৰ ক্ষেত্ৰত' জলসিঞ্চনৰ ক্ষেত্ৰত আজি সকলো-ক্ষেত্ৰতেই অতি আৱশ্যকীয় বিভাগ। কিন্তু আজি আমি দেখিছো এই বিভাগটোৰ কৃষি শিল্পৰ লগত সমন্বয় নাই, জলসিঞ্চন বিভাগৰ লগত সমন্বয় নাই। গতিকে বৰ্তমান বিভিন্ন বিভাগৰ লগত সমন্বয় কৰি কাম কৰিবলৈ চৰকাৰক আহবান জনালো। এই বিদ্যুত বিভাগে কোনে কি কৰিছে, আপুনি শুনিলে আচৰিত হব। গুৱাহাটীত এজন ঘড়ীৰ মেৰামতি কৰা দোকানী আছে। তেওঁৰ দোকানত মাত্ৰ দুটা বাল্ব আছে। (সময়ৰ সংকেট) আমি যদি বিধান সভা আৰু কিছু সময় চলে নিশ্চয় আজি অসম ৰাইজৰ নাইবা চৰকাৰৰ এক পইচাও বেচি খৰচ নহয়। এপ্ৰোপিয়েচন বিলতেই যদি কবলৈ নাপাও আৰু কেতিয়া কম? গতিকে মোক আৰু অলপ সময় দিব লাগে।

মই কৈ আছিলো সেই দোকানী জনৰ দুটা বাল্বত এমাহৰ বিল হৈছিল ৭শ ৮৪ হাজাৰ টকা, প্ৰতি মাহত ৬০৫ টকা, ১০৬৫৭ পইচা, ২৯৬ টকা, ২১০ টকা, ২৩৯ টকা। মানুহ জন পাগলা হোৱাৰ দৰে অৱস্থা হৈছে। আজি উপাধ্যক্ষ মহোদয়, বিলৰ নামত কি হৈছে বিদ্যুত বিভাগে নানা বেমেজালিৰ সৃষ্টি কৰিছে। গতিকে মই এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আন এটা বিভাগৰ কথা লৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হৈছে এক্সাচাইজ বিভাগ। এই এক্সচাইজ বিভাগটোৰ পৰা চৰকাৰৰ ঘৰলৈ কোনো ৰাজহেই

নাযায় মদ নিবাৰণি কৰাৰ নামত বাতেই পথে মদৰ মবাইল হে হৈছে। কোটৰ ভিতৰত মদৰ বটলতো লৈ হাতত গিলাচটো লৈ মদ বিক্ৰি কৰিছে। ৰাস্তাত মানুহ গৈ থাকিলে গিলাচত ধালি দিয়ে আৰু পান-দোকানৰ পাচফালে নাইবা চাহদোকাণৰ ভিতৰলৈ গৈ সেইবিলাক পান কৰা হয়। এইদৰে মদৰ প্ৰচলন বেচিহে হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— উপাধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো, মাননীয় সদস্য গৰাকীয়ে কেনেকৈ দেখিলে ?

* মঃ ছামচুল হুদা :— কেনেকৈ দেখিলো তাৰ প্ৰমাণ মোৰ লগত গলে দেখুৱাই দিব পাৰিম। আজি কৰ্ম্মচাৰী সকলৰ দৰমহাৰ কথালৈ আহো। যিবিলাক নিম্ন বেতনকাৰী লোক আছে, তেওঁলোকৰ অৱস্থা অতি শোচনীয়। শিক্ষক কৰ্ম্মচাৰী, চাবৰডিটটে ইঞ্জিনিয়াৰ আদিৰ কথাই কওঁ, বৰ্ত্তমান ভাৰতীয় মূল্য তালিকামতে বজাৰত যি বস্তুৰ দাম নিৰ্ণয় কৰা হৈছে সেই অনুপাতে এটা পৰিয়াল কেতিয়াও চলিব নোৱাৰে। এটা পৰিয়াল চলিবলৈ আজিৰ দিনত কম পক্ষেও ৫০০শ টকা লাগে। হাই স্কুলৰ শিক্ষক, আৰু অন্য নিম্নথাপৰ যিবিলাক শিক্ষক অথবা বেতন-কাৰী আছে তেওঁলোকৰ অৱস্থা বৰ শোচনীয় হৈছে। দেখিলে দুখলগা হৈছে। তাৰ কাৰণে চৰকাৰে যি দৰমহা বৃদ্ধি কৰাৰ কথা কৈছে, সেইটো বাস্তৱ দৃষ্টি ভঙ্গীত হোৱা নাই বুলি মই ভাবো। (সময়ৰ সংকেত) সময় বৰ কম গতিকে গড়কাপ্তানী বিভাগ, ইলেকট্ৰীচিটি আৰু ইৰিগেচনৰ যিবিলাক চাবৰডিনেত ইঞ্জিনিয়াৰ আছে, তেওঁলোক ডিপ্লমাহোল্ডাৰ। তাতেই আকৌ এচিচটেণ্ট ইঞ্জিনিয়াৰ' বি,ই আৰু এফ,

* Speech not corrected

ই আছে তেওঁলোকৰ আৰু চেক্ৰেটাৰী চিফ ইঞ্জিনিয়াৰ আছে এই সকলো বিলাক ইঞ্জিনিয়াৰিং চাৰ্ভিচৰ মানুহ হোৱা কাৰণে ডিপ্লোমা চাৰ্ভিচৰ কৰ্ম্মচাৰী সকলৰ কোনো কথাকেই কণালাত নকৰে। ইয়াৰ পৰিনতি স্বৰূপে ভিষণ অসুবিধাৰ সৃষ্টি হৈছে। সময় বৰ কম কাৰণে আৰু দুটা কথা কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিম। পুলিচৰ যি বিভাগ এই বিভাগটো-ৰ আদৰ্শ সলণি কৰিব পৰা নাই হেতুকেই আজিলৈকে পৰিবৰ্ত্তন আনিব নোৱাৰিলে। আজি দেখা যায়, এই পুলিচ বিভাগটোৱে দুৰ্নীতিত চুৰান্ট বিভাগ হৈছে। তেওঁলোকৰ দা-দৰমহা বেছিকৈ দি এটা প্ৰিভনটীভ মেজাৰ লব লাগে। পুলিচক কোনো ঠাইৰ পৰা ৰিপোৰ্ট নকৰিলে তেওঁলোক কলৈকো ন জায়। আগতিয়াকৈ ধন নিদিলে কোনো তদন্তৰ ৰিপোৰ্ট তেওঁলোকে নিদিয়ে আৰু যিফালে ধন বেছিকৈ দিয়ে সেইফালৰ ৰায় ভালকৈ দিয়ে। এই পুলিচ বিষয়া সকলে বিশেষকৈ মুচলমান গাওঁ অঞ্চলত বিশেষ ধৰণে অনাচৰ কৰিছে।

Mr: Deputy Speaker :- I cannot allow it. I have already extended 5 minutes. If the Hon'ble Membere agree I do not have any objection. I do not want that the Hon'ble Members should continue indefnitely. I want to know from the Hon'bie House

(voices-No, No)

Shri Md. Samsul Huda :—We also gave our consent with the hope that...........

Mr. Deputy Speaker :— If we continue we may

continue for hours together so........

শ্ৰীশুল বৰা :— আমাক কবলৈ দিব লাগে,

Mr. Deputy Speaker : I do not extend the time now. If you desire or the Hon'ble House desire then that is a eparate thing. But so for as I am concerned I cannot allow.

মঃ ছামচুল হুদা :- আপোনাৰ অনুগ্ৰহত বাদে বাইজৰ মতামত প্ৰকাশ কৰাৰ ৰাষ্টা আমাৰ নাই। গতিকে আমাক কবলৈ দিয়ক।

Mr. Deputy Speaker : - That is why I want to know. If the House agrees I do not have any odjection.

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :- অলপ সময় দিয়ক। তেখেতক কবলৈ দিয়ক

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— আগতে আমিও বিৰোধী দলত থাকোতে এনেকৈ সময় বিছাৰিছো। গতিকে এপ্ৰোপিয়েচন বিলত কোৱাৰ সুবিধা দিব লাগে। মই ভাবো মাননীয় সদস্য সকলে আপত্তি কৰাৰ কোনো কাৰণ নাই। গনতান্ত্ৰিক দেশত সকলোৱে সমানে সুবিধা পাব লাগে। তেখেত সকলৰ দলপতিয়েও যিহেতুকে অনুৰোধ কৰিছে অলপ দিয়ক অন্ততঃ ৭।৩০ বজালৈ।

শ্ৰীনগেন বৰুৱা :— উপাধ্যক্ষ মহোদয়, ৭-৩০ ঠিক হবতো ?

Mr. Deputy Speaker : But of the some time I request the Hon. Members not to exceed their time

limit because the other Hon. Members are also waiting. I think if it is continued upto 7.30 P.M. it will be alright.

শ্ৰীছাংমচুঙ্গ হুদা :— মই পুলিচ বিভাগৰ কথা কৈ আহিছোঁ। এই বিভাগৰ চিফ অফিচাৰ সকলে গাওঁ অঞ্চললৈ যায়। আমাৰ গাওঁৰ মানুহ বিলাকে ধান কটা হোৱাৰ পাচত এখন মেলা পাতে, সেই মেলা খন ডি, চিৰ পৰা পাৰমিচন লৈ পতা হয়। আৰু সেই পাৰমিচনতেই ভাৰতবৰ্ষত বিভিন্ন ঠাইৰ পৰা জুৱাৰী সকল আহি জুৱা খেলে। আৰু ভাৰে ভাগ বটোৱা পুলিচ বিষয়া সকলেও পায়। এনেদৰে পুলিচ বিষয়া গাওঁ অঞ্চললৈ গৈ মানুহক লুট কৰে। গতিকে এই বিভাগটো পুনৰ-গঠণ কৰি পৰিবৰ্ত্তন আনিবলৈ চৰকাৰক আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষন কৰিলোঁ। সময় বৰ কম গতিকে আৰু এটা কথা কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ। বৰ্ত্তমান গড়কাপ্তানী বিভাগৰ কথা কব খুজিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ কথা এই কাৰণে কব বিচাৰিছোঁ যে-হয়তো মন্ত্ৰী পৰিষদে বা বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই ভাবিব পাৰে-তেখেত সকলৰ আলোচনা কৰা বুলি কিন্তু মই তেখেত সকলক সমালোচনা কৰিবলৈ নাযাওঁ-মোৰ কথা হল-বৰ্ত্তমান যিটো ইতিহাস এই বিভাগত আছে-সেইটোৰ পৰিবৰ্ত্তন আনিবলৈ মই অনুৰোধ কৰিছোঁ। আমি সকলোৱে জানো- গড়কাপ্তানী বিভাগ, জলসিঞ্চন বিভাগ আৰু বাননিয়ন্ত্ৰণ বিভাগ শতকৰা ৭০ ভাগৰ পৰা ৮০ ভাগলৈকে টকা আত্মসাত কৰিছে। গড়কাপ্তানী বিভাগ প্ৰায় কামতেই-প্ৰি-পেমেণ্ট হৈ যায়। তেওঁলোকক আগতে পইচা নিদিলে কোনো কাম নহয়। গতিকে এই ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰি অন্ততঃ আগৰ চৰকাৰৰ দিনত হোৱা খৰছতকৈ

নমাই আনিব লাগে-অৰ্থাত শতকৰা ৭০ ভাগৰ পৰা অন্ততঃ ৪০ ভাগলৈ খৰচ কমাই আনিব লাগে-পাৰিলে একেবাৰে কমাই দিয়াৰ ব্যৱস্থাকে লওক।

সদৌ শেষত মই সময় কম হোৱাৰ কাৰণে মাত্ৰ এটা বিভাগৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো-সেইটো হল ফৰেষ্ট বিভাগ। আমাৰ আলোচনাৰ মাজত দেখা গৈছে যে- ফৰেষ্ট বিভাগৰ বজাৰ বিলাকৰ ওপৰত চৰকাৰৰ একেবাৰে অস্তিত্ব নোহোৱা হৈছে। গতিকে এই ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন অনতি পলমে হব লাগে। এইখিনিকে কৰিবলৈ চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

শ্ৰীএ, এন, আক্ৰাম হুচেইনঃ— মাননীয় উপাধ্যক্ষ মহোদয়, অসম এপ্ৰপ্ৰিয়েচন বিল নং ২, ১৯৭৯ চন, ইয়াত ৪৪৮ কোটিৰো অধিক টকা ধৰা হৈছে। আমি এইটো আশা কৰিছো যে-- বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ শেন চকু ৰাখিব যাতে এই এপ্ৰপ্ৰিয়েচন বিলৰ টকা যাতে মিচ- এপ্ৰপ্ৰিয়েচন নহয়। লগতে মই চমুকৈ কওঁযে- মন্ত্ৰী পৰিষদৰ ক্ষেত্ৰত দেখা গৈছে-- আমাৰ মন্ত্ৰী সকলৰ মাজত এটা প্ৰতিযোগিতা চলিছে। কোনে ডি, এ, আৰু টি, এ, কিমান বেচি কৰিব পাৰে। এই প্ৰতি-যোগিতাত আমাৰ দুখীয়া ৰাইজৰ মাজত হাঁহাকাৰ সৃষ্টি হৈছে। আমি দেখিছো কৰবাত একেভা চাৰকুইট হাউচতে ১০। ১৫ জন মন্ত্ৰী ৰাতি থাকে। আমাৰ এনেকুৱা ভ্ৰমণ নালাগে। কাৰণ আমাৰ মন্ত্ৰীবৰ্গৰ সুকীয়া সুকীয়া দায়িত্ব আছে। সেইকাৰণে এজন মাননীয় সদস্যৰ সমষ্টিলৈ গলে— চৰকাৰৰ ফালৰ পৰা এজন মন্ত্ৰী গলেই যথেষ্ট মন্ত্ৰী সকলৰ যুটিয়া দায়িত্ব আছে আৰু তেখেতে চৰকাৰৰ ফালৰ পৰা সকলো দায়িত্ব বহণ কৰিব লাগে। গতিকে বহু কেইজন মন্ত্ৰী গৈ

আমাৰ ৰাইজক কষ্ট দিয়াত আমি আচৰিত হৈছো। আন এটা কথা হল যে আমাৰ মন্ত্ৰী মহোদয় সকলে বেচ আৰামত থাকিবলৈ বিচাৰে। আমাৰ ভাত আপত্তি নাই— তেখেত সকলেই গোটেই-খিনি সুবিধা পাওক— কিন্তু তেখেতসকলে যেনেকৈ থাকিব বিচাৰে ঠিক সেইদৰে কামৰ ভলিউমো বঢ়াই আনিব লাগে। আমি দেখিছো মন্ত্ৰী সকলৰ ঘৰ বিলাক ডাঙৰ ডাঙৰ কৰিছে, এয়াৰ কণ্ডিচন কৰা হব, টেপৰেকৰ্ড ৰাখিছে, খাদী পৰ্দাৰ ঠাইত মিলৰ দামী পৰ্দা লগাইছে আৰু এইবিলাকৰ কাৰণে ১২ লাখ টকা ধৰিছে।

শ্ৰীসোণেশ্বৰ বৰাঃ— মই অন্ততঃ এইখিনি কব পাৰো যে মোৰ পৰ্দাখিনি কোনো এম. এল. এৰ পৰ্দাতকৈ দামী নহয়-- মোৰ পৰ্দা খিনি তেখেত সকলৰ পৰ্দাতকৈ বহুত কম দামৰ।

শ্ৰীঅতুল গোস্বামীঃ— তেখেতৰ আদৰ্শটো তেখেতে— সহযোগী সকলক দিব পৰা নাই।

শ্ৰীৰবীন্দ্ৰ মালাকাৰঃ— মাননীয় সদস্য এজনে কৈ থাকোতে-- মন্ত্ৰী সকলৰ পৰা প্ৰতিবাদ কৰাটো মই ভাল নাপাওঁ। তেখেতৰ অধিকাৰ আছে আৰু সদনে কবলৈ সময় দিছে-- গতিকে তেখেতে কবই।

(হাঁহাঁকাৰ চলে- শুনা নাযায়)

অন্ততঃ কৈ থাকোতে চৰকাৰৰ ফালৰ পৰা প্ৰতিবাদ কৰাটো মোৰ ভাল নালাগে।

শ্ৰীসোণেশ্বৰ বৰা ঃ— এইটো প্ৰতিবাদ কৰাৰ কথা নহয়। মই মোৰ নিজৰ কথাখিনি স্পষ্টিকৰণ কৰি দিছো।

শ্ৰীএ, এন আক্ৰাম হুচেইনঃ— বঙালী ভাষাত এষাৰ কথা আছে যে—"ঠাকুৰ বাড়ীতে কে আমি কলা খাইনি" । সেইকাৰণে মই কৈছো মন্ত্ৰী সকলে যি ধৰণে তেখেত সকলৰ টি, এ, ডি, এ ত টকা খৰচ কৰে— সেইধৰণে কামৰ ভলিউম বেছি কৰিব লাগে । কিন্তু তেখেত সকলৰ কামৰ ভলিউম কমিহে গৈছে । গতিকে মন্ত্ৰী সকলে চৰকাৰী ভাবেই হওক বা বেচৰকাৰী ভাবেই হওক অধিক ভ্ৰমণৰ পৰা বঞ্চিত থাকিব লাগে । দ্বিতীয়তে আমাৰ কথা বাদেই এনেকি—তেখেতসকলৰ জনতা দলৰ সদস্য সকলেই মন্ত্ৰী সকলক দেখা কৰাৰ পৰা বহুতো সময়ত বঞ্চিত হৈ থাকিব লগা হয় । কাৰণ মন্ত্ৰীসকলে কিছুমান বিশেষ ব্যক্তিৰ লগত কিবাকিবি আলোচনা কৰি থাকে । সেইকাৰণে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে—আমাৰ দেশখন বৰ দুখীয়া দেশ— য'ত লাখ লাখ টকাৰ ঘাটি বাজেট হব ধৰিছে । কৰ লগাই দুখীয়া ৰাইজৰ পৰা কৰ আদায় কৰিবলৈ চালেই নহব— তেখেত সকলে ভ্ৰমণ কৰা বিলাক ৰেষ্ট্ৰিকটেড কৰিব লাগে ।

তাৰ পিচত ইয়াত বন বিভাগৰ কথা উল্লেখ আছে । বন বিভাগৰ কথা আমি ভালদৰে জানো যে—১৯৬৬—৭৭ চনত বন বিভাগত এটা লোটপাত চলিছিল কোনোবা এজন মন্ত্ৰীৰ দিনত । কিন্তু সেই আগৰ মন্ত্ৰীজনৰ লগত এতিয়াৰ মন্ত্ৰীজনৰ প্ৰতিযোগিতা লাগিছে । তাৰ কাৰণটো আমি বন বিভাগলৈ চালেই দেখিবলৈ পাওঁ । কিছুমান চোৰাং বেপাৰিয়ে জাল মোহৰ মাৰি কাঠ বিলাক লৈ যায়— তাত তেতিয়া কোনো পুলিচ নাথাকে—থাকিলেও নধৰে । এনেকৈ অসমৰ বনাঞ্চল ধ্বংস কৰি অসমত আজি কিছুমান চোৰাং বেপাৰীয়ে প্লাই—উড কাৰখানা চলাইছে, শ মিল চলাইছে । সেইকাৰণে মই বন বিভাগৰ

মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো– অসমৰ বনজ সম্পদ ভালদৰে ৰক্ষা কৰক। এই প্ৰাকৃতিক সম্পদ বিলাক ৰক্ষা কৰিব নোৱাৰিলে বুৰঞ্জীয়ে আপোনালোকক ক্ষমা নকৰে।

তাৰ পিচত বান নিয়ন্ত্ৰণৰ কথাত কওঁ যে— অলপতে ঢাকাত ব্ৰহ্মপুত্ৰ, গঙ্গা আৰু ফাৰাক্কাৰ বিষয়ে এখন সমালোচনা বহিব। মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে—ব্ৰহ্মপুত্ৰৰ খাল কাটি— ব্ৰহ্মপুত্ৰৰ জল প্ৰবাহ কমাই দিওতে অসমৰ যাতে ক্ষতি নহয় যেনেকৈ বাংলাদেশে যিদৰে মঠাউৰি বনাই কাহাৰ জিলা বিপদাপন্ন কৰিছে—ঠিক তেনেকৈ ব্ৰহ্মপুত্ৰ উপত্যকা যাতে বিপদাপন্ন নহয় আৰু অসমৰ স্বাৰ্থ যাতে ৰক্ষা হয় তাৰ বাবে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদক অনুৰোধ কৰিছো।

উপাধ্যক্ষ মহোদয়, মই এইখিনিতে আমাৰ পুলিচ বিভাগৰ কথা অলপ কবলৈ বিচাৰো। আমাৰ পুলিচক যি ইউনিফৰ্ম দিয়া হয়, সেই ইউনিফৰ্ম পিন্ধি জাৰৰ দিনত ৰাস্তাত পুলিচ কপি থাকে। পুলিচক যি চুয়েটাৰ দিয়া হয় সেই চুয়েটাৰ বিলাকৰ শতকৰা ২০ ভাগ উল আৰু শতকৰা ৮০ ভাগ সুতা থাকে। সেইকাৰণে পুলিচৰ জাৰ নপলায় কপি থাকে। ইয়াৰোপৰি তেওঁলোকৰ যিবিলাক কাপোৰেৰে চাৰ্ট দিয়া হয় সেইবিলাক পিন্ধিলে হাত দাঙিলে চাৰ্ট ফাটি যায়, আৰু পেন্ট ফাটি যায়। অথচ আজি লাখ লাখ টকাৰ বিল পাচ হৈছে। এতেকে এই দুৰ্নীতি বিলাক বন্ধ কৰিবৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীফণি মেধিঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আজি এপ্ৰপ্ৰিয়েচন

বিলৰ ওপৰত বহুতো কথা আলোচনা কৰা হৈছে । আৰু এই আলোচনাত আমাৰ মাননীয় সদস্য সকলে আমাৰ মন্ত্ৰী মহোদয় সকলৰ আচাৰ ব্যৱহাৰ চলন ফুৰণ আদিৰ বিষয়ে সমালোচনা কৰিছে । মই ভাবো যে, ব্যক্তিগত ভাবে মন্ত্ৰী মহোদয় সকলৰ চলন ফুৰণ, আচাৰ ব্যৱহাৰ আদি সংযত হব লাগে আনকি আমি যি সকল বিধায়ক আমি আজি বিধান সভালৈ আহিছো, এই সকলোৰে চলন ফুৰণ, আচাৰ ব্যৱহাৰ আৰু নিজৰ ব্যক্তিগত জীৱনত এই সকলো বিলাক সংযত আৰু মাৰ্জিত হব লাগে । আজি এখন ৰাজ্যৰ মন্ত্ৰী সকলে কত কত ফুৰিলে কলৈ গল আৰু কেইবাৰ গল কাৰ গাৰীত গ'ল, গাৰীৰ চকা কেইবাৰ ঘূৰিল সেইবিলাক আলোচনা কৰি একো লাভ নাই । প্ৰধানকৈ চৰকাৰৰ যিটো প্ৰশাসন ব্যৱস্থা সেইটো আৰু আমাৰ চৰকাৰৰ যিটো প্ৰশাসনীয় যন্ত্ৰ সেইটো সংশোধন কৰিবলৈ চেষ্টা কৰিব লাগে । আজি ৩০ বছৰে যি ভাবে এইটো গোটলৈ আছে এই মেচিনাৰিৰ আমোল পৰিবৰ্ত্তন কৰিব নোৱাৰিলে আমাৰ ৰাজ্য উন্নতি হোৱাতো সম্ভৱ নহয় । মই এইখিনিতে অনুৰোধ কৰো যে, আমাৰ যিটো পুৰণা শাসন যন্ত্ৰ আছে, সেইটো যদি পিহি জনতা চৰকাৰে উজ্জ্বল কৰি তুলিব লাগে নে যি শাসন যন্ত্ৰই যোৱা ৩০ বছৰে ভাৰতবৰ্ষৰ জনসাধাৰণক অত্যাচৰ উত্পীড়ন কৰি আহিছে সেই শাসন যন্ত্ৰ সংশোধন নকৰিলে বা নতুন প্ৰশাসন যন্ত্ৰ সৃষ্টি কৰিব নোৱাৰিলে আমাৰ ৰাজ্যৰ তথা আমাৰ ৰাইজৰ উপকৃত নহব । যি শাসন যন্ত্ৰৰ পৰা অন্তঃত ভাৰতবৰ্ষৰ জনসাধাৰণে অন্তঃত সুবিচাৰ কৰিব পাৰে ।

উপাধ্যক্ষ মহোদয়, আজি দেখা গৈছে যে, আমাৰ বুৰক্ৰেটি আমোলাতান্ত্ৰিক বিষয়া সকলে কেতিয়াবা আমাৰ মন্ত্ৰী মহোদয় সকলৰ

হুকুম বা পৰামৰ্শ গ্ৰাহ্য নকৰে। উদাহৰণ স্বৰূপে মই কওঁ যে, আমাৰ মাননীয় ৰাজ্যিক শিক্ষা মন্ত্ৰীয়ে এবাৰ এটা কামত ৬ মাহত ৫ বাৰ হুকুম দিছিল কিন্তু সেই হুকুম দিও কাম কৰিব নোৱাৰিলে। আৰু কেতিয়াবা দেখা যায় যে, সৃজনগ্ৰাম ব্লকৰ বি, ডি, অ ৩/৪ জন নিজৰ মনোমত ঠিকাদাৰক ঠিকা দিছে। এই সম্পৰ্কে কেইবাবাৰো আমাৰ পঞ্চায়ত মন্ত্ৰীক অনুৰোধ কৰাৰ পিচতো মন্ত্ৰী মহোদয়ে তাৰ এচ, দি, অলৈ টেলিগ্ৰাম কৰিও একো কাম কৰিব নোৱাৰিলে। ঠিক এই ধৰণেই আমাৰ শাসন যন্ত্ৰটো দীৰ্ঘদিন ধৰি লালন পালন হৈ আছে গতিকে উপাধ্যক্ষ মহোদয়, আমাৰ শাসন যন্ত্ৰতো যদি আমাৰ জনতা চৰকাৰে নতুনকৈ গঢ়ি তুলিব নোৱাৰে তেন্তে হলে আমাৰ জনতা চৰকাৰে জনসাধাৰণক যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিব অৱশ্যে জনতা চৰকাৰে ৰাইজৰ যাতে সকলো দিশতে উন্নতি হয় তাৰ কাৰণে চিন্তা কৰিছে আৰু কিন্তু যেতিয়ালৈকে মেচিনাৰি ঠিক কৰিব নোৱাৰে তেতিয়ালৈকে কোনো কাম নিয়াৰিকৈ কৰা সম্ভৱপৰ নহব। মহোদয়, আমাৰ দেশত যেতিয়ালৈকে সামন্তবাদী শাসনৰ, বিদেশী শোষণৰ অৱসান নহব মই ভবো তেতিয়ালৈকে আমোলাতান্ত্ৰিক পুঁজিৰ শোষণ আদিয়ে এই জনসাধাৰণৰ ওপৰত অত্যাচাৰ, উৎপীড়ন, শোষণ আদি চলি থাকিব। আমাৰ জনসাধাৰণে আজি আশা কৰিছে যে চৰকাৰে অন্ততঃ নিম্নতম প্ৰয়োজনীয় অৱলম্বন খিনি হয়তো দিব পাৰিব যিখিনি পালে এটা সহজ সৰল জীৱন যাপন কৰিব পাৰে। ইতিহাসৰ ৰথৰ চকৰি যিমানেই আগবাঢ়ি আহিব লাগে আমাৰ ৰাজবংশী ডাঙৰীয়াই এটা কথা স্পষ্ট ভাবে ইংগিত দিছে। আজি ভাৰতৰ ভিতৰতে তিনি-কোনিয়া, চাৰিকোনিয়া শোষণ চলি আছে যাৰ কাৰণে আজি মেহনতি শ্ৰেণীৰ মানুহ আগবাঢ়ি আহিব নোৱাৰে। এনে দিন এদিন আহিব

যি দিনা পৃথিবীৰ কোনো শাস্তি নাথাকিব যিদিনা জনসাধাৰণে শোষনৰ অৱসান ঘটাবলৈ বিপ্লবেৰে শোষন আৰু নিপীড়ন কাৰ্য্য ধ্বংস কৰিব । আজি মানৱৰ সভ্যতাৰ ইতিহাসে ইয়াৰেই ইংগিত দিছে ।

উপাধ্যক্ষ মহোদয়, আবেগিক ভাবে হলেও কংগ্ৰেছ চৰকাৰৰ মুখ্যমন্ত্ৰী মহোদয় সকলে ভাল কাম কৰাৰ কাৰণে চেষ্টা চলাইছিল । তেখেত সকলৰ ইচ্ছা যে নাছিল সেইটো নহয়, তেওঁলোকে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোকসকলৰ অভাৱ অভিযোগ আদিৰ বিষয়ে জানিছিল, আৰু অনুভৱ কৰিছিল আৰু তাৰ মোচনৰ বাবে আবেগিক ভাবে চেষ্টা কৰিছিল । আজি এইটো কথা মুক্ত কণ্ঠে স্বীকাৰ কৰিব লাগিব যে, যেতিয়ালৈকে আমাৰ শাসন যন্ত্ৰটো সংস্কাৰ কৰা নহয়, তেতিয়লৈকে আমাৰ দেশত পৰিবৰ্ত্তন সম্ভৱপৰ নহয় । আধুনিক কবিতাৰ দৰে, কাব্যিক ৰোমাঞ্চ কৰিব পাৰে কিন্তু ৰোমাঞ্চাৰে আমাৰ শাসন যন্ত্ৰটো পৰিবৰ্ত্তন আনিব নোৱাৰে । আমাৰ ৰাজ্যত যেতিয়াকৈ এই মেহনতি শ্ৰেণীৰ লোকৰ উন্নতি নহয়; যেতিয়ালৈকে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা ৰাইজৰ অভাব মোচন কৰা নহয়, তেতিয়াকৈ আমাৰ সমস্যা সমাধান নহব । যেতিয়ালৈকে আমাৰ দুৰ্নীতি আতৰ কৰিব নোৱাৰিব তেতিয়া লৈকে আমাৰ কোনো পৰিবৰ্ত্তন হব নোৱাৰে আৰু এইটো কৰিবলৈ হলে আমাৰ শাসনৰ গোটেই চিষ্টেমটো সলনি কৰিব লাগিব । আজি আমাৰ সমাজত থকা দুৰ্নীতি আতৰ কৰিবৰ কাৰণে আমাৰ চৰকাৰে চিন্তা কৰিব লাগিব । আজি বনুৱা সকলৰ দৰমহা দিনে ৭ টকা কিন্তু আজি দেখিবলৈ পাইছো ৩ টকা ২।। টকা দি শ্ৰম কিনা হৈছে । সমাজৰ অৱহেলীত এই লোকসকলৰ যেতিয়ালৈকে উন্নতি নহয় তেতিয়ালৈকে আমাৰ দেশৰ উন্নতি হব নোৱাৰে দেশত ভাল শাসন প্ৰতিষ্ঠা

হব নোৱাৰে। আজি আমাৰ যিবিলাক ভূমিহীন কৃষি বন্ধুৰা আছে তেওঁলোকেও আজি পৰিয়ালৰ ভৰণ পোষণ ভাল ৰককে দিব নোৱাৰে। আজি জীয়াই থকাৰ সম্বল তেওঁলোকৰ নাই। আজি কৃষি বন্ধুৰা সকলৰ কামৰ ব্যৱস্থা কৰি দিব লাগে। আজি ১০ বিঘা মাটিৰ খাজনা ৰেহাই দিলেই কাম কৰা নহয়। ১০ বিঘা মাটিত আজি বছেৰেকত তিনিবাৰ খেতি কৰিলে ৩০০ মোন ধান উত্পন্ন হব পাৰে। হস্পিতালত চাৰি অনা মাফ দিলেই যথেষ্ট নহয়! আজি হস্পিতালত ৰঙানীলা দৰৱ দিয়াৰ ব্যৱস্থা কৰিছে। ইয়াৰ একো ৰিলিফ নহয়। আমাৰ এই গোটেই ব্যৱস্থাটোৰ এটা আমাল পৰিবৰ্তন কৰিব লাগিব। আজি আমাৰ জনসাধাৰণে আশা কৰিছে যে, আজি জনতা চৰকাৰে আৰু কংগ্ৰেছ চৰকাৰৰ মাজত প্ৰাৰ্থক্য থাকিব লাগে। নহলে অণ্ড ওৱাই ইন এ নিউ বটলৰ' নিচিনা হব। সেইবিলাক সমালোচনা শুনিব লৈ আমি অলপো প্ৰস্তুত নহয়। গতিকে জনতা চৰকাৰক মই অনুৰোধ কৰিছো, মই মন্ত্ৰী সভাৰ কথা কবলৈ যোৱা নাই যেখেত সকলে যাতে ভাল ৰকমে কাম কৰিব পাৰে তাকে আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker—order, order. I cannot allow now. It is already 7-3o. Before Finance Minister's reply, the Minister for Parliamentary Affairs will speak a few words:

* শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— উপাধ্যক্ষ মহোদয়, এই আলোচনাত মই ভাগ লোৱাৰ ইচ্ছা নাছিল কিন্তু বিভাগীয় কেইটামান স্পষ্টিকৰণ

* Speech not Corrected

দিবলগীয়া হলো তাৰ কাৰণে ক্ষমা কৰিব। যি সকল মাননীয় সদস্যই এই আলাচনাত ভাগ লৈছে তেওঁলোকৰ কথা মই আন্তৰিকতাৰে সুন্দৰকৈ শুনিছো অৱশ্যে সেই সকলোবিলাকৰ বিষয়ে মোৰ সহযোগী বন্ধু বিত্তমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব। মই মাত্ৰ দুটা মান কথাৰ স্পষ্টিকৰন দিব বিছাৰিছো। ভালে মান সদস্যই আমাৰ মন্ত্ৰী সভা সম্পৰ্কে আলোচনা সমালোচনা কৰিছে। বহুতে মন্ত্ৰী সকলৰ মাজত অমিলৰ কথাও কৈছে, আৰু পুবে পশ্চিমে যোৱা ইত্যাদি কথা কৈছে। কিন্তু আমি গোটেই কেইজন মন্ত্ৰীয়ে আমাৰ মুখ্য মন্ত্ৰীৰ নেতৃত্বত কাম কৰিছো আৰু আচল কথা কবলৈ গলে, মোৰ ফালৰ পৰা কবলৈ হলে আমি সকলোৱে এক আত্মা। আমাৰ জইণ্ট ৰেচস্পনচিবিলিটি আছে আৰু সেই হিচাবে কিছু কিছু কাম আনৰহৈও কৰিব লাগিব। উদাহৰণ স্বৰুপে মাননীয় সদস্য সকলে উতবেগ প্ৰকাশ কৰিছিল প্ৰাইমাৰী স্কুলৰ ধৰ্না সম্পৰ্কে আৰু সেইমতে বিধানসভাৰ সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়া আৰু অন্যান্য সকলৰ লগত যাওতে মুখ্যমন্ত্ৰীৰ লগত পৰামৰ্শ কৰিয়ে গৈছো তাতগৈ তেওঁলোকৰ ওচৰত বহিলো আৰু তেওঁলোকৰ লগত আলোচনা বিলোচনা কৰিলো আৰু সেইমতে এই ধৰনৰ আলোচনা মুখ্য মন্ত্ৰীৰ লগত কৰিম বুলি তেওঁলোকক পঠিয়াই দিলো। সেইটো নিশ্চয় কোনো দোষণীয় কাম নহয় কাৰণ সদস্য সকলে নিজেই নিষ্পত্তি বিছাৰিছিল। আমি বিৰোধী পক্ষত থাকোতেও এনেকৈ বিধান সভাৰ বাহিৰত কোনোৱাই ভাত নখোৱাকৈ থাকিলে সহ্য কৰিবলৈ টান পাইছিলো আৰু সেইমতে বিধান সভাত উতথাপন কৰিছিলো। ঠিক তেনেকৈ আজি এইফালে আহি আমি পাহৰিগলে নহব সেই কাৰণে মই তাত গৈ তেখেত সকলক শান্তনা দিয়াতো ভাল হৈছে বুলয়ে ভাবিছো। ভালেমান কেইজন সদস্য বিশেষকৈ আমাৰ অতি পুৰণি জেষ্ঠ মাননীয় সদস্য শ্ৰীগোলোক

ৰাজবংশী ডাঙৰীয়াই মন্ত্ৰী সকলে নীতিমতে ফুৰাচকা সম্পৰ্কে সমালোচনা কৰিছে। আমাৰ ফালৰ পৰা মই যিমানদূৰ জানো আমাৰ আটাইকেইজন মন্ত্ৰীয়ে খুব সাধাৰণ ভাবেই থাকে আৰু মাননীয় সদস্য সকলে নিশ্চয় জানে যে শতকৰা আমাৰ ৯০ ভাগেই এটা শ্ৰেণীৰ পৰা আহিছে। আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰী, আজিৰ মুখ্য মন্ত্ৰী আৰু আমি প্ৰায়বিলাকেই এটা শ্ৰেণীৰ পৰা অহালোক। মই ভগবানৰ নামত শপতখাই কব পাৰো আমি সাধাৰণভাবে বসবাস কৰিব বিচাৰিছো। আৰু তাৰ বাহিৰত যদি যাব খুজিছো নিশ্চয় ৰাইজে আমাক ক্ষমা নকৰে। আমি নিয়ম নীতিৰ মাজেৰে চলিব বিচাৰিছো কোনো ক্ষেত্ৰতে লাহ বিলাসৰ জীৱন ধাৰণ কৰিব বিচৰা নাই আৰু লাহ বিলাসত জীৱন ধাৰণ কৰাটো উচিত বুলি নাভাবো। ভ্ৰমণৰ কথা মাননীয় সদস্য সকলে কৈছে-বিত্ত মন্ত্ৰী মহোদায়ে কব কিন্তু ভ্ৰমণ নকৰিলেও উপায় নাই। মাননীয় সদস্য সকলৰ ফালৰ পৰাই আমাক প্ৰেচাৰ দিয়ে। নগলেও অষসন্তোস কৰে বুলিয়ে যাবলৈ বাধ্য হও। বহুত ক্ষেত্ৰত দেখা যায় একেতা অনুস্থানতে কেৱক্বেনো মন্ত্ৰীক নিমন্ত্ৰণ কৰে-তব্ৰশ্যে এই সম্পৰ্কে আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ এটা নিৰ্দেশো আছে যে একেটা অনুস্থানতে কেৱাজনো মন্ত্ৰী যাব নালাগে কিন্তু কিছুমান ক্ষেত্ৰত ৰাইজ মন্ত্ৰী সকলৰ উপস্থিত হলেই আনন্দ পায়। কিন্তু এইটো আমি নিবিছাৰো যে মন্ত্ৰী সকল কিবা এটা অনুস্থানত গৈ ৰাইজৰ কিবা উপকাৰ কৰিব নোৱাৰিলে তালৈ যায় লাভ নহয়। আমি নীতি নিয়ম জানো আৰু আমি ১৮ বছৰে বিৰোধীদলত আছিলো গতিকে আজি ইয়ালৈ আহি কেতিয়াও নীতি নিয়মত পিঠী নিদিও। মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই গাড়ীৰ ক্ষেত্ৰত মিচইউজ কৰা বুলি কৈছে। এই সম্পৰ্কত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ এটা নিৰ্দ্দেশো আছে কিন্তু আমাৰ

বিশ্বাস কোনো মন্ত্ৰীয়ে আজিলৈ তেনে কাম কৰা নাই আৰু যদি তেখেতে জ্ঞানে নিৰ্দ্দিষ্টভাবে কব লাগিছিল। ৰাজহুৱা ধনৰ অপচয় হোৱা নাই বা আমি কৰা নাই বুলি আমি দৃঢ়ভাবে কব পাৰো আৰু যদি তেনে কোনো প্ৰমান কৰিব পাৰে তাৰ শাস্তি নিশ্চয় লম কাৰণ আমি গণতন্ত্ৰক সন্মান কৰো। মাননীয় সদস্য সকলক মই পষ্টকৈ জনাব বিচাৰিছো যে আজি আমি বহুত পৰিবৰ্ত্তনেই বিচাৰিছো আজি গোলাপ বৰবৰা বা দুলাল বৰুৱা বুলি নহয় আমি দেশত মৌলিক আৰু অৰ্থনৈতি পৰিবৰ্ত্তন বিছাৰিছো। মাননীয় সদস্য শ্ৰী মেধী ডাঙৰীয়াই কৈছে আৰু সেই হিচাবে আমি মৌলিক পৰিবৰ্ত্তনৰ চেষ্টা চলোৱা হৈছে আৰু সেই মৌলিক পৰিবৰ্ত্তন আনিবলৈ হলে যিবিলাক পুৰনা ৰীতি নিয়ম সেইবিলাক আমি দুৰীকৰন কৰিব লাগিব। মাননীয় সদস্য শ্ৰী ৰাজবংশী ডাঙৰীয়াই বিষয়া সকলৰ কথা কৈছে আমি বিষয়া সকলক বদনাম দিয়া নাই। কিন্তু এইটো স্পষ্টযে যি সকল বিষয়াৰ সেৱাৰ মনোভাব আছে তেওঁলোকক বিষয়া হিচাবে গ্ৰহণ কৰিম আৰু যি সকলে নিজৰ স্বাৰ্থৰ কাৰণে ভাৱে তেওঁলোকৰ বিষয়া হিচাবে থকাৰ অধিকাৰ নাই বা আমাৰো যদি সেইভাব আছে তেনেহলে আমাৰো মন্ত্ৰী হৈ থকাৰ অধিকাৰ নাই। আমি কোনো ডিস্ক্ৰিপেনচি কৰিব খোজা নাই। এইখন দেশ মাননীয় সদস্য সকলৰো আৰু এইখন দেশ আমাৰো আৰু এইখন দেশ বিষয়া সকলৰো এইখন দেশ সকলোৰে। গতিকে এইখন দেশক বচাবৰ কাৰণে যি সকল মধ্যবিত্ত শ্ৰেণীৰ লোক যি সকলৰ খাবলৈ নাই পিন্ধিবলৈ হাহাকাৰ সেই ৰাইজক উদ্ধাৰ কৰা দায়িত্ব মন্ত্ৰী সকলৰো, বিৰোধী পক্ষৰো বিধান সভাৰ সকলো সদস্যৰে আৰু বিষয়া সকলোৰো নীতিগত ভাবে দায়ীত্ব আছে। সেই মনোবৃত্তিৰে যদি বিষয়া সকলে চাই নিশ্চয় আমাৰ দেশত মৌলিক পৰিবৰ্ত্তন আহিব।

উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই কেইটামান কথা কৈছে। গগৈ ডাঙৰীয়া মই একেলগে বিৰোধী পক্ষত আছিলো। এষ্টিমেট কমিটিৰ, পি এ চি কমিটিৰ মই দুটা টাৰ্মত চেয়াৰমেন আছিলো। মই যোৱাৰ পিচত জেলত থাকোতে তেখেত চেয়াৰমেন হোৱা বুলি শুনিছো। গতিকে ফাইনেনচিয়েল ৰুলচ ৰেগুলেচন অকল মোৰ বিভাগতে নহয় কোনো বিভাগতে যাতে ব্যতিক্ৰম নহয় তাৰ বৱস্থা আমি কৰিছো।

মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী, চাম চুল হুদা আৰু মই একে লগে বহি যোৱা ১২-১৪ বছৰে নীতি নিৰ্দ্ধাৰণ সম্পৰ্কে সমালোচনা কৰি বিষয়া সকলক ব্যতিব্যস্ত কৰিছিলো আৰু আজি যি ৰাজহুৱা ক্ষমতা পাইছো এই ক্ষমতাৰ কেতিয়াওঁ আমি অপব্যৱহাৰ নকৰো আৰু বে আইনী ভাৱে কোনো কাম হবলৈ নিদিওঁ। মাননীয় সদস্য গগৈ ডাঙৰীয়াই 'জনম ভূমি' কাকতত বহুতো কথা ওলোৱাৰ কথা কৈছে। মাননীয় গগৈ ডাঙৰীয়াই নিশ্চয় জানে যে বাতৰি কাকত বিলাকত এনে ধৰণৰ বহুতো কথা ওলাই আৰু সেইবিলাক সকলো সত্য নহয়।

উপাধ্যক্ষ মহোদয়, মই সিদিনা নিজেই বডাৰ ৰোড চাই আহিছো আৰু মাননীয় সদস্য সকলৰ বিধান সভাৰ পিচত যদি সময় হয় তেন্তে মোৰ লগত তেখেত সকলো গৈ নিজেই চাই আহিব পাৰে আৰু তাকে চাই আহিলে ভাল পাব। মই কবলৈ বাধ্য হৈছোঁ যে যি সকল ঠিকাদাৰে কাম কৰাৰ সুযোগ সুবিধা পোৱা নাছিল আৰু যলৈ যাবলৈ ৰাতি ভয় লাগে সেই ঠাইতে ৰাতি পেট্ৰ'মাক্স লাইট জলাই কাম কৰি আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ— উপাধ্যক্ষ মহোদয়, কেচা মাটিতো

পিচ কৰাৰ ব্যৱস্থা কৰা হব ধৰিছে, হয় নে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—প্ৰথমে কেচা মাটি দি লব লাগিব। তেখেতৰ অঞ্চলত যদি তেনেকৈ কৰিব লাগে কব নোৱাৰোঁ, তেনে নিয়ম নাই আৰু কৰাও নহয়। গতিকে ৰাস্তা সম্পৰ্কে গগৈ ডাঙৰীয়াই যিটো পি, ডবলিউ, ডিৰ ষ্টেওাৰোৰ্ডৰ টকা পইচা খৰচ কৰিবলৈ লোৱা হৈছে তাত কোনো সন্দেহৰ স্থল নাই বুলি মই কব খুজিছোঁ। লগতে মই এইটোও কব খোজোঁ যে আগতে আমাৰ ৰ'ড ৰোলাৰ নাছিল। ১৯৬২ চনত চীনা আক্ৰমণৰ সময়ত হঠাতে তামিলনাডুৰ পৰা অনা হৈছিল এতিয়া ১২০ টা ৰোড ৰোলাৰ অনাৰ আদেশ দিয়া হৈছিল। গগৈ ডাঙৰীয়াই পৰীক্ষ-নীৰিক্ষা কৰোতে (চেয়াৰমেন হিচাবে) নিশ্চয় জানে Directer General of Supplies and Disposal, Govt. of India যিটো ৰেট অনুমোদন কৰিছিল জোচেফ মেনুফেক্চাৰচ কটন লিমিটেডৰ যোগেদি অনা হৈছিল। সেয়ে আমি ৰ'ড ৰোলাৰ ১২০ টা আনিছো আৰু জেনেৰেল এৰিয়াত আছিল ৮৮' বুলদ'জাৰ ৮

| (a) General Aress | Nos | Cost |
|---|---|---|
| i) Road Rollers | 88 | Rs.140.80 lakhs |
| ii) Bull Dozers | 4 | Rs.5.71 lakhs |
| iii) Motor Graders | 2 | Rs.6.4 lakhs |
| iv) Stone Crushers | 4 | Rs, 3.12 lekhs |
| v) Granulator | 28 | Rs. 22.4 lakhs |
| | | Rs. 178.43 lakhs |

b) Hill Areas

| | | |
|---|---|---|
| 1) Road Rollers | 37 | Rs. 59.20 lakhs |
| c) N.E.C Works | | |
| I) Road Rollers | I0 | Rs I6.00 lakhs |

এন, ই, চিৰ কাৰণে অনা হৈছে ১০—খৰচ হল মোটা-মোটি ভাৱে ১ লাখ টকা। ইতিমধ্যে আমি আনিলো ২৫ খন মাত্র, বাকী পাবলৈ আছে আৰু দিব বুলি কৈছে। তেওঁলোকে যদি দিব নোৱাৰে তেতিয়াহে অন্য ব্যৱস্থাৰ কথা চিন্তা কৰিম। এতিয়া সেই ধৰণৰ কোনো চিন্তা কৰা নাই। তাৰ পিচত উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কৈ মই সামৰিব খুজিছোঁ। মাননীয় সদস্য হুদা ডাঙৰীয়াই এটা কথা কৈছে, এই সম্পৰ্কত মই তেখেতক জনাব খোজোঁ যে তেনে হবলৈ দিয়া নহয় আৰু আগলৈ তেনেকুৱা হোৱা বুলি প্ৰমাণ পালে অকল বিষয়া সকলয়ে নহয়, ইয়াৰ লগত জড়িত সকলোৰে ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হব। মই জনাব খুজিছো যে আমাৰ যি মনপলি ঠিকদাৰ বা ব্যক্তিগত এক শ্ৰেণীৰ মানুহৰ হাতত সকলো ব্যৱসায় কণ্ট্ৰেক্ট আদি আছে সেই সকলোবোৰ চোৱা হব। বস্তু বাহনীৰ দাম অলপ অচৰপ বঢ়াটো অৱশ্যে সত্য কিন্তু কমোৱাৰ বাবে চৰকাৰে সকলো ধৰণৰ চেষ্টা চলাই ব্যৱস্থা লোৱা হৈছে। যাতে বস্তুৰ মূল্য হঠাতে বাঢ়ি গৈ জনসাধাৰণক অসুবিধাত নেপেলাই। কেৰোচিন তেলৰ ক্ষেত্ৰত বহুত কথাই কোৱা হৈছে, দুই এঠাইৰ খবৰ আমি পাইছো। মই বম্বেলৈ যাওঁতে দেখিছো তাতো একেই অৱস্থা। আমাৰ উপ প্ৰধান মন্ত্ৰীৰ লগত এই সম্পৰ্কে আলোচনা কৰোতে তেখেত কৈছিল যে আমাৰ দেৰ চাহিদা পুৰাবলৈ এই বস্তুখিনি ইৰাণৰ পৰা আনিব লগা হৈছো। সাধাৰণ ভাবে চলিবলৈ তেখেতে

পৰামৰ্শ দিছে। এফালে চালে সিফালে চোৱাৰ দৰকাৰ হয়। গাওঁ অঞ্চলত যাতে অসুবিধা নহয়, সেইটো চাব লগা হৈছে। কেৰোচিন আৰু বিভিন্ন খাদ্য সামগ্ৰীৰ নাটনীৰ ক্ষেত্ৰত আমি যি খিনি ব্যৱস্থা লব খুজিছো, মাননীয় সদস্য সকলৰ সহায় আৰু সহযোগিতা আমি আশা ৰাখিছো এই নাটনি দূৰ কৰিব পাৰিম। উপাধ্যক্ষ মহোদয়, এই খিনি সময় দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিছোঁ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈঃ- উপাধ্যক্ষ মহোদয়, মই অতিশয় মনোযোগেৰে ১৯৭৯ চনৰ অসম বিনিয়োজন ( নং ২ ) বিধায়কৰ ওপৰত হোৱা বিতৰ্ক শুনিছো। অহা বিত্তীয় বছৰৰ বাজেটৰ ওপৰত হোৱা সাধাৰণ বিতৰ্কত উত্থাপন কৰা বহুতো বিষয়েই পুনৰ উত্থাপন কৰা হৈছে। মই বাজেটৰ ওপৰত হোৱা সাধাৰণ বিতৰ্কৰ সমিধাণ দিওঁতে ইয়াৰ বহু বিষয়ৰ কথা উল্লেখ কৰিছিলোঁ। আজি মোৰ হাতত থকা সময় অতি তাকৰীয়া। সেয়ে মই আগতে যিবিলাক বিষয়ৰ ওপৰত কৈছিলো সেইবোৰ পুণৰ উল্লেখ কৰিব নোখোজোঁ।

আজি মাননীয় সদস্য সকলে এই বিধেয়কৰ ওপৰত অংশ গ্ৰহণ কৰি বিশেষকৈ আমাৰ মন্ত্ৰী সভাৰ সদস্য সকলক সতৰ্ক কৰি দিছে। মই এই সতৰ্ক বাণী আৰ্শিব্বাদ বুলি গ্ৰহণ কৰিছো আৰু আশা ৰাখিছো মন্ত্ৰী সভাৰ সকলো সদস্যই কাৰ্য্য পৰিচালনা কৰাৰ সময়ত তেখেত সকলৰ এই সতৰ্কবাণী মনত ৰাখিব আৰু সেই মতে কাম কৰি যাব। তেতিয়া হলে আমি সদায় মাননীয় সদস্য সকলৰ সহায় আৰু সহানুভূতি সকলো সময়তে পাম।

মাননীয় সদস্য ৰাজবংশী ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে যোৱা ৩০ বছৰে কংগ্ৰেছে যিখিনি বেয়া কাম কৰিব নোৱাৰিলে বৰ্ত্তমান চৰকাৰে এবছৰতে সেইখিনি কৰিলে।

মাননীয় সদস্য শ্ৰীৰাজবংশী ডাঙৰীয়াই এটা কথা কৈছে যে তেখেত সকলে ৩০ বছৰত যিখিনি বেয়া কাম কৰিলে আমি এক বছৰতে সেইটো চেৰাই গলো। তেখেতে আৰু এটা কথা কৈছেযে আমাৰ নীতি সম্পৰ্কত আমি কোনো নীতি দাঙি ধৰা নাই। নীতি সম্পৰ্কত মই কব বিচাৰিছো যে আমাৰ যিবিলাক পৰিকল্পনা সেইবিলাক বাজেটত দিয়া হৈছে আৰু ৰাজ্যপালৰ ভাষণতো দিয়া হৈছে। তাত আমি নীতিৰ সম্পূৰ্ণ ব্যাখ্যা দিছো। আৰু এইক্ষেত্ৰত আমি আগবাঢ়ি যাম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছো।

তেখেতে ৰুল অৱ লৰ কথা কৈছে। আমাৰ যিবিলাক আইন আছে আমি সেইবিলাক শুদ্ধ ভাবে পালন কৰাৰ চেষ্টা কৰো। মই মাননীয় সদস্যগৰাকীক আশ্বাস দিব খোজো যে আমাৰ চৰকাৰে ৰুলচ অৱ লক বিশ্বাস কৰে আৰু আইনৰ ওপৰত পুৰ্ণশ্ৰদ্ধা ৰাখি এই আইন কাৰ্য্যকৰী ভাবে পালন কৰি আহিছো আৰু দৃঢ়তাৰে পালন কৰিম। ৰুৰবাত ভুল ভ্ৰান্তি হব পাৰে যিহেতু মানুহৰেই ভুল হয়। এই ভুল আমাৰ চকুত পৰিলে আমি শুধৰাই লম।

মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই মন্ত্ৰীসভাৰ সদস্যক যি সতৰ্ক বানী দি কৈছে যে আমি ৰাজহুৱা বস্তু পাই নিজৰ বস্তুৰ নিচিনা ব্যৱহাৰ কৰিছো। আৰু তেখেতে কব খুজিছে যে মন্ত্ৰীসকলে জনসাধাৰণৰ কথা চিন্তা নকৰে। মই মাননীয় সদস্যগৰাকীক এই আশ্বাস

দিব পাৰো যে আমাক মন্ত্ৰীসভা গঠন হোৱাৰ পিচত ৰাইজৰ হিতৰ কাৰণেই কাম কৰিবলৈ চেষ্টা কৰি আহিছো। হয়তো যি আশা ৰাখিছিলো সেই আশা সম্পুৰ্ণ কাৰ্য্যত পৰিনত নহব পাৰে। তথাপি কিছু কাম কৰিছো। আমাৰ যি পৰিকল্পনা, এই পৰিকল্পনাৰ কাম সুচাৰুৰূপে যদি কৰিব পাৰো এইখিনিয়ে ৰাইজক উপকাৰ কৰিব। জনতা চৰকাৰ অহাৰ পিচত Adminietrastion টপ হেভি হোৱাৰ কথা কৈছে। তেখেতে শিক্ষা বিভাগৰ এজন অফিচাৰৰ দুৰ্নীতিৰ কথাও কৈছে। শিক্ষামন্ত্ৰ নাথাকিলেও আমি এই ৰিষয়ে নিশ্চয় ব্যৱস্থা কৰিম। টপ হেভিৰ কথাটো বিবেচনা কৰিম। এল, ও, চি, ৰ সম্পৰ্কতো কৈছে। আপোনালোকে জানে যে এল, ও, চি, য়ে খৰচ আৰু আয়ৰ সমতা বজায় ৰখাত সহায় কৰে। এল, ও, চি,য়ে আমাৰ বিত্ত বিভাগে টকা পইচা খৰচৰ ক্ষেত্ৰত বহুতো সহায় কৈছে। আমি আশা ৰাখিছো আমাৰ বিত্তৰ ক্ষেত্ৰত ই আমাক সহায় কৰিব।

শ্ৰীবীৰেশ মিশ্ৰ :— এটা কিন্তু আউট অফ, কণ্ট্ৰাডিকটরী হয়েছে। মাননীয় সদস্য হেমেন দাস এল আই সি'র কথা বলেছিলেন। তিনি বলেছিলেন যে এল আই সি আসাম থেকে যত টুকু ব্যবসা করছে সেই অনুপাতে তারা আসামে টাকা খাটায়না।

শ্ৰীকেশৱ গগৈ :— আপুনি এল, আই, চি, ৰ কথা কৈছে। এল, ও, চি, হৈছে State's flow of receipt and expenditure is regulated to balance the expenditure এইটোৱে টকা পইচা খৰচ কৰাত সহায় কৰে আৰু কৰিব। তেখেতে এল, আই, চি, আৰু বেংকৰ কথা কৈছে। আমি এল, আই, চি, ৰ লোণ লৈ কাম কৰিবলৈ চেষ্টা কৰি আছো। আমাৰ আগৰ চৰকাৰে এল, আই, চি, ৰ লোণ লৈছিল

হদিও খৰচ কৰিব নোৱাৰি সূতে মূলে তিনি বছৰ পিচত ঘূৰাই দিব লগা হল। গতিকে লোণ লৈ ঠিকমতে খৰচ কৰিব নোৱাৰিলে লোণ লোৱাটো ঠিক নহয়। তেখেতে ৰাজধানীৰ কথাও কৈছে। আমাৰ মূখ্য মন্ত্ৰী মহোদয়ে আশ্বাস দিছে যে অতি সোনকালে ৰাজধানী সম্পৃৰ্কত এটা বিবৃতি দিব। আৰু ৰাজধানী সম্বন্ধে সদনত জনাব।

শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই ২৪ জন চিপাহী লোৱাৰ কথা কৈছে আৰু সেইসকল বাহিৰৰ মানুহ বুলি কৈছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এই সম্পৰ্কত একো নাজানে বুলি কৈছে তথাপি এই সম্পৰ্কে অনুসন্ধান কৰি ব্যৱস্থা লম। তেখেতে চইল কনজাৰভেচনৰ দুৰ্নীতিৰ কথা কৈছে। এই সম্পৰ্কত বাৰেলিং টেৰাঙৰ সভাপতিত্বত জীৱন বৰা আৰু প্ৰেমধৰ বৰাক সদস্য হিচাবে লৈ এখন কমিটি কৰি দিয়া হৈছে। তেখেতে সকলে ইণ্টাৰিম ৰিপৰ্ট দিছে। ফাইনেল ৰিপৰ্ট দিলে দুৰ্নীতি সম্পৰ্কে ব্যৱস্থা লম।

শ্ৰীগোলোক ৰাজবংশী ঃ— এপ্ৰোপ্ৰিয়েচন বিলৰ সম্পৰ্কত আলোচনা কৰোতে সকলোমন্ত্ৰী উপস্থিতি থাকিব লাগে। কিন্তু শিক্ষামন্ত্ৰী ইয়াত নাই। এটা জনৰব হৈছে যে শিক্ষামন্ত্ৰীৰ লগত প্ৰাথমিক স্কুলৰ শিক্ষকৰ ধৰ্ণাৰ সম্পৰ্কত বাদানুবাদ হেৰোত তেখেতে ৰিজাইন দিছে এইটো সঁচানেকি ?

শ্ৰীকেশৱ গগৈ ঃ— জনৰব বহুত ওলায়। তেখেতে তিনি চাৰি খন মটৰ গাড়ী মন্ত্ৰীয়ে লোৱা বুলি কৈছে। এই কথা যদি তেখেতে মুখ্যমন্ত্ৰীক দিয়ে আমি আশা ৰাখিছো তেখেতে নিশ্চয় ব্যৱস্থা লব।

এনে খবৰ আমি পোৱা নাই।

শ্ৰীঅতুল গোস্বামী ঃ— মই কৈছো যে আই, এ, এচ, অফিচাৰ সকলে চেক্ৰেটাৰী হিচাবে, কমিচনাৰ হিচাবে, মেনেজিং ডাইৰেক্টৰ হিচাবে বিভিন্ন কেপাচিটিত বিভিন্ন গাড়ী ৰাখে।

শ্ৰীকেশৱ গগৈ ঃ— এই সম্পৰ্কত আমি ব্যৱস্থা লম। বিভিন্ন কেপাচিটিত বিভিন্ন গাড়ী লব নোৱাৰে।

শ্ৰীগোলক ৰাজবংশী ঃ— আমি যদি গাড়ী আতক কৰি ৰাখো আপোনালোকে সহায় কৰিব নে?

শ্ৰীকেশৱ গগৈ ঃ— নিশ্চয় কৰা হব।

Shri Binoy Basumatari :— Mr. Speaker Sir, has the Govt. given handling of law and order situalion to the Oppositions?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ঃ... মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই কল্যাণমূলক আঁচনি নাই বুলি কৈছে আৰু বাজেট বক্তৃতাৰ ওপৰত আলোচনা কৰিছে। তেখেতে শিশুবৰ্ষৰ আঁচনি নাই লোৱা বুলিও কৈছে। এই সম্পৰ্কত মই তেখেতক মোৰ বাজেট বক্তৃতাৰ ১৫ দফালৈ আঙুলিয়াব খুজিছো। The year 1979 has been declared as Internatinal Children year, I have indicated in my budget speech about child development scheme during 1979-80, school feeding programme has also been started এইটো বাজেট বক্তৃতাত কৈছো। আমি ফ্ৰি

ফুডিঙৰ ব্যৱস্থা কৰিছো।

মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য নিয়োগৰ কথা কৈছে। এই নিয়োগৰ ক্ষেত্ৰত এখন পেনেল আছে। গভৰ্ণৰ মানে চেন্সেলৰে নিয়োগ কৰে। ইয়াত চৰকাৰৰ ফালৰ পৰা কৰলগীয়া নাই। উপাচাৰ্য্য নিযুক্তিত চৰকাৰে জোৰ কৰিব নোৱাৰে। আমি অসুখী হৈছো যিজনৰ নাম এক নম্বৰত আছিল তেখেতক নিযুক্তি নিদিলে। এইক্ষেত্ৰত আমি বিৰূপ মন্তব্য কৰা নাই। তেখেতে সহকাৰী ইঞ্জিনিয়া,ৰ ডিপ্লোমা ইঞ্জিনিয়াৰৰ কথা কৈছে। আমি ডিপ্লোমা ইঞ্জিনিয়াৰৰ দৰমহা বঢ়াই দিছো। এচিচটেণ্ট ইঞ্জিনিয়াৰৰ দৰমহাও ডাক্টৰৰ দৰমহাৰ সমান কৰি দিবলৈ সিদ্ধান্ত কৰিছোঁ। তেখেতে আৰু অভিযোগ কৰিছে যে জুৱা খেল নিৰ্বিবাদে চলি আছে। এই বিষয়ত আমি বিহিত ব্যৱস্থা লম।

মাননীয় সদস্য শ্ৰীআব্ৰাম হুছেইন ডাঙৰীয়াই বিদেশী পৰ্দা মন্ত্ৰীৰ কাৰণে অনা বুলি কৈছে। আমি ভাৰতৰ বাহিৰৰ বস্তু অনা নাই। আমি পৰ্দা নিজে নিকিনো বিভাগৰ পৰা যি দিয়ে তাকে ব্যৱহাৰ কৰো।

শ্ৰীগোলাপ বৰবৰাঃ— উপাধ্যক্ষ মহোদয়, খাদী কাপোৰবো গৰ্জাচনেচ থাকিব পাৰে। সোতৰ টকীয়া খাদী কাপোৰতকৈ এঘাৰ টকীয়া মিলৰ কাপোৰেই ভাল। আৰু সেইটো লোৱাত কোনো আপত্তি নাথাকে। খাদীৰ প্ৰচলন হব লাগে কিন্তু বাধ্যতামুলক ভাৱে চৰকাৰী

ঘৰৰ পৰ্দ্দা বা কৰ্ম্মচাৰীৰ ভিতৰত চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ পোচাক দিলেই খাদী কাপোৰৰ ব্যৱহাৰৰ কথা নুসুচায় । মই দিল্লীত ছবছৰ-কাল পালিয়ামেণ্টৰ সদস্য হৈ থকা কালত প্ৰধানমন্ত্ৰীৰ ঘৰো দেখিছো। কাপোৰ সস্তা হব লাগে সেইটো কথা ঠিক।

শ্ৰীগজেন তাঁতী :— মিলৰ পৰা কিনিলে পইচা কেইটা মিলৰ মালিকে পায় আৰু খাদীৰ পৰা কিনিলে পইচা কেইটা দুখীয়া মানুহক দিয়া হয়।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— মন্ত্ৰী সভাৰ সদস্যই বিধায়কক দেখা নকৰে বুলি কোনো কোনো মাননীয় সদস্যই অভিযোগ তুলিছে আনকি জনতা বিধায়ককো দেখা নকৰাৰ অভিযোগ উঠিছে ই সঁচা নহয়। কিয়নো কোনো মন্ত্ৰীয়ে এজন বিধায়কক লগ নাপাব সেইটো কথা নহয়। এনেকুৱা কথা আমাৰ দৃষ্টি গোচৰ হোৱা নাই। শ্ৰীফনী মেধি ডাঙৰীয়াই এটা অভিযোগ আনিছে যে মন্ত্ৰীৰ হুকুম তামিল কৰা নাই। ৰাজ্যিক শিক্ষামন্ত্ৰীৰ হুকুম তামিল নকৰা বুলি অভিযোগ আনিছে। মই তেখেতক এই কথাটো সুধি লৈছো কিন্তু তেখেতৰ লগত তেনেকুৱা ঘটনা ঘটা নাই বুলি কৈছে। কোনো ঠাইত তেখেতৰ হুকুম তালিম নকৰা কথা হোৱা নাই। কামৰূপ ফ্ল’ৰ মিলৰ সম্পৰ্কে লেবাৰ মন্ত্ৰীয়ে বিশদ বিবৃতি দিছে মই পুনৰবাৰ দোহাৰিব নোখোজো। মাননীয় সদস্য যিসকলে এই আলোচনাত অংশ গ্ৰহণ কৰিছে তেখেতসকলক ধন্যবাদ দিছো আৰু ভালেকেইজন মাননীয় সদস্যই পৰিকল্পনাৰ বাহিৰৰ ব্যয় সংকোচন

কৰাব কথা বাজেট বক্তৃতাৰ সময়ত পৰামৰ্শ দিছিল। এগৰাকী মাননীয় সদস্য এই সংক্ৰান্তত এটা মিতব্যয়ী কমিটি গঠন কৰিবলৈ পৰামৰ্শ দিছিল। মই ইতিমধ্যে কৈছো যে পৰিকল্পনাৰ বাহিৰৰ ব্যয় বাঢ়ি যোৱাৰ পৰিপ্ৰেক্ষিতত মই এই পৰামৰ্শৰ প্ৰতি স্বাগতম জনাইছো। মই এই কথাটো একমত যে বৰ্দ্ধিত অৰ্থ নীতিত ৰাজহ হিচাপৰ ঘাটি পৰিহাৰ কৰিব লাগে। ভাৰতীয় অৰ্থনীতিবিদ সকলৰ ভিতৰত এজন বৰণ্যে তৰ্থ নীতিবিদ প্ৰফেচাৰ বি-এন-ভকিলে ভেৰা এন্‌ চাটে স্মাৰক বক্তৃতাৰ অলপতে ৰাষ্ট্ৰীয় ভিত্তিত তেনে এটা কমিটি হকে পোষকতা কৰিছে। মই এই সন্মানিত সদনক আশ্বাস দিছো যে ৰাজ্য চৰকাৰে এই প্ৰস্তাৱটোৰ প্ৰতি যথোচিত মনোযোগ দিব।

আমাৰ প্ৰশাসনীয় ব্যয় বৃদ্ধি পাই আহিছে আৰু মই মোৰ বাজেট বক্তৃতাত উল্লেখ কৰিছিলো যে তেনে প্ৰশাসনীয় ব্যয় বহন কৰাৰ বাবে পৰিপূৰক মঞ্জুৰী প্ৰস্তাৱ লৈ এই সদনত ওচৰ চাপিবলগীয়া হৈছে তেনে স্থলত পৰিকল্পনা ব্যয় ব্যাপক পৰিমাণে হ্ৰাস পাইছে। পঞ্চম পাচ বছৰীয়া পৰিকল্পনাই সামৰা কালছোৱাৰ ভিতৰত ব্যয়ৰ ক্ষেত্ৰত হোৱা হ্ৰাস ৰাজ্যিক পৰিকল্পনাৰ ক্ষেত্ৰত ২৭.৪৯ কোটি টকা। সংযোজিত পাৰ্বত্য পৰিকল্পনাত ৩.৪৩ কোটি টকা আৰু সংযোজিত জনজাতীয় উপপৰিকল্পনাত ১.৯৮ কোটি টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ব্যয়ৰ ক্ষেত্ৰত সৰ্ব্বমুঠ হ্ৰাসৰ পৰিমাণ হল ৩২.৯০ কোটি টকা। শেহতীয়া তথ্য মতে ১৯৭৭-৭৮ চনত ব্যয়ৰ ক্ষেত্ৰত হোৱা হ্ৰাস ৰাজ্যিক পৰিকল্পনাৰ ক্ষেত্ৰত ১৮.৭২ কোটি টকা সংযোজিত পাৰ্ব্বত্য পৰিকল্পনাত

৩.৪৩ কোটি টকা আৰু সংজোজিত জনজাতীয় উপপৰিকল্পনাত ০.৯৪ কোটি টকা গৈছে। ব্যয়ৰ ক্ষেত্ৰত হোৱা সৰ্ব্বমুঠ হ্ৰাস হল ২৩.০৮ কোটি টকা।

চলিত বছৰত এই অৱস্থাৰ যাতে পুনৰাবৃত্তি নহয় সেইটো নিশ্চিত কৰিবলৈ আমি কেতবোৰ ব্যৱস্থা লৈছো। এইটো গুৰুত্বপূৰ্ণ এই কাৰণেই যে প্ৰশাসনীয় ব্যয়ৰ সৰহ খিনিয়েই দৰিদ্ৰ সীনাৰেখাৰ ওপৰত থকা লোককহে উপকৃত কৰে। দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোক সকলে পৰিকল্পনা প্ৰকল্প আৰু আচনি সমূহত হোৱা ব্যয়ৰ পৰাহে লাভবান হোৱাটো আশা কৰিব পাৰে। সেয়ে পৰিকল্পনাৰ বাহিৰৰ ৰাজহ ব্যয় বাঢ়ি যাবলৈ নিদিয়াটো আৰু আনহাতে পৰিকল্পনা ব্যয় বিশেষকৈ দুখীয়া শ্ৰেণীৰ লোক সকলক লাভবান কৰা আচনি আৰু প্ৰকল্পত সম্পূৰ্ণ ধন ব্যয় কৰাটো আৰু আনকি উৎসাহিত কৰাটো অতিশয় প্ৰয়োজনীয় কথা।

এই দিশত লোৱা ব্যৱস্থা সমূহৰ ভিতৰত, অন্যতম হৈছে বাৰ্ষিক পৰিকল্পনাৰ মধ্যকালীন মূল্যায়ণ। এইটো দেখা গৈছে যে অকল সাধাৰণ অঞ্চলৰ ক্ষেত্ৰত ১৩.০৫ কোটি টকা বিভিন্ন বিভাগে খৰচ নকৰাকৈ ঘূৰাই দিলেহেতেন। এইখিনি ধনৰ পৰা প্ৰায় ১২.০৬ কোটি টকা অতিৰিক্ত ধনৰ চাহিদা পোৱা বিভাগ সমূহক পুনৰ বিনিয়োজন কৰা হৈছে। পৰিকল্পনা আয়োগে বিশেষ উদ্দেশ্যে ধন ধাৰ্য্য কৰাৰ হেতুকে কেৱল ০.৯৯ কোটি টকাহে এই দৰে পুনৰ বিনিয়োজন কৰিব পৰা নহব। আমি অৱশ্যে এই প্ৰস্তাৱিত সংযোজনত সন্মতি জনাবলৈ পৰিকল্পনা আয়োগক অনুৰোধ জনাইছো। পাৰ্ব্বত্য পৰিকল্পনাৰ ক্ষেত্ৰতো তেনে ধৰণৰ ব্যৱস্থা

লোৱা হৈছে যাতে ব্যয়ৰ ক্ষেত্ৰত হোৱা প্ৰকৃত হ্ৰাসৰ পৰিমাণ ৩১.১১ লাখ টকাতকৈ অধিক নহয়। দ্বিতীয়তে মোৰ বাজেট বক্তৃতাৰ ৩২ দফাত উল্লেখ কৰিছো যে কৰ্ম্মবিভাগ সমূহত প্ৰয়োজন হোৱা লোক আৰু যন্ত্ৰপাতিৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰা হৈছে। পুনৰ উক্তিৰ দোষে চুলেও মই মাননীয় সদস্যসকলক জনাব খোজো যে কেৱল এটা বছৰত কৰ্ম্ম-বিভাগ সমূহত কৰা সম্প্ৰসাৰণ সমূহৰ ভিতৰত এইয়ে হৈছে অধিকতম সম্প্ৰসাৰণ। আমি আশাবাখিছো যে কৰ্ম্ম বিভাগ সমূহে ৰাজ্যখনৰ উন্নয়নৰ গতি খৰতকীয়া কৰাৰ বাবে পৰিকল্পনাৰ পূঁজিৰ ধন সম্পূৰ্ণ কৈ ব্যয় কৰিবলৈ সমৰ্থ হব।

এইখিনি কৈয়েই, মই বিত্তমন্ত্ৰী হোৱাৰ পিচতে অৰ্থাৎ ১৯৭৮ চনৰ পোন্ধৰ জুনৰ পিচতে বিভিন্ন বিভাগ আৰু পাবলিক চেক্টৰলৈ বিত্ত বিভাগ পৰা দিয়া চিঠিৰ একাংশ পঢ়ি দিব খুজিছো। বৰ দীঘল গতিকে অলপ পঢ়ি দিম।

"To All Secretaries to the Govt. of Assam in administrative Deptts. including public Works Deptt. Flood Control Deptt. etc,, ......... Strict observance of financial rules and procedures ... ......As a result there is always a last hour rush for sanction, diversion of funds, etc. These make it difficult for Finance Deptt. to get a correct and comprehensive picture of financial liability, etc. at a time:

The Finance Deptt. also do not get sufficient time to examine the schemes, etc., properly. Verification of depertmental figures of receipts and expenditure with those booked in the office of the Accountant General and reconciliation of the discrepancies are also got delayed ইয়াৰ পিছত আকৌ আছে For proper utilisation of the funds provided in the budget, depart mental action calender should be propared, if there is none, and steps for implementation of the various schemes af the deptt., namly, propuration of estimates, issue of administr-ative approvel and technical sanction etc., where necessary should be taken in phased manner for judicious utilisation of the provitions against set target and proper monitoring and contral of expenditure. ইয়াৰ বাহিৰেও আকৌ আমি কৈছিলো Rush of expenditure at the fag end of the financial year and withdra wal of funds to avoid lapse of budget grants not required for immediate disburse-ment should be avoided as laid down under S.O. 50 of T. Rs and S. Rs. No proposal for reappropriation of funds should be submitted after 1-th March of the respective

financial year as laid down in Para 115 of the Budget Manual. আৰু বহুত কথা আছে। গোটেই চিঠিখন বৰ দীঘলীয়া হব সেই কাৰণে পঢ়ি দিয়া নাই। আমি এই ব্যৱস্থা কৰিছিলো যাতে বিভাগৰ পৰা আগতে প্ৰপ'জেল দিয়া হয় আৰু টকা বিলাক যাতে খৰচ কৰিব পৰা হয়। মই এই সদনক আশ্বাস দিছো যে আমি সম্পূৰ্ণ ফলৱতী হব পৰা নাই যদিও কিছু ফলৱতী হৈছো আৰু যিখিনি লেপচ্ আছে সেইটো চাব লাগিব আৰু টকাখিনি যাতে লেপচ্ নহয় তাৰ ব্যৱস্থা কৰিছো। মই আশা ৰাখিছো যে অহা বছৰলৈ আমি আৰু সাফল্য লাভ কৰিবলৈ সমৰ্থ হম। আৰু এই সদনক এই কথাও কব পাৰো যে এই পৰিকল্পনাৰ ধনখিনি ঠিকমতে ব্যয় যাতে হয় আৰু দুখীয়া শ্ৰেণী মানুহৰ উপকাৰত আহে সেইটো চোৱা হব। এই কথা এজন মাননীয় সদস্যইও আঙুলিয়াই দিছিল যে নতুন আঁচনি পৰিকল্পনাত নাই। মই ৰাজ্যপালৰ ভাষণৰ ছয় পৃষ্ঠাত পঢ়ি শুনাইছো। In addition to the continuing schemes, severel new schemes aimed at giving social benefits as wall as stimulating productivity will be initiated during the ensuing year. The schemes will include innovative programmes like organisation of "Bhumi Sena," small scale tea cultivation by marginal farmers and old age pension to deserving cultivarors.,, এইখিনি কৈয়েই আলোচনাত অংশ গ্ৰহণ কৰা মাননীয় সদস্য সকলক পুনৰ বাৰ ধন্যবাদ জ্ঞাপন কৰি মোৰ মন্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker :— Now I put the motion

before the House. The motion is that the Assam Appropriation (No II) Bill, 1979 be taken into consideration.

The motion is passed.

Item No. 3 (c): I put clause II and schedule of the Bill. Clause II and Schedule of the bill do form part of the bill.

Clause II and schedule do form part of the bill

Now, I put Clause 1, preamble, enacting formula and short Title of the Bill. Clause I. preamble, enacting formula and Short title of the bill do form part of the bill.

The Clause I, preamble, enacting formula and short Title do form part of the Bill.

Item No 3 (d)—Shri Keshab Chandra Gogoi, Finance Minister.

Shri Keshab Chandra Gogoi :—Sir, I beg to move that the Assam Approprirtion (No II) Bill, 1979, be passed.

Mr. Deputy. Speaker :— Now, I put the motion

before the House that the Assam Appropriation ( No. II ) Bill, 1979, be passed.

The motion is passed, the bill is passed.

Report of the Business advisory committee

Mr. Deputy. Speaker— Under Rule 230 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly a meeting was called of the business Advisory Committee on 26th March, 1979 in the Speaker's Chambra at Dispur for fixation of date for consideration and passing of Govt. bills, The Committee after having threadbare discussion decided to fix 28th March, 1979 as a date for consideration and passing of Finanec bills and other taxation bills so that these bills can be passed before 31s-t March, 1979 and the pending bill of the Assam Scheduled Caste and Scheduled Tribec Reservation of vacancies in service and posts Bill, 1978 will be taken up thereafter along with other bills, I hope this has the appaoval of the House.

Before closing-there are so many matters to be raised but as it is too late-only for an urgent matter, I

request Mr. M. Ibrahim Ali to raise a matter, as it involves loss of human lives.

শ্ৰীইব্ৰাহিম আলী :—যোৱাকালি ২৬।৩।।৭৯ তাং আবেলি ২'৩০ বজাত বাঘবৰ সমষ্টিৰ মন্দিয়া মৌজাৰ ভৈৰাৰপাবু গাওঁখনৰ ৩২ টা পৰিয়ালৰ ঘৰবাৰী সা-সম্পত্তি, এটা বিদ্যালয় প্ৰাৰ্থনা ঘৰ পুৰি ভষ্মিভুত হৈছে। মন্দিয়া বজাৰত মতা মানুহখিনি আহিছিল, তাত ২ টা মানুহ পুৰি মৰিছে। গাই - গৰু গোঁহালী চোতালত পুৰি মৰিছে। ধান চাউল খোৱা বস্তু বিধান কাপোৰ কানি সকলো শেষ হল। ছাত্ৰ-ছাত্ৰী কিতাপ পত্ৰ পুৰি গল। বাৰী গছ-গছনি শেষ হল। সেয়েহে মই মুখ্যমন্ত্ৰী মহোদয়ক এই সদনৰে মন্ত্ৰীৰ সভাৰ সদস্যৰ ২। ১ জনক সেই ঠাইলৈ গৈ চাই আহিবলৈ অনুৰোধ জনাইছো যাতে তাত খোৱাৰ সাহায্য খেতিৰ বিধান গৰুৰ ঋণ ছাত্ৰ-ছাত্ৰীৰ কিতাপ পত্ৰ সাহায্য ইত্যাদি দি সেই সকলোলোকক বিপদৰ পৰা ৰক্ষা কৰিব বুলি অনুৰোধ জনালো।

শ্ৰীগোলাপ বৰবৰা :—এই বিষয়ে তদন্ত কৰি বিহিত ব্যৱস্থা সোনকালে লোৱা হব।

Mr. Deputy. Speaker :— The House stands adjourned till 10 A.M. on 2 th March, 1979.

## ADJOURNMENT

The Hous then rose at 8-I5P.M. and stood adjourned till I0 A.M. on wednesday the 28th March I976

DISPUR :
The 27th March, 1979.

P. D. BARUA,
Secretary,
Assam Legislative Assembly